
# পাতিদৰং মহাবিদ্যালয়

# আলোচনী



সম্পাদক

নজৰুল ইছলাম

# পাতিদৰং মহাবিদ্যালয় আলোচনী

ইংৰাজী ২০০১-২০০২ চন

## ত্ৰয়োদশ বছৰ দ্বাদশ সংখ্যা

**বছৰেকীয়া প্ৰকাশ**

# PATIDARRANG COLLEGE MAGAZINE

## YEAR 2001-2002

13th Year 12th Issue

তত্বাৱধায়ক ঃ ৰাহাৰুল ইছলাম, প্ৰবক্তা, ইংৰাজী বিভাগ

সম্পাদক

নজৰুল ইছলাম

# পাতিদৰং মহাবিদ্যালয় আলোচনী

ইংৰাজী ২০০১-২০০২ চন

ত্ৰয়োদশ বছৰ দ্বাদশ সংখ্যা

## সম্পাদনা সমিতি

উপদেষ্টা

**মিনতি দেৱী**, ভাৰপ্ৰাপ্ত অধ্যক্ষা

তত্বাৱধায়ক

**বাহাৰুল ইছলাম**, প্ৰবক্তা ইংৰাজী বিভাগ

সম্পাদক

**নজৰুল ইছলাম**

সদস্য/সদস্যা

দীপক তালুকদাৰ, প্ৰবক্তা ইংৰাজী বিভাগ

**কুতুবুদ্দিন আহমেদ**

বেটুপাত

**হেমন্ত ডেকা**

অংগসজ্জা

সম্পাদক/তত্বাৱধায়ক

*কম্পিউটাৰ গ্ৰাফিকচ্*

আজমল আলী

ছপা

হাইপ্ৰিন্ট অফছেট

বাইহাটা চাৰিআলি, মঙ্গলদৈ পথ

কৃতজ্ঞতা

সৰ্বশ্ৰী ৰণজিৎ নাথ (প্ৰবক্তা), তহিদুল ইছলাম (প্ৰবক্তা), বলিন ডেকা আৰু থানেশ্বৰ ডেকা

*পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ হৈ সম্পাদক নজৰুল ইছলামৰ দ্বাৰা প্ৰকাশিত।*

# কৰ্মৰত অৱস্থাত আমাৰ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা



শ্ৰীমতী মিনতি দেৱী

# সূচীপত্ৰ


| | | পৃষ্ঠা |
|---|---|---|
| তত্বাৱধায়কৰ কলম | | |
| সম্পাদকীয় | | |
| ***প্ৰবন্ধ*** | | |
| * উচ্চ শিক্ষাৰ বাবে এক নতুন প্ৰত্যাহ্বান 'নাক' | জগত বৰা | ১—২ |
| * গণতন্ত্ৰ, গণতান্ত্ৰিক সমাজ আৰু শিক্ষা এক বাস্তৱ আত্মোপলব্ধি | নৱাব মাহমুদউল হক | ৩—৭ |
| * সাহিত্যাচাৰ্য্য চৈয়দ আব্দুল মালিক | আজিজুল ইছলাম | ৮—১০ |
| * নৱবানৰৰ ক্ৰমবিকাশ ঃ হাতোৱাৰ পৰা হাতৰ যোগেদি বিকাশৰ বাটত | জিলিমণি ডেকা | ১১—১২ |
| * উজ্বল নক্ষত্ৰৰ সন্ধানত | নজৰুল ইছলাম | ১৩—১৪ |
| ***গল্প*** | | |
| * সমাধি | অমৃত চন্দ্ৰ কলিতা | ১৫—১৯ |
| * বিষাক্ত বেদনা | গিৰিশ বৰ্মণ | ২০—২৩ |
| * দায়ী কোন? | চানোৱাৰা বেগম | ২৪—২৬ |
| * এজন বন্ধুৰ মৃত্যুত | চৈয়দা মেৰিনা বেগম | ২৭—২৮ |
| * কুহেলিকা | সবিতা দেৱী | ২৯—৩১ |
| * প্ৰৱঞ্চনা | মাহফুজা বেগম | ৩২—৩৩ |
| * প্ৰেয়সীৰ বিয়া | মুকুট ডেকা | ৩৪—৩৭ |
| * বিষন্ন হৃদয় | প্ৰণীতা দেৱী | ৩৮—৪০ |
| * আনন্দৰ বেদনা | কমল গোস্বামী | ৪১—৪২ |
| ***কবিতা*** | | ৪৩—৫০ |
| ***ENGLISH SECTION*** | | |
| * A GLANCE ON THE SUCCESS OF DR. MATIUR RAHMAN | Baharul Islam | ৫১—৫৪ |
| * Old Age– A Cause of Concern | Lipika Deka | ৫৫—৫৬ |
| *প্ৰতিবেদন—* | | |

# তত্বাৱধায়কৰ কলম—

মুক্তাপুৰৰ এখন পাণ দোকানত স্থানীয় হাইস্কুলৰ প্ৰধান শিক্ষকজনৰে সৈতে মই কথাপাতি আছিলোঁ। কলেজত নামভৰ্তি কৰাৰ সময়। চাত্ৰ-ছাত্ৰীৰ প্ৰ-পত্ৰ জমা দিবলৈ লৰা-ঢপৰা লাগিছে। এনেতে এজন ল'ৰাই হাতত কিছুমান কাগজ লৈ আমাৰ ফালে আগুৱাই আহিল। ল'ৰাজনে ছাৰক ক'লে, "ছাৰ মোৰ মাৰ্কচিটখন ফটোষ্টেট কৰি দিয়ক।" তেখেতে মোৰ ফালে চাই ক'লে— "এওঁ আপোনাৰ কলেজত নাম ভৰ্ত্তি কৰিব। বেছেৰাই এতিয়াও নাজানে "ফটোষ্টেট" নে অ্যাট্ৰেষ্ট। এয়া এটা সাধাৰণ উদাহৰণ। ইয়াৰ বাবে দায়ী কোন?

আজি কিছুদিন আগতে কলেজত চূড়ান্ত পৰীক্ষাৰ প্ৰ-পত্ৰ জমা দিবলৈ যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীৰ সমাগম হৈছিল। ঠাণ্ডাৰ বতৰ। মই সহকৰ্মী কেইজনৰে সৈতে বাহিৰত বহি আছো। প্ৰ-পত্ৰ জমা দিবলৈ গৈ ছাত্ৰ-ছাত্ৰীসকল উভতি আহি আমাৰ কাষ চাপিছে। কাৰণ ভুলকৈ জমা দিয়া প্ৰ-পত্ৰ কৰ্মচাৰীয়ে গ্ৰহণ কৰা নাই। স্নাতকৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হবলৈ ওলোৱা পৰীক্ষাৰ্থীয়েও প্ৰ-পত্ৰ খন শুদ্ধকৈ পূৰ কৰিব পৰা নাই। অধ্যক্ষ বাইদেৱে মোক ক'লে, "তুমি অহাবাৰ লৈ প্ৰ-পত্ৰ পূৰ কৰাবলৈ কেনেকৈ লাগে প্ৰথমতে ক্লাছত শিকাই দিবা।" স্নাতক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ ওলোৱা ছাত্ৰ বা ছাত্ৰীজনীয়ে ইমান ধন অপচয় কৰি অত বছৰে কি শিকিলে?

কলেজলৈ আহিলে ছাত্ৰ-ছাত্ৰীয়ে সাধাৰণতে কিতাপ লগত লৈ নাহে। হাতত এখন বহী লৈ শ্ৰেণীকোঠাত প্ৰৱেশ কৰে। বিশেষকৈ ইংৰাজীৰ পাঠ্যপুথিখন লগত থকাটো নিতান্ত প্ৰয়োজন বুলি মই ভাবো। কাৰণ বৰ্তমান পৰীক্ষাত অহা প্ৰশ্নবোৰ কিতাপখনৰ সৈতে এনেভাৱে জড়িত যে সম্পূৰ্ণকৈ বিষয়বস্তুৰ জ্ঞান নহলে ভাল নম্বৰ লাভ কৰিব নোৱাৰি। বজৰুৱা নোটৰ ওপৰত গুৰুত্ব দিয়াৰ ফলত ইংৰাজীৰ ওপৰত দখল নোহোৱা হৈছে। সহজতে ত্ৰিশটা নম্বৰ লাভ কৰাটোৱেই ছাত্ৰ-ছাত্ৰীসকলৰ লক্ষ্য হোৱাৰ পৰিপ্ৰেক্ষিতত মেধা ছাত্ৰ-ছাত্ৰীয়ে ক্ষতিগ্ৰস্থ হৈছে। ৰোধ কৰাৰ উপায় কি?

কলেজৰ পৰা ঘৰলৈ বুলি বাছ ৰখি থাকোতে এঘন্টা পাৰ হ'ল। এনে অভিজ্ঞতা আমাৰ বাবে কোনো নতুন কথা নহয়। সৌৱা এখন বাছ আহিছে। তাতো তলে ওপৰে মানুহ। কিবাকৈ সহকৰ্মী কেইজনৰ সৈতে যাত্ৰীৰ হাতে ভৰিয়ে ধৰি বাছৰ ভিতৰ সোমালো। উশাহ-নিশাহ বন্ধ হৈ যোৱাৰ উপক্ৰম হ'ল। বাইদেউ কেইজনীয়ে ভগৱানৰ নাম স্মৰণ কৰিব ধৰিলে। কতো অকনো খালী ঠাই নাই। বাছখন পিছৰ ষ্টপেজত ৰ'ল। তাতে এজন বৃদ্ধলোকক নিজৰ কোনোবা আত্মীয়জনে বাছৰ ভিতৰলৈ সোমাই আনিছে। মানুহজন অসুস্থ, কঁপি কঁপি কোনো মতে থিয় দি আছে। লগৰ জনক সোধাত ক'লে— তেওঁক হেনো গুৱাহাটীলৈ চিকিৎসাৰ বাবে নিব। চিট এটা কোনোবাই যে এৰি দিব সেয়া কল্পনাতীত। এনেদৰে নিতৌ হেজাৰ বিজাৰ আবাল, বৃদ্ধ, বনিতাই যাতায়ত কৰিছে। এনে যাতায়তৰ অন্ত পেলাবলৈ কোনোবাই চিন্তা কৰিছে নে?

খেল ধেমালি ছাত্ৰ জীৱনৰ এক অপৰিহাৰ্য্য অংগ। কিন্তু বহুক্ষেত্ৰত দেখা যায় ভালেমান ছাত্ৰই নিজৰ অধ্যয়নৰ প্ৰতি পিঠি দিওতে দিনটো খেল পথাৰতে ব্যস্ত থাকে। তাৰোপৰি আজিকালি অভিভাৱকসকলৰ মাজত দুচকীয়া যান কিনি কমবয়সীয়া ছাত্ৰৰ হাতত এৰি দিয়াৰ প্ৰতিযোগিতামূলক প্ৰৱণতাই ছাত্ৰসকলক ক্ষতিগ্ৰস্থ কৰিছে। ইয়াৰ সৈতে জড়িত আছে আইনসংগত বাধা, স্বাস্থ্যজনিত কাৰণ। এনে সমস্যাৰ সমাধান ক'ত?

বৰ্তমান এই চাম ছাত্ৰ-ছাত্ৰীৰ পৰাই আমাৰ দেশে বিচাৰে একোজন সুকবি, কলাকাৰ, বুদ্ধিজীৱী, দেশকৰ্মী, ধৰ্মযাজক, অৰ্থনীতিবিদ, আইনজীৱী, গায়ক, সু-নাগৰিকৰ জন্ম হ'ব। গ্ৰাম্যঞ্চলত অৰ্থনৈতিকভাৱে অভাৱগ্ৰস্থতাৰ সৈতে তুমুল সংগ্ৰাম কৰা একোজন কৃষকে কষ্টোপাৰ্জিত ধনৰে নিজৰ সন্তানক সু-নাগৰিক হিচাবে গঢ় দিবলৈ আপ্ৰাণ চেষ্টা কৰাটো প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে হৃদয়ঙ্গম কৰা উচিত। সময় থাকোতেই নিজক গঢ় দিবলৈ চেষ্টা কৰাৰ সময় সমাগত। পৰচৰ্চা, পৰনিন্দা কৰাটো ছাত্ৰ-ছাত্ৰীয়ে পৰিত্যাগ কৰিব লাগে। কাৰণ লোকৰ দোষ খুচৰি উলিওৱাটো যদি এটা কাম, তেনেহলে নিজক দোষমুক্ত কৰি ৰখাটোহে বুদ্ধিমানৰ পবিত্ৰ কাম হোৱাটো উচিত।

বাহাৰুল ইছলাম

# সম্পাদকীয়



প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল মহান ব্যক্তিলৈ শলাগ লৈছো যিসকলৰ চেষ্টাৰ বলত আমাৰ মহাবিদ্যালয়খন গঢ় লৈ উঠিল।

পাতিদৰং মহাবিদ্যালয় ছাত্ৰ সন্থাৰ ২০০১-২০০২ শিক্ষাবৰ্ষৰ বাবে যিসকলে মোক আলোচনী সম্পাদক হিচাপে নিৰ্বাচন কৰি এই মহাবিদ্যালয়ৰ সেৱা কৰিবলৈ সুযোগ দিলে সেইসকল ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা যাচিলোঁ।

এখন সৰ্বাঙ্গ সুন্দৰ আলোচনী প্ৰকাশৰ ইচ্ছা প্ৰত্যেকজন সম্পাদকৰে থাকে। কিন্তু নানান অসুবিধাৰ বাবে এখন সুন্দৰ আলোচনীৰ প্ৰকাশৰ ক্ষেত্ৰত বাধা আহি পৰে। তাৰ ভিতৰত সীমিত পুঁজি তথা আলোচনীত প্ৰকাশৰ বাবে যি মানদণ্ডৰ লেখা-পাতিৰ প্ৰয়োজন আমাৰ ছাত্ৰ-ছাত্ৰীৰ লেখা সেই পৰ্য্যায়লৈ উন্নীত হোৱা নাই। ইয়াৰ ফলত বহুতো লেখা একাষৰীয়াকৈ থ'বলগীয়া হৈছো। আলোচনী এখন প্ৰকাশৰ দৰে কঠিন কামতো যথেষ্ট অভিজ্ঞতাৰ প্ৰয়োজন। এনেক্ষেত্ৰত মই নিজকে অনভিজ্ঞ বুলি বিবেচনা কৰো।

সাধাৰণতে মহাবিদ্যালয়ৰ আলোচনীখন ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ কঠিয়াতলি। এই লিখনি সমূহৰ মাজেৰে সমাজে পায় একো একোজন নবীন কবি, সাহিত্যিকৰ আগজাননী। কিন্তু দুখৰ বিষয় বৰ্তমান ছাত্ৰ সমাজ অনিশ্চিত ভৱিষ্যতৰ অন্ধকাৰত কিলবিলাই ফুৰিব লগা হৈছে। পঢ়া মেজত আজিৰ ছাত্ৰ ব্যস্ত থাকিব নোৱাৰা মূলতে আছে অবাঞ্ছিত অসামাজিক আৰু ৰাজনৈতিক সমস্যা। এইবোৰে ছাত্ৰ-ছাত্ৰীৰ সুস্থ চিন্তা চৰ্চাত বাধাৰ সৃষ্টি কৰিছে। ইয়াৰ ফলত মহাবিদ্যালয়ৰ আলোচনীত প্ৰকাশ কৰিবৰ বাবে আনৰ পৰা ধাৰ কৰি লিখনি প্ৰকাশ কৰাৰো এক প্ৰবনতা থকা দেখা যায়।

মোৰ কাৰ্য্যাকালত সকলো সময়তে সহযোগিতা আৰু সজ উপদেশ দি মোক সহায় কৰা শিক্ষাগুৰু ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সদৌ শেষত মোৰ কাৰ্য্যকালত হোৱা অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা জনাই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

মহঃ নজৰুল ইছলাম

প্ৰবন্ধ

# উচ্চ শিক্ষাৰ বাবে এক নতুন প্ৰত্যাহ্বান 'নাক'

**জগত বৰা**, প্ৰবক্তা
অসমীয়া বিভাগ

অসমৰ শিক্ষা ব্যৱস্থাত সমস্যাৰ অন্ত নাই। প্ৰাথমিক পৰ্যায়ৰ পৰা বিশ্ববিদ্যালয় পৰ্যায়লৈকে নানান সমস্যাই অসমৰ ছাত্ৰ-শিক্ষক-অভিভাৱকক বিমোৰত পেলাই আহিছে। বিগত পোন্ধৰ-বিশ বছৰত ৰাজ্য চৰকাৰৰ খামখেয়ালিপূৰ্ণ আৰু দুৰ্নীতি মুক্ত শিক্ষক নিযুক্তিৰ ফলত ৰাজ্যখনৰ শিক্ষাজগতলৈ যি বিপৰ্যয় নমাই আনিছে, তাৰ ফল বহুদিনলৈ আমি ভোগ কৰিব লাগিব।

আন নালাগে, উচ্চ শিক্ষাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ স্পষ্ট আৰু দৃঢ় নীতিৰ অভাৱত এক অনিশ্চয়তাৰ সৃষ্টি হৈছে। মহাবিদ্যালয় পৰ্যায়ত দুটা শৈক্ষিক তথা প্ৰশাসনিক ব্যৱস্থা বাহাল থকাত এক সমন্বয়হীনতা আৰু বিশৃংখলাৰ উদ্ভৱ হৈছে। প্ৰাক্তন প্ৰয়াত প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীৰ আমোলাত ১৯৮৬ চনত যি নতুন শিক্ষানীতি (New Education Policy– NEP) গ্ৰহণ কৰা হৈছিল, তাৰেই অৱধাৰিত ফল হিচাপে আজি শিক্ষাক পণ্য-সামগ্ৰীলৈ পৰ্যবসতি কৰা হৈছে। নতুন শিক্ষানীতি অনুসাৰে উচ্চ শিক্ষা হৈ পৰিছে সংকুচিত; অৰ্থাৎ ধন যাৰ শিক্ষা তাৰ। বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰেতো শিক্ষাৰ ক্ষেত্ৰত নানা উদ্ভূত কাৰবাৰ কিছুমান কৰিব ধৰিছে। এফালে উচ্চ শিক্ষাৰ মান আন্তৰ্জাতিক পৰ্যায়ৰ কৰাৰ নামত বিশ্ববিদ্যালয় অনুদান আয়োগে (University Grant Commission) নাক (National Assessment and Accreditation Council– NAAC) আদিৰ যোগেদি নানা কঠোৰ পৰীক্ষা-নিৰীক্ষা চলাবলৈ ধৰিছে, অত্যাধুনিক প্ৰযুক্তি কৌশলৰ (যেনে— কম্পিউটাৰ, চুপাৰ কম্পিউটাৰ, ইন্টাৰনেট, ই-কমাৰ্চ, ই-মেইল ইত্যাদি) জ্ঞান ছাত্ৰক দিয়াৰ তৎপৰতা চলাইছে, আনফালে কেন্দ্ৰীয় চৰকাৰে মহাবিদ্যালয়-বিশ্ববিদ্যালয় পৰ্যায়ত জ্যোতিষশাস্ত্ৰ, বেদশিক্ষা আদিৰ নিচিনা সাতামপুৰুষীয়া, অবৈজ্ঞানিক পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰি সচেতন মহলৰ চকু কপালত তুলিছে।

এনে ধামখুমীয়াৰ মাজতে অসমৰ মহাবিদ্যালয় সমূহৰ বাবে, উচ্চ শিক্ষাৰ বাবে আহি পৰিছে এক নতুন প্ৰত্যাহ্বান। আপাততঃ এই নতুন প্ৰত্যাহ্বান আমাৰ শিক্ষাসদীসকলৰ কাৰণে আশাপ্ৰদ যেন লাগিলেও ইয়াৰ অন্তৰালত আছে গভীৰ জটিলতা, শিক্ষাক ব্যক্তিগত কৰণ আৰু শিক্ষা সংকোচনৰ তীব্ৰ প্ৰৱণতা। এই নতুন প্ৰত্যাহ্বানৰ নাম হ'ল— 'ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদ', সংক্ষেপে 'নাক' (National Assessment and Accreditation Council– NAAC)। ইয়াৰ প্ৰধান কাৰ্যালয় আছে বাংগালোৰত। এই 'নাক'ৰ বিষয়ে আমি সংক্ষেপে আলোচনা কৰিব খোজো এই কাৰণেই যে 'নাক'ৰ কাৰ্যক্ৰমণিকাক লৈ দেশজুৰি নানা সংশয় সন্দেহৰ সৃষ্টি হৈছে, নানা প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইয়াৰ নিৰ্ধাৰিত চৰ্তসমূহ মহাবিদ্যালয়সমূহে পূৰণ কৰিব নোৱাৰিলে চৰকাৰী অনুদানৰ পৰা বঞ্চিত হোৱাই নহয়, হয়তো বহুতো মহাবিদ্যালয় বন্ধ হৈ যাব পাৰে বুলিও সচেতন ব্যক্তিসকলে আশংকা ব্যক্ত কৰিছে। এই পৰিপ্ৰেক্ষিতত আমি 'নাক' সম্পৰ্কে প্ৰাথমিক ধাৰণা থকাটো প্ৰয়োজন বুলিয়েই এই লেখাত সংক্ষেপে আলোচনা কৰা হ'ল।

'নাক' অৰ্থাৎ ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদ গঠন হয় ১৯৯৪ চনৰ ১৬ ছেপ্তেম্বৰত। ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় নতুন শিক্ষানীতিৰ পৰামৰ্শৰ আধাৰত বিশ্ববিদ্যালয় অনুদান আয়োগে এই পৰিষদ গঠন কৰে। মহাবিদ্যালয়-বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ মান উন্নীত কৰণেই এই পৰিষদৰ মূল কাৰ্যক্ৰমণিকা (Agenda) যদিও ইয়াৰ বাবে 'নাক'ৰ কিছুমান নিৰ্ধাৰিত চৰ্ত (Criteria) আছে। এই চৰ্তৰ ভিত্তিত শিক্ষানুষ্ঠানসমূহে আত্ম মূল্যায়নৰ প্ৰতিবেদন 'নাক'ৰ ওচৰত দাখিল কৰিব লাগিব। 'নাক'ৰ বিশেষজ্ঞ দলে প্ৰতিবেদন দাখিল কৰা শিক্ষানুষ্ঠানলৈ গৈ দাখিল কৰা তথ্যসমূহৰ শুদ্ধা-শুদ্ধ পৰীক্ষা কৰি প্ৰতিবেদন দাখিল কৰিব আৰু 'নাক'ৰ কাৰ্যকৰী সমিতিয়ে এই প্ৰতিবেদনৰ ভিত্তিত চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰি প্ৰত্যায়নৰ প্ৰমাণ পত্ৰ দিব। প্ৰত্যায়নৰ প্ৰমাণ পত্ৰ পাঁচ বছৰৰ বাবেহে বাহাল থাকিব। কলা বা বিজ্ঞান শাখা থকা মহাবিদ্যালয় এখনে মূল্যায়ন আৰু প্ৰত্যায়নৰ মাচুল হিচাপে পঞ্চাশ হাজাৰ টকা দিয়াৰ উপৰিও বিশেষজ্ঞ দলৰ যাৱতীয় খৰচ বহন কৰিব লাগিব।

'নাক'ৰ দ্বাৰা নিৰ্ধাৰিত চৰ্তসমূহ সাতটা ভাগত বিভক্ত কৰি প্ৰতিটো ভাগৰ বাবে মুঠ নম্বৰৰ ব্যৱস্থা ৰাখিছে। এখন শিক্ষানুষ্ঠানে ন্যূনতম ৫৫ নম্বৰ লাভ কৰিব পাৰিলেহে প্ৰত্যায়নৰ যোগ্যতা লাভ কৰিব। উল্লেখ্য যে 'নাক'ৰ এই চৰ্তসমূহ আন্তৰ্জাতিকভাৱে গ্ৰহণযোগ্য মাপকাঠিৰ আধাৰত প্ৰস্তুত কৰা হৈছে।

'নাক'ৰ ঘোষিত উদ্দেশ্য আৰু লক্ষ্য হ'ল— উচ্চ শিক্ষানুষ্ঠান সমূহক ইয়াৰ শক্তি, দুৰ্বলতা, সম্ভাৱনা সম্পৰ্কে সজাগ কৰি তোলা, গতানুগতিকতাৰ প্ৰাচীৰ ভাঙি যুগোপযোগী নতুন নতুন প্ৰত্যাহ্বানৰ সন্মুখীন হৈ দৃঢ় পদক্ষেপ লোৱা, উচ্চ শিক্ষাৰ নিম্নতম মান (minimum level of standard) বজাই ৰাখি শিক্ষাৰ গুণগত মান উন্নত কৰি আন্তৰ্জাতিক পৰ্যায়ত ফেৰ মাৰিব পৰা কৰা। এনে উদ্দেশ্যেই 'নাকে' ইয়াৰ কাৰ্যক্ৰমণিকা প্ৰস্তুত কৰিছে।

বৰ্তমান প্ৰায়বোৰ ৰাষ্ট্ৰই মুক্ত অৰ্থনৈতিক ব্যৱস্থাৰ বাবে এক বাতাবৰণ গঢ়ি তোলাৰ যত্ন কৰিছে। বিশেষকৈ বিশ্ব বাণিজ্য সংস্থাৰ (World Trade organisation) চুক্তিভুক্ত দেশসমূহে ব্যক্তিগত কৰণ প্ৰক্ৰিয়া ত্বৰান্বিত কৰি তুলিছে। কেৱল ব্যৱসায় বাণিজ্য, শিল্প উদ্যোগতেই যে এই প্ৰক্ৰিয়া চলিছে এনে নহয়, শিক্ষা সংস্কৃতিকো ব্যক্তিগত কৰণৰ প্ৰস্তুতি চলিছে। এয়া বিশ্বায়ন বা গোলকী কৰণৰ (globalisation) অৱধাৰিত ফল। এনে পটভূমিত ভাৰতক উচ্চ শিক্ষাৰ মান উন্নত কৰাটো আজি সময়ৰ দাবী— যিহেতু ভাৰতেও আজি মুক্ত অৰ্থনীতিকে গ্ৰহণ কৰি লৈছে।

কিন্তু কথা হ'ল— অসমৰ সাধাৰণ উচ্চ শিক্ষানুষ্ঠান সমূহে 'নাক'ৰ চৰ্তানুসৰি অগ্ৰসৰ হ'ব পাৰিবনে— য'ত আছে নানা ধৰণৰ সমস্যা? 'নাকে' বিচৰা পুথি ভঁৰালৰ লগতে বিভাগীয় পুথি ভঁৰাল, কেৰিয়াৰ কাউঞ্চেলিং, সম্প্ৰসাৰণ শিক্ষাৰ ব্যৱস্থা, ছাত্ৰ-ছাত্ৰীৰ মাচুলৰ বাদে য'ত কোনো সুকীয়া আয়ৰ উৎস নাই— এনেবোৰ সমস্যাৰ মাজত সাধাৰণ উচ্চ শিক্ষানুষ্ঠানসমূহে আগবাঢ়িব কেনেকৈ? ❖

> তুমি জীৱনক ভাল পোৱানে? যদি ভাল পোৱা তেন্তে অলপো সময় নষ্ট নকৰিবা, কিয়নো সময়ৰ ধাতুৰে জীৱন নিৰ্মিত।
>
> — ফ্ৰেঙ্কলিন

# গণতন্ত্ৰ, গণতান্ত্ৰিক সমাজ আৰু শিক্ষা এক বাস্তৱ আত্মোপলব্ধি

নবাব মাহমুদউল হক
(ৰাজনীতি বিজ্ঞান বিভাগ)

"শুনক, ইচ্ছা কৰিলে মযো এম, এল, এ, মন্ত্ৰী হ'ব পাৰো; হয়তো মুখ্যমন্ত্ৰীও হ'ব পাৰো। কিন্তু গোটেই জীৱন মূৰ খুন্দিয়াই মৰিলেও আপুনি কলেজৰ প্ৰিন্সিপাল হ'ব নোৱাৰে। মই প্ৰিন্সিপাল হৈ নাথাকিলেও বা মোৰ চাকৰিটো গলেও মোৰ ছাত্ৰ বিলাকে মোক চাৰ বুলিয়েই মাতিব। কিন্তু আপোনাৰ মন্ত্ৰীত্ব যোৱাৰ পাচত বাটৰ কুকুৰেও আপোনাক বাট এৰি নিদিব।" যোৱা বাইশ বছৰ ভ্ৰাম্যমানৰ দৰ্শক হ'ব পৰা নাই, চিনেমাৰো। দুৰ্বল দৃষ্টিশক্তিৰ বাবে। বিয়লিৰ আড্ডাত স্থানীয় সু-অভিনেতা অনুজ প্ৰতীম গনেশ কাকতিৰ বলিষ্ঠ কণ্ঠত শুনা 'জুই'ৰ সংলাপটোৱে আকৰ্ষণ কৰিছে। ঘনিষ্ঠ ছাত্ৰ-ছাত্ৰীসকল আৰু উপদেষ্টা সহ দুজনমান সহকৰ্মী অনুজৰ মৰমৰ দাবী পূৰণৰ সম্ভাৱনা বিচাৰি পাইছোঁ। মাণিক কলিতা, ৰাণী, সুৰেন মহন্তই বাট এটা দিছে আৰ তাৰ ছিগা চুলিৰে নেঘেৰি খোপা এটা বন্ধাৰ প্ৰয়াস কৰাৰ। সাহিত্যিক, বুদ্ধিজীৱি আমি নহয়। বয়সৰ ভৰত ন্যুব্জ কুব্দ এক অচল মুদ্ৰা। মুদ্ৰা বিজ্ঞানৰ Gresham's Law ত আছে Bad money drives away good money out of circulation.

'জুই'ৰ অধ্যক্ষ মাণিক কলিতা এক আপোচবিহীন চৰিত্ৰ। সাৰ্থক শিক্ষাই সৃষ্টি কৰা আত্মবিশ্বাসৰ জীৱন্ত প্ৰতীক। ন্যস্ত স্বাৰ্থৰ ওচৰত তেওঁ শিৰনত নকৰে। দৰকাৰ হ'লে ইস্তফা দিব। ৰফিৰ দৰদী কণ্ঠৰ "চৰ কটা সকতে হ্যায়, লেকিন চৰ ঝুকা সকতে নহী'ৰ বাস্তৱায়ন। আত্মসন্মানবোধ, আত্ম মৰ্য্যদাবোধ খায় নে কাণত পিন্ধে আজিৰ তথাকথিত শিক্ষিত চামে জানে নে? জানিলেনো একচনীয়া পট্টাৰ অধিকাৰীয়ে ম্যাদী পট্টাৰ অধিকাৰীৰ ভাত দিয়ে নে?

মাণিক কলিতাৰ চৰিত্ৰই স্মৃতিৰ দুৱাৰ উন্মুক্ত কৰিছে। অপমানৰ পোতক তুলিবলৈ নিজৰ কাৰ্য্যালয় কক্ষত সেই অভদ্ৰ চাহাবজনক মেজৰ ওপৰত ভৰি তুলি চাৰ আশুতোষে Paying back in his own coins কৰাৰ পৰা অসংখ্য ছবিৰ দৌৰ আৰম্ভ হৈছে। ভৰত চলিহা, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, জেহিৰুদ্দিন আহমদ, লক্ষ্মী দত্ত, আজিজুৰ ৰহমান আদিৰ চিৰ উন্নত মম শিৰ'ৰ দৃপ্ত ভংগীমা মানস পটত ভাঁহি উঠিছে। ব্যক্তিগত জীৱনৰ শিক্ষক পূজনীয় ° কমলেশ্বৰ দত্ত চাৰৰ ক্ষীণ চেহেৰাৰ আঁৰত থকা প্ৰচণ্ড ব্যক্তিত্ব, মেঘৰ গৰ্জন সদৃশ কণ্ঠৰ অধিকাৰী ° সোনেশ্বৰ কলিতা চাৰৰ ব্ৰজ গম্ভীৰ মাতৰ আঁৰত থকা হৃদয়ৰ বিশালতা, চাৰৰ মাতত অগপ চৰকাৰৰ প্ৰথম কৃষি মন্ত্ৰী নীলমণি দাসৰ প্ৰথম শ্ৰেণীৰ প্ৰথম দিনটোতে কাপোৰ বেয়া হোৱা দৃশ্য, চাইফুদ্দিন আহমদ চাৰৰ গজেন্দ্ৰ গমন মঞ্চত ৰূপায়ণ কৰিবলৈ গৈ বিফল হোৱা আদি অসংখ্য Fond memory brings the light of other day around me. এক প্ৰচণ্ড দুখবোধে তীব্ৰভাৱে পীড়া কৰিছে। আজিৰ প্ৰজন্মৰ 'দুভৰ্গীয়া' ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আমি অনুভৱ কৰো তীব্ৰ বেদনাবোধ। তেওঁলোকে মাষ্টৰ দেখিছে, প্ৰবক্তা, প্ৰফেচাৰ, লেকচাৰাৰো দেখিছে। কিন্তু ৯০% ই শিক্ষকৰ (Teacher) পৰা শিক্ষা লাভৰ

সৌভাগ্যৰ পৰা বঞ্চিত। আজিৰ বস্তুবাদী ভোগবাদী সমাজত শিক্ষকে শিক্ষকতা নকৰে, চাকৰিহে কৰে। forced teachership, teacher by accident, teachership as a spring board আদি category বোৰ বাদেই দিলো। যি microscopic শিক্ষক অৱশিষ্ট আছে তেওঁলোককো চতুৰালিৰে চাকৰি কৰিবলৈ বাধ্য কৰা হয়। কোনো শিক্ষানুস্থানৰ মূৰব্বীৰ মাজত আমি মাণিক কলিতাক বিচাৰি নাপাওঁ। আজিৰ মূৰব্বী সকল সৰীসৃপ। ৰাজনীতিকৰ পদপ্ৰান্তত গলবস্ত্ৰ, দণ্ডৱৎ হৈ গাদী ৰক্ষাৰ যুঁজত ব্যস্ত। ৰাজনীতিৰ বেপাৰীহঁতৰ পোহনীয়া গোলাম। শিক্ষক হিচাপে থাকিবলগীয়া নুন্যতম অৰ্হতাৰ অভাৱত উশাহ লবলৈ ৰাজনীতিকৰ অনুমতি ভিক্ষা কৰিব লাগে। Jurisdiction ৰ সীমাৰেখা ক'ৰবাত হেৰাই যায়। স্বেচ্ছাচাৰী ফেচীবাদী শাসন ব্যৱস্থাত বিধানপালিকা, কাৰ্য্যপালিকা, ন্যায়পালিকাৰ পাৰ্থক্য নাথাকে; নাথাকে স্পষ্ট চৰিত্ৰ। শাসকে ঘোষণা কৰিব পাৰে 'I am the State.' আৰু আগবাঢ়ি কোনোবাই ক'ব পাৰে 'মন খুদায়ম, মন খুদায়ম, মন খোদা।' (ময়ে খোদা, ময়ে খোদা, ময়ে খোদা) এনে শাসন ব্যৱস্থাত প্ৰজাৰ সুখ-শান্তি নাথাকে। সকলো ধৰণৰ বিকাশ স্থবিৰ হয়। ন্যায়ৰ চৰিত্ৰ আমি হিটলাৰৰ পুলিচ মন্ত্ৰী হাৰমেন গোৰেৰিঙৰ উক্তিত দেখা পাওঁ। "Shoot first and inquire afterwards, and if you make mistakes I will protect you." শাস্তি দিয়া, বিচাৰ পাছত কৰিবা। Put the horse behind the cart. এনে ব্যৱস্থাৰ ফল কি হয় আমি প্ৰত্যক্ষ কৰিলো। Marx এ ঈশ্বৰ সম্বন্ধে কৈছে— "If there is no God, invent him." অলপ সলনি কৰি ক'ব পাৰি, তেওঁৰ দোষ আৱিষ্কাৰ কৰা, মই তেওঁক শাস্তি দিব বিছাৰো।

Lewis Carrol ৰ What Alice Saw in the Looking Glass ত Humpty– Dumpty য়ে এলিচক শব্দৰ অৰ্থ সম্বন্ধে জ্ঞান দিবলৈ গৈ গৈছে শব্দৰ নিৰ্দ্দিষ্ট অৰ্থ থকাৰ কি দৰকাৰ? মই বিচৰামতে মোৰ শব্দই অৰ্থ প্ৰকাশ কৰিব। চাব লাগিব Who is the master? মালিক কোন মই নে শব্দ? কি অহংকাৰ! ফেচীবাদৰ চৰম প্ৰকাশ। আমাৰ দণ্ড-মুণ্ডৰ কৰ্ত্তা বুলি ভবা সকলৰ মানসিকতাত এই ফেচীবাদী অহংকাৰকে প্ৰত্যহ প্ৰত্যক্ষ কৰো।

বিশ্বভাৰতীৰ অন্যতম শাখা শ্ৰীনিকেতন। ইয়াৰ ৰূপকাৰ লিওনাৰ্ড এলমহাষ্টলৈ লিখা এখন চিঠিত কবি গুৰুৱে কৈছে "The most important purpose of education is to know man." UNESCO ৰ Thinkers of Education ত ৰবীন্দ্ৰ নাথৰ শিক্ষা দৰ্শনৰ প্ৰাসংগিকতা স্বীকাৰ কৰি শ্ৰীনিকেতনৰ বিষয়ে কোৱা হৈছে— "The entire programme followed at Sri Niketan for rural development was adopted by India's five year plans as the conect approach to rural community development." বিশ্বভাৰতীৰ উদ্দেশ্য ঘোষণা কৰি কবি গুৰুৱে কৈছে- "এই বিদ্যালয়ে উৎকৃষ্ট আদৰ্শ কৰ্ষন কৰিব, গো-পালন কৰিব, কাপোৰ বব আৰু আৰ্থিক সম্পদ আহৰণৰ বাবে সমবায় প্ৰণালী অৱলম্বন কৰি ছাত্ৰ-শিক্ষক আৰু চৌপাশৰ অধিবাসী সকলৰ জীৱিকাৰ সৈতে ঘনিষ্ঠভাবে যুক্ত হ'ব। এনে আদৰ্শ বিদ্যালয়ৰ মই বিশ্বভাৰতী নাম দিয়াৰ প্ৰস্তাৱ কৰিলো।" আশী বছৰ পাচত NAAC (National Assessment & Accredition Council) এ উচ্চ শিক্ষানুষ্ঠান সমূহ আৰ্থিভাৱে স্বাৱলম্বী হ'ব লাগিব বুলি নিৰ্দ্দেশনা জাৰি কৰিছে। আমাৰ কুৰি বিঘাৰ ওপৰ মাটি বছৰ বছৰ ধৰি চন পৰি আছে। কৰ্ত্তৃপক্ষই ৰবীন্দ্ৰনাথৰ পৰা পথ সন্ধান পাব পাৰে।

শিক্ষাৰ অৰ্থ বন্ধন মুক্তি। লক্ষ্য মানুহক বহু বিচিত্ৰতাৰ সৈতে সংগতি ৰক্ষা কৰি চলিবলৈ শিকোৱা। বিচ্ছিন্ন মানুহ ভয়ংকৰ। যথাৰ্থভাৱে শিক্ষিত মানুহে প্ৰতিদিনে আৱিষ্কাৰ কৰে স্বাধীনতাৰ প্ৰয়োজনীয়তা। স্বাধীন মানুহে সৃষ্টিশীল হ'ব পাৰে। স্বাধীন, সৃষ্টিশীল

মানুহৰ বাবেহে। তমসোমা জ্যোর্তিগময়' সম্ভৱ। তেওঁহে সকলো প্ৰকাৰ আদিমতাৰ পৰা মুক্ত হৈ বিশ্ব চেতনাৰে উদ্বুদ্ধ হ'ব পাৰে। জীৱনৰ প্ৰয়োজনত তেওঁ প্ৰথমে জীৱনক বুজিবলৈ চেষ্টা কৰে। পাছত অপ্ৰয়োজনৰ আনন্দত শিল্প সৃষ্টি কৰে। প্ৰকৃত শিক্ষাই মানুহক শিল্প, সাহিত্য, সংগীত চৰ্চ্চা কৰিবলৈ শিকায়। তেনে মানুহ ভেদ বুদ্ধিৰ পৰা মুক্ত, উদাৰ আৰু আনন্দময়। আত্মৰক্ষাৰ প্ৰয়োজনত আত্মশক্তি, আত্মসমীক্ষাৰ পৰা আত্মপৰিচয়ৰ উদ্ভৱ। এই অৱস্থা প্ৰাপ্তিৰ পিছতহে মানুহে আত্মমৰ্য্যদা সহকাৰে আন মানুহৰ মুক্তিৰ আয়োজন কৰিবলৈ সক্ষম হ'ব পাৰে। উদাহৰণ চক্ৰেটিছ আদি দাৰ্শনিক সকল আৰু বিশ্বৰ প্ৰতিগৰাকী ধৰ্মপ্ৰচাৰক।

শিক্ষাৰ সৈতে শিকাৰ আৰু দেখাৰ নিবিড় সম্পৰ্ক। যি শিক্ষা ব্যাপক, সাৰ্বিক জগতৰ সৈতে সম্পৰ্কিত নহয়, শিক্ষাৰ্থীক পূৰ্ণতাৰ স্বাদ দিব ক'ৰ পৰা? আধুনিক সমাজত বিশেষজ্ঞ সম্প্ৰদায় মানৱ জীৱনৰ অনেক বিপত্তিৰ কাৰণ স্বৰূপ। সাধাৰণ জ্ঞান জনসাধাৰণৰ বাবে অসাধাৰণ মূল্যবান সম্পদ। মানুহ প্ৰাণী জগতৰ সৰ্বোত্তম সৃষ্টি। এই অকৃত্ৰিম সত্য ছাত্ৰক বিভিন্ন দৃষ্টান্তৰে শিক্ষকে বুজাই দিবই লাগিব। ইয়াৰ অৰ্থ হ'ল শিক্ষা এটা total job. total job ৰ ধাৰণা শিক্ষকে সৰ্বদা মনত ৰাখিব লাগিব। পাঠ্যপুথি ধৰ্মী পঠন-পাঠন, পাঠ্যপুথি প্ৰেম, গতানুগতিক পাঠ্যভ্যাসৰ দ্বাৰা মানুহৰ অনন্ত শক্তি, অশেষ সম্ভাৱনাৰ হিচাপ-নিকাচ কৰিব নোৱাৰি। মানুহ সৰ্বশ্ৰেষ্ঠ অংক। কথাষাৰ শিক্ষা জগতৰ সৈতে জড়িত প্ৰত্যেকেই মনত ৰাখিব লাগিব। ছাত্ৰই পঢ়াৰ স্বাধীনতা পাব লাগিব। এনে অৱস্থা সৃষ্টি হোৱা সমাজ এখনহে প্ৰকৃত গণতান্ত্ৰিক সমাজ। গণতন্ত্ৰৰ দোষৰ অন্ত নাই, সীমাবদ্ধতাও অসংখ্য; সম্ভাৱনাৰো শেষ নাই। আজিও গণতন্ত্ৰ ক্ৰমবিকাশমান ৰাজনৈতিক দৰ্শনৰ পৰ্য্যায়তে আছে। চূড়ান্তভাৱে সামৰ্থ দৰ্শন হিচাপে প্ৰমাণিত হোৱা নাই। প্ৰকৃত শিক্ষাই গণতন্ত্ৰৰ একমাত্ৰ ৰক্ষা কবচ। প্ৰকৃত শিক্ষাৰ অৰ্থ হ'ল "মানুহৰ ওপৰত বিশ্বাস হেৰোৱা পাপ।" এই শিক্ষাৰে মানুহ গঢ়িবলৈ teaching পৰ্য্যাপ্ত নহয়। লাগে interactive teaching. এই প্ৰসংগত বিবেকানন্দৰ উক্তি প্ৰণিধানযোগ্য। তেওঁ আকৌ কৈছে— "বেছি জ্ঞান দিবলৈ নাযাবা। "Education is the manifestation of the perfection already in man." ছাত্ৰৰ সজাগ, সদাজাগ্ৰত মনক, তাৰ কল্পনা শক্তিক প্ৰকাশ কৰাত সহায় কৰা। তত্বলৈ মতলীয়া নহবা।"

বস্তুতান্ত্ৰিক সমাজত শিক্ষাৰ মালিকানা কুক্ষিগত কৰি ৰখা সকল অনবৰত manpower (জনশক্তি) লৈ ব্যস্ত, manhood (মনুষ্যত্ব) লৈ নহয়। এই দুৰৱস্থাৰ পৰা পৰিত্ৰাণ পাবলৈ Ivan Illich এ de-schooling ৰ প্ৰস্তাৱ আগবঢ়াইছে। তেওঁৰ আদৰ্শ e-school ৰ বিষয়ে কৈছে— "It gets them ready for a life of learning. It connects man with man. It introduces all men to the dialogue about the common good of their own country and of the world community. It lays the foundation of practical wisdom."

মুখস্থ কৰিবলৈ শিকোৱা নহয়, ছাত্ৰক চিন্তা কৰিবলৈ শিকোৱা যথাৰ্থতে জটিল। দৰ্শন, সাহিত্য, ইতিহাস বাদ দি practical wisdom আয়ত্ব কৰিব নোৱাৰি। আদৰ্শ আৰু বাস্তৱৰ মাজত সম্বন্ধয় সাধন শিক্ষাৰ এটা প্ৰধান লক্ষ্য। শিক্ষাৰ্থীক শেষ পৰ্য্যন্ত মানৱ সমাজৰ এজন মূল্যবান ব্যক্তি হিচাপে গঢ়ি তোলা শিক্ষাৰ প্ৰাথমিক লক্ষ্য। যিজনে ৰাষ্ট্ৰক (কৰ্তৃত্ব) যথাস্থানত যথাবিহিত সন্মান কৰি চলিব জানে, জীৱন আৰু জগত সম্পৰ্কে সঠিক সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে, তেওঁকে সচেতন আৰু শিক্ষিত বুলি কোৱা হয়। সততে মনত ৰাখিব লাগিব যে, we are living in a learning society. শিকাৰ শেষ নাই। কোনো জ্ঞানেই চূড়ান্ত বা শেষ জ্ঞান নহয়। সকলো চিন্তাকে বৰ্তমানৰ

মানদণ্ডেৰে বিচাৰ কৰি সিদ্ধান্ত লব লাগিব। শিক্ষাৰ আন এক প্ৰধান লক্ষ্য নিজৰ চূড়ান্ত ক্ষমতা (সামৰ্থ) প্ৰকাশ কৰা আৰু জীৱনৰ প্ৰতিটো মূহুৰ্ত্ততে তাক প্ৰয়োগ কৰিব পৰাকৈ শিক্ষাৰ্থীক সহায় কৰা। গণতন্ত্ৰৰো দাবী এয়াই। Rene Dubos ৰ ভাষাত The cultivation of diversity is essential, not only for the growth of society, but even for its survival. It is human that enhales society to adapt itself to changing situations. The teacher can recognise and cultivate diversity among human beings. এনে শিক্ষাৰ প্ৰসংগতে Ivan Illich এ ক'ব পাৰে the classroom itself can be abolished. এনে শিক্ষাৰ বাবে শিক্ষক হ'ব লাগিব গভীৰ কাণ্ডজ্ঞান সম্পন্ন। শিক্ষক ছাত্ৰ উভয়ে পৰ্য্যবেক্ষণ শক্তিৰ অধিকাৰী হ'ব লাগিব। অভিনিবেশ ক্ষমতা অন্য এক মূলধন হ'ব। শিক্ষক-ছাত্ৰৰ সন্মিলিত প্ৰচেষ্টাত সৃষ্টি হ'ব মানুহ গঢ়াৰ কাৰখানা। মানুহ এই জগতৰ সৰ্বশ্ৰেষ্ঠ technology। এইযাৰ কথা শিক্ষকে হৃদয়ংগম কৰিব পাৰিব লাগিব। চিন্তা কৰিবলৈ সক্ষম মানুহ প্ৰতি মূহুৰ্ত্ততে মানুহৰ জগতত মানুহ হিচাপে সাৰ্থক হ'ব পাৰে।

এনে শিক্ষিত ব্যক্তিহে দেশৰ নাগৰিক হোৱাৰ যোগ্য। আমি কেৱে নাগৰিক হিচাপে জন্ম নলওঁ। নিৰৱচ্ছিন্ন শিক্ষাৰ মাজেদি apprenticeship of liberty আমাৰ লক্ষ্য। এই প্ৰক্ৰিয়াত শিক্ষা আৰু সেৱা simulaneously চলি থাকে। স্বাধীন civil society ব্যক্তি আৰু গণতন্ত্ৰ উভয়ৰে লক্ষ্য। গণতান্ত্ৰিক civil space আধুনিক মানুহৰ কাম্য। এনে প্ৰক্ৰিয়াৰে গঢ়ি উঠে ৰবীন্দ্ৰনাথৰ কল্পনাৰ Where the mind is without fear সমাজ। গণতন্ত্ৰই নতুন সংজ্ঞা লাভ কৰে। Democracy is government without heroes, government by ordinary men and women taking responsibility for their lives and action.

'Mother language is the key to the prison of enslavement'. পৰাধীন জাতিৰ মুক্তিৰ সঁচাৰ কাঠি একমাত্ৰ মাতৃভাষা। ভাষাৰ প্ৰয়োজন ভাৱ প্ৰকাশৰ বাবে; আত্মপ্ৰকাশৰ বাবে। মাতৃভাষাতে আমি নিজকে প্ৰকাশ কৰিব পাৰোঁ? গ্ৰামোন্নয়ণ বিভাগৰ বিষয়া হিচাপে সৰ্বভাৰতীয় প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ Valedictory function ৰ অন্ততঃ ৰাষ্ট্ৰপতি জ্ঞানী জাইল সিঙৰ চাহমেল। অসমৰ বুলি জনাৰ পাচত স্বাভাৱিকতে অসম প্ৰসংগ। অসম আন্দোলন তুংগত। নেতাসকলৰ বিষয়ে মন্তব্য— "আপকে লিডৰ লোগ ন অংগৰেজী বোল পাতে হ্যাঁয়, ন হিন্দী। য়ে লিডৰ বনতে হ্যায় কেইচে?" লিডৰ বনতে হ্যায় কেইচে? a million dollar question নিশ্চয়। চাটুকাৰ সমাজত leader বনিয়েই থাকে, বনায়ে থাকে। আত্ম প্ৰকাশৰ জ্ঞান নালাগে। নালাগে ওচৰত lingua franca ত আবেদন লিখি কি যে বিড়ম্বনা— Shoot first and inquire afterwards মজাৰ অভিজ্ঞতা, চিৰস্মৰণীয়।

"You can fool some of the people all the time, all the people some of the time; but you can not fool all the people all the time." Some of the people that can be fooled all the time ৰ আমি repesentative নেকি? 3rd year ৰ Major ক্লাচ। হঠাৎ খিৰিকিৰে বাহিৰলৈ চকু গ'ল। পুখুৰীৰ দক্ষিণ পাৰত বৈ গ'ল। আঘোনমহীয়া কুঁৱলীৰ বেৰ এখন সৃষ্টি হৈছে। মাহটো চেপ্তেম্বৰ। আঠ বছৰীয়া কাৰ্য্যকালত প্ৰথমবাৰ এনে দৃশ্য প্ৰত্যক্ষ কৰা বিৰল সৌভাগ্য। দৃশ্যপটে মগজুত প্ৰতিক্ৰিয়া কৰিছে। মুখমণ্ডলে নিশ্চয় ঘনাই বৰণ সলাইছে লিপিকাৰ দৃষ্টি গোচৰ নিশ্চয় হৈছে। কাৰণ জানিবলৈ নিশ্চয় আগ্ৰহো হৈছে। সাহস গোটাব পৰা নাই। এনেকৈয়ে চলে administration demand কৰে unqualified allegiance হয়তো obedience 3 1 Reciprocity?

Student affair ত আমোলাতান্ত্ৰিক হস্তক্ষেপ কিয়? আলোচনীৰ বাবে ছাত্ৰই দিয়া অৰিহণা

আলোচনীত ব্যৱহাৰ নহয় কিয় সম্পূৰ্ণৰূপে? প্ৰতিবছৰে আলোচনীৰ ধন অন্য শিতানত কিয় খৰছ হয়? খৰছবোৰ কিমান গ্ৰহণীয়? Games fees ৰ টকাৰে কোন lecturer ক দৰমহা দিয়া হয়? ৰাজনৈতিক লাভৰ আশাত মহাবিদ্যালয় প্ৰতিভা সপ্তাহৰ অনুমতি বন্ধ থাকে কিয়? শিক্ষক-শিক্ষয়ত্ৰী অনুপস্থিত থাকে কিয়? বিভাগীয় উপদেষ্টা বিচাৰি সম্পাদক সকলে হাবাথুৰি খাব লগীয়া হয় কিয়? বঁটা বিতৰণী সভাই তৰ্ক সভাৰ ৰূপ লয় কিয়? বোকা ছটিয়াই responsibility দলিয়াই দিয়াৰ প্ৰৱণতা কিয়? আধুনিক দ্ৰৌণাচাৰ্য্যৰ জন্ম হয় কিয়? কাৰোবাৰ দোষৰ বাবে আন কাৰোবাক শাস্তি দিওঁ কিয়? মূল দোষী team leader ক দোষী বুলি ক'ব পৰা সৎ সাহস নহয় কিয়? সকলোবোৰ প্ৰশ্নৰ উত্তৰ ওপৰৰ আলোচনাত সোমাই আছে। বঁটা বিতৰণী সভাৰ পৰিবেশে প্ৰমাণ কৰিলে success has many father; failure is an orphan. এশ বছৰ আগতে Life and Learning ত জৰ্জ বাণাৰ্ড শ্বই কৰা মন্তব্য আজিও প্ৰাসংগিক। বস্তা পঁচা জ্ঞানেৰে আমি বাৰু জুই নাটকৰ অধ্যক্ষ মাণিক কলিতা হবই পাৰিম নে গঢ়িবই পাৰিম? Practical wisdom is still an illusion.

Taya Jeankin ৰ Challenges in India নামৰ অত্যন্ত চিৰিয়াচ গ্ৰন্থখনত ভাৰতীয় মানসিকতাক উপহাস কৰি এক প্ৰতীকী উদাহৰণ দাঙি ধৰা হৈছে। মই ৰাস্তাত বাছৰ বাবে অপেক্ষা কৰি আছো। বিদেশী, imported কেডিলাক এখন ধূলি উৰুৱাই আগবাঢ়ি গ'ল। পাছৰ খিৰিকিৰে মুখ উলিয়াই যোৱা Doverman টো মোক জিভা দেখুৱাই উপহাস কৰি গ'ল। মই নিজকে তাতকৈ নিকৃষ্ট বুলি ভাবিম নে? উত্তৰটোৱে আমাৰ জীৱন দৰ্শন প্ৰতিফলিত কৰাৰ লগতে মানসিকতা, শিক্ষাৰে পৰিচয় বহন কৰে। ❖

"খং নকৰিবা, নিজৰে সৰ্বনাশ হ'ব, অহংকাৰ নকৰিবা, পতন হ'ব, কাকো ঘৃণা নকৰিবা নিজেও ঘৃণিত হ'বা, ফাঁকি নিদিবা ফাকিত পৰিবা।"

—স্বামী বিবেকানন্দ

*জীৱনীমূলক প্ৰবন্ধ—*

# সাহিত্যাচাৰ্য চৈয়দ আব্দুল মালিক

মহঃ আজিজুল ইছলাম
উঃ মাঃ দ্বিতীয় বাৰ্ষিক

অসমৰ হকে যুঁজি, অসমৰ হকে মৰো
জ্বলি ইয়াতে শেষ হয় জীৱনৰ ধূপ
সেই দিন ধৰি মই অসমৰ অসমীয়া
ধৰ্ম মোৰ, জাতি মোৰ অসমীয়া প্ৰাণৰ আপোন।

**অসমৰ সাহিত্য জগতৰ এটি প্ৰথিতযশা নাম ঃ—** চৈয়দ আব্দুল মালিক। তেওঁ গল্পকাৰ, ঔপন্যাসিক, সাহিত্যিক আৰু জনপ্ৰিয় কথাশিল্পী আছিল। আব্দুল মালিকক অসমীয়া সাহিত্যৰ এজন সম্ৰাট বুলি ক'ব পাৰি। তেওঁ মৃত্যুৰ আগমূহুৰ্ত্তলৈ কলম লৈ অসমীয়া সমাজলৈ আৰু কিবা লিখিম বুলি ৰৈ আছিল।

সাহিত্যাচাৰ্য চৈয়দ আব্দুল মালিকৰ ১৯১৯ খ্ৰীষ্টাব্দত ভোগালী বিহুৰ উৰুকাৰ দিনা নাহৰণিত জন্ম হয়। তেওঁৰ পিতাকৰ নাম ৰহমত আলী আৰু মাকৰ নাম লতিফুন্নিছা।

আব্দুল মালিকে প্ৰাথমিক শিক্ষা ৩৩নং নাহৰণি নিম্ন বুনিয়াদী বিদ্যালয়ত শেষ কৰি, ১৯৩৭ চনত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত লেটাৰ মাৰ্কসহ মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ ১৯৩৯ চনত যোৰহাট কলেজৰ পৰা সুখ্যাতিৰে আই. এ পাছ কৰে, ১৯৪১ চনত কটন কলেজৰ পৰা ইংৰাজীত অনাৰ্চ লৈ বি. এ. ডিগ্ৰী লাভ কৰে, ১৯৫১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপে অসমীয়া সাহিত্য বিষয়ত দ্বিতীয় শ্ৰেণীৰ প্ৰথম হৈ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

অসম চৰকাৰৰ আবকাৰী বিভাগৰ চাব ইন্সপেক্টৰ চাকৰিত যোগদানেৰে কৰ্মজীৱনৰ পাতনি মেলে। মালিক কুৰালগুৰি হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আৰু যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ত অসমীয়া বিভাগৰ প্ৰবক্তা হিচাপেও কাম কৰিছিল।

মালিকে নৱম শ্ৰেণীত পঢ়ি থাকোতে যোৰহাটৰ চৰকাৰী বহুমুখী বালক বিদ্যালয়ৰ মুখপত্ৰ জেউতিত এটা গল্প লিখিছিল। তাৰপিছত জেউতিত প্ৰকাশ পোৱা গল্পটি দেখি মালিকৰ উৎসাহ দুগুণ বাঢ়িল। তেওঁ গল্প, উপন্যাস, কবিতা, প্ৰবন্ধ লিখাৰ উপৰিও কেইবাখনো কাকত-আলোচনী সম্পাদনা কৰিছিল। ১৯৭৭ চনত অভয়াপুৰীত হোৱা অসম সাহিত্য সভাৰ সভাপতিৰ পদো তেওঁ অলংকৃত কৰিছিল। ১৯৭৭ চনত অসম সাহিত্য সভাত তেওঁক সাহিত্যাচাৰ্য উপাধি প্ৰদান কৰা হৈছিল। তেওঁ বিভিন্ন বঁটা পাবলৈ সক্ষম হৈছিল। 'অঘৰী আত্মাৰ কাহিনী"ৰ বাবে সাহিত্য অকাডেমী বঁটা হস্তগত কৰে আৰু ১৯৯২ চনত তেওঁ অসম উপত্যকা বঁটা পাবলৈ সক্ষম হৈছিল।

১৯৬৩ চনত শিৱসাগৰৰ হাচনা মালিকৰ লগত বিবাহ পাশত আৱদ্ধ হয়।

মালিকৰ গ্ৰন্থসম্ভাৰ সমূহ হ'ল— **উপন্যাস—** ১। ওমলা ঘৰৰ ধুলি, ২। বনজুই, ৩। ছবিঘৰ, ৪। মাটিৰ চাকি, ৫। ৰথৰ চকৰি ঘুৰে, ৬। সূৰুয মুখীৰ স্বপ্ন, ৭। স্বপ্নভংগ, ৮। বন্দৰ, কামিজ, বেলুন, ৯। সুমেৰু, কুমেৰু আৰু এটা বাঁহী, ১০। আধাৰশিলা, ১১। প্ৰাচীৰ আৰু প্ৰান্তৰ, ১২। ফাগুনৰ শেষ হাঁহি, ১৩। একাবেকা বৃত্ত, ১৪। এটা ধুমকেতুৰ শৰশয্যা, ১৫। অন্য আকাশ অন্য তৰা, ১৬। অন্য যুগ ভিন্ন তীৰ্থ, ১৭। সোণালী সূতাৰে

বন্ধা, ১৮। পহুমৰা হাবিৰ বাট, ১৯। জেতুকাপাতৰ দৰে, ২০। অগ্নিগৰ্ভা, ২১। ৰজনীগন্ধাৰ চকুলো, ২২। ড° অৰুণাভৰ অসম্পূৰ্ণ জীৱনী, ২৩। অঘৰী আত্মাৰ কাহিনী, ২৪। ৰূপতীৰ্থৰ যাত্ৰী- ১, ২৫। ৰূপতীৰ্থৰ যাত্ৰী-২, ২৬। ভূমিচম্পাৰ কপালৰ সেন্দুৰৰ ফোঁট, ২৭। ৰাতিৰ কবিতা, ২৮। ধন্য নৰতনু ভাল, ২৯। সিপাৰে প্ৰাণ সমুদ্ৰ, ৩০। জয়া মণিকা ইত্যাদি, ৩১। কবিতাৰ নাম লাভা, ৩২। জীয়াজুৰিৰ ঘাট, ৩৩। উভতি অহাৰ গান, ৩৪। কণ্ঠহাৰ, ৩৫। ৰূপাবৰিৰ পলস, ৩৬। নিঃসঙ্গ মৌ পিয়াৰ গীত, ৩৭। মনুষ্যত্বৰ মৰিশালিত, ৩৮। শৰীৰত একুৰা জুই, ৩৯। স্বাতী নক্ষত্ৰৰ ভস্ম, ৪০। নল, বিৰিণা, খাগৰি, ৪১। গাঁথনিত তেজৰ কৰাল, ৪২। কেৱল প্ৰেমৰেই যদি, ৪৩। অন্য নাম মৃত্যু, ৪৪। মোৰ বাবে তুমি নুৰুৱা মালতী ফুল, ৪৫। ত্ৰিশূল, ৪৬। মুনিচুনিত চকা-চমকা, ৪৭। দোকমোকালি, ৪৮। মৌ ডিমৰুৰ কোঁহ, ৫০। বিহমে টেকাৰ ফুল, ৫১। খোৰা নিদান, ৫২। অক্ষয় অব্যয় স্মৃতি, ৫৩। ফুলনিত বজ্ৰপাত, ৫৪। অৰণ্য দেৱতা, ৫৫। অমৰ মায়া, ৫৬। সোণালী আন্ধাৰ, ৫৭। প্ৰেম অমৃতৰ নদী, ৫৮। মই মৰিনো নাযাও কিয়, ৫৯। আপোন আপোন স্বৰ্গ, ৬০। উভতি অহাৰ গান, ৬১। স্মৃতি ৰেখা, ৬২। সত্যৰ পথেৰে শান্তিৰ ৰথেৰে মুক্তিৰ জয়যাত্ৰা, ৬৩। মৌ পিঠা হৃদয়ৰ ভাষা।

**চুটিগল্প ঃ—** ১। পৰশমণি, ২। এজনী নতুন ছোৱালী, ৩। ৰঙা গড়া, ৪। প্ৰাণাধিকা, ৫। ছয় নম্বৰ প্ৰশ্নৰ উত্তৰ, ৬। মৰম মৰম লাগে, ৭। মৰহা পাপৰি, ৮। শিখৰে শিখৰে, ৯। শিল আৰু লিখা, ১০। বীভৎস বেদনা, ১১। আৱৰ্ত, ১২। মৃগনাভি, ১৩। বহুত বেদনা এটোপা চকুলো, ১৪। হাঁহি আৰু চকুলো, ১৫। অৱিহণা, ১৬। পোৱা গাঁৱত পহিলা বহাগ, ১৭। হাঁহিৰে চকুলো ঢাকি, ১৮। এখন নিলিখা চিঠি, ১৯। অলংকাৰ, ২০। অস্থায়ী আৰু অন্তৰা, ২১। ছাই আৰু ফিৰিঙতি।

**কবিতা পুথি ঃ—** ১। বেদুইন, ২। স্বাক্ষৰ, ৩। স্বপ্ন দুঃস্বপ্ন আৰু অন্য কিছু কথা, ৪। ছন্দহাৰা ছন্দ।

**ভ্ৰমণ কাহিনী ঃ—** ১। মাজত মাথোন হিমালয়, ২। এটা চিনাকী দ্বীৰ তটৰেখা, ৩। বালি, বেলি আৰু জমজম।

**নাটক ঃ—** ১। ৰাজদ্ৰোহী, ২। মকৰাজাল, ৩। আলহীঘৰ, ৪। অন্য এজনী শকুন্তলা, ৫। আজান ফকিৰ (অনাতাঁৰ নাটক), ৬। কাঠফুলা (অনাতাঁৰ নাটক), ৭। দূৰৰ দেৱতা, ৮। খান বাহাদুৰ, ৯। জোৱাৰৰ ঢৌ, ১০। আধা আঁকা ছবি, ১১। অ' মোৰ আপোনাৰ দেশ (সঙ্গীতালেখ্য)।

**শিশুসাহিত্য ঃ—** ১। কোৱাণ শ্বৰিফৰ সাৰ কথা, ২। এখন সোণালী দুৱাৰ, ৩। মুকলি মনৰ সাধু, ৪। নানান ফুলৰ কৰণি, ৫। আগলৈ পিছলৈ তললৈ ওপৰলৈ।

**হাস্য-ব্যঙ্গ ৰচনা ঃ—** ১। খিৰিকি, ২। মিঠা টেঙা জ্বলা কেঁহা তিতা।

**জীৱনী ঃ—** ১। হজৰত মহম্মদৰ জীৱন কাহিনী, ২। যীশু সদা সজীৱ, ৩। কালজয়ী বাহাদুৰ গাওঁবুঢ়া, ৪। এজন অসমীয়া ভাৰতীয়।

**গীতৰ সংকলন ঃ—** ১। তোমাৰ কণ্ঠ মোৰ কথা।

**আত্মজীৱনীমূলক গ্ৰন্থ ঃ—** ১। মোৰ জীৱনৰ নহলবোৰ, ২। মোৰ জীৱনৰ আগে পিছে সোঁৱে বাঁৱে।

**গৱেষণামূলক গ্ৰন্থ ঃ—** ১। অসমীয়া জিকিৰ আৰু জাৰী, ২। আজান ফকিৰ আৰু সুৱীয়া জিকিৰ, ৩। অসমীয়া জিকিৰ-জাৰী সাৰ, ৪। জীৱৰ সাৰথি নাম, ৫। চুফী আৰু চুফীবাদ, ৬। ৰাইজৰ মুখৰ মাত, ৭। দুৰৱা খায় যায় নহল, ৮। শংকৰদেৱ আৰু অসমৰ সংস্কৃতি।

**অসমীয়ালৈ অনুবাদ কৰা গ্ৰন্থসমূহ ঃ—** ১। চালাম নতুন পৃথিৱী— মূল নঈ দুনিয়াকো চালাম (উৰ্দু কবিতা), ২। গালিব— মূল ড° মুজিবুৰ মিৰ্জা গালিব, ৩। কবি ইকবাল আৰু জাতীয় সংহতি— চৈয়দ মোজাফকৰ হুছেইন বাৰ্নিৰ গ্ৰন্থৰ অনুবাদ, ৪। বগাচুলীয়া

ছোৱালীজনী— চীনা ভাষাৰ গ্ৰন্থৰ অনুবাদ, ৫। সুৰদাস— হিন্দী ভাষাৰ গ্ৰন্থৰ অনুবাদ, ৬। বনগড়বাড়ী মূল— মাৰাঠী উপন্যাসৰ হিন্দী অনুবাদৰ পৰা, ৭। ভাৰতীয় শিক্ষাৰ পুনৰ গঠন— ড° জাকিৰ হুছেইনৰ Reconstruction of education in India, ৮। চিৰকুমাৰ সভা— ৰবীন্দ্ৰনাথৰ বঙলা নাটকৰ অনুবাদ, ৯। বংকিমচন্দ্ৰ— ৰবীন্দ্ৰনাথৰ বৰ্জানীৰ পৰা, ১০। আকুৰ কাহিনী— The True story of A. H. Kure, ১১। অৰণ্য দেৱতা— নুট হামচুনৰ পানৰ অনুবাদ, ১২। সাগৰৰ হাত ছানি, ১৩। মৰণ লগৰী— আৰব্য উপন্যাসৰ কাহিনী, ১৪। তীৰ্থযাত্ৰী— জহান বয়াৰৰ পিলগ্ৰিমেজ নামৰ উপন্যাসৰ পৰা ইংৰাজী ভাষাত প্ৰকাশিত গ্ৰন্থ— Ajan Fakir- Poet Saint of Assam.

এতিয়া চৈয়দ আব্দুল মালিক নাই কিন্তু তেওঁৰ ৰচনা-ৰাজিয়ে সদায় তেওঁক অমৰ কৰি ৰাখিব। তেওঁ ২০০০ চনৰ ১৯ ডিচেম্বৰৰ নিশা ১২.১৫ বজাত মৃত্যু হয়।

আহক, আমি আটায়ে তেওঁৰ কৰ্মময় জীৱনৰ আদৰ্শৰে অনুপ্ৰাণিত হওঁহক। ❖

বিঃ দ্ৰঃ— *বিভিন্ন বাতৰি-কাকত আৰু আলোচনীৰ সহায় লৈ।*

* অন্ন-বস্ত্ৰৰ কাৰণে মানুহে ভিক্ষা কৰাতকৈ হাবিত খৰি কাটি উপাৰ্জন কৰাই বেছি ভাল। — বিশ্বনবী হজৰত মহম্মদ (দঃ)

* সত্য সদায় নিষ্ঠুৰ। সত্যক ভাল পাব পৰা জনেই মুক্ত জীৱন-যাপন কৰিব পাৰে। —জৰ্জ হান্টায়াল

* কথা কমকৈ কবা, কাম বেছিকৈ কৰিবা, আনক উপদেশ কমকৈ দিবা, সজ লোকৰ উপদেশ শুনিবা, তোমাৰ মঙ্গল হ'ব। — চক্ৰেটিছ

# নৰবানৰৰ ক্ৰমবিকাশ ঃ হাতোৰাৰপৰা হাতৰ যোগেদি বিকাশৰ বাটত

জিলিমণি ডেকা
স্নাতক প্ৰথম বাৰ্ষিক

এতিয়াৰে পৰা ৭০ নিযুত (৭ কোটি) বছৰৰ আগতে পৃথিৱীত থকা সকলো স্তন্যপায়ী জন্তুৱেই একে ধৰণৰ আছিল। সেই জন্তুবোৰ আছিল যথেষ্ট সৰু, আৰু সিহঁতে মাটিত বাস কৰিছিল আৰু সিহঁতৰ বেছিভাগেই কীট পতংগ খাই জীয়াই আছিল। বিৰাট বিৰাট আকাৰৰ সৰীসৃপবোৰ থকাৰ বাবে স্তন্যপায়ীবোৰৰ বৰ বেছি বিস্তাৰ হ'ব পৰা নাছিল। সেয়া আছিল ডাইন'ছৰৰ দৰে বৃহৎ জীৱবোৰৰ ৰাজত্বৰ সময়। তেতিয়া পৃথিৱীৰ পিঠিখন, খাল, দোং, হ্ৰদ আৰু সাগৰে ভৰি আছিল। তেতিয়া ঢেকীয়া, সৰল জাতীয় গছ আৰু আদিম ফুল ফুলা গছ কিছুমানহে এই পৃথিৱীত আছিল।

কিন্তু এতিয়াৰ পৰা ৬৫-৭০ নিযুত (৬.৫-৭ কোটি) বছৰ আগতে হঠাতে পৃথিৱীৰ জলবায়ুৰ অদ্ভুত আৰু নাটকীয় পৰিৱৰ্তন ঘটিবলৈ ধৰিলে। জলবায়ু সেমেকা, তিতা জলবায়ুৰপৰা গৈ শুকান, ৰুক্ষ জলবায়ু হৈ পৰিল। ১৪০ নিযুত বছৰ ধৰি পৃথিৱীৰ বুকুত ৰাজত্ব কৰি থকা ডাইন'ছৰবোৰে এই পৰিৱৰ্তনৰ লগত নিজকে খাপ খোৱাব নোৱাৰিলে। ডাইন'ছৰবোৰৰ প্ৰায়বোৰেই আছিল বৃহৎ বৃহৎ আকাৰৰ প্ৰাণী। পানীত সিহঁতে বৰ সুচলতাৰে খোজ কাঢ়িব পাৰিছিল। কিন্তু মাটিৰ ওপৰত সিহঁতে বৰ সুবিধা নাপাইছিল। পৃথিৱীৰ বুকুৰ বৃহৎ অঞ্চল বোকা যেতিয়া বতাহৰ কোবত শুকাই আহিল তেতিয়া সেই বোকাৰ মাজতে সিহঁতৰ কবৰ ৰচিত হ'ল।

**জীয়াই থকাৰ প্ৰতিযোগিতা ঃ—** ইয়াৰ পিছত আকৌ যেতিয়া জলবায়ুৰ পৰিৱৰ্তন হ'ল তেতিয়া ফুলধৰা গছ-গছনিবোৰ চাৰিওফালে বিয়পি বিৰাট জংঘলৰ সৃষ্টি কৰিলে। ফুল ধৰা উদ্ভিদ বা সপুষ্পক উদ্ভিদ বাঢ়ি যোৱাৰ ফলত কীট পতংগৰ সংখ্যাও বিস্তৰ বৃদ্ধি পালে। কীট পতংগ খাই জীয়াই থকা স্তন্যপায়ী প্ৰাণী চৰাইৰ সংখ্যা আৰু প্ৰজাতিও দিনক দিনে বৃদ্ধি পাবলৈ ধৰিলে। এতিয়াৰ পৰা ৬৫ নিযুত মান বছৰৰ আগতে বিভিন্ন প্ৰজাতিৰ স্তন্যপায়ী প্ৰাণীৰ মাজত প্ৰতিযোগিতাত তিষ্ঠি থাকিবলৈ বহুতো স্তন্যপায়ী প্ৰাণীয়ে জীৱন ধাৰণৰ নতুন ব্যৱস্থা বাছি ললে। তাৰে কিছুমানে গছত আশ্ৰয় ললে। গছত ওপৰত জীৱন বাছি লোৱাৰ পাছত সিহঁতে দেখিলে যে গছৰ ওপৰৰ ৰাজ্যখনত বিপুল খাদ্যৰ সম্ভাৰ আছে। তদুপৰি মাটিত সিহঁতক আক্ৰমণ কৰা শত্ৰুবোৰেও এতিয়া আৰু সিহঁতক আক্ৰমণ কৰিব নোৱাৰা হ'ল। এনেদৰে এদিন পৃথিৱীত প্ৰথম নৰবানৰ সদৃশ প্ৰাণীৰ আৱিৰ্ভাৱ হ'ল।

**গছৰ ডালৰ পৰা মাটিৰ বুকুলৈ ঃ—** বহুদূৰ অতীতৰ সেই নৰবানৰ সদৃশ প্ৰাণীৰ বিকাশৰ নিজস্ব ধাৰা এটাৰ মাজেৰে বৈ গৈ এদিন মানুহ নামৰ প্ৰজাতিটোৱো সৃষ্টি হ'ল। অৱশ্যে গছৰ ওপৰৰ জীৱনটো অন্য প্ৰজাতিৰ লগত প্ৰতিযোগিতাৰ বাবে কষ্টকৰ হৈ পৰা বাবেহে এই শাখাটোৱে মাটিৰ ওপৰত জীৱন গ্ৰহণ কৰিলে। দূৰ অতীজতে এদিন এইদৰে নৰবানৰৰ মাজৰ পৰা মানুহৰ শাখালৈ ক্ৰমবিকাশৰ অন্য দিশলৈ ফাটি আহিল, কিন্তু সেই আদিম নৰবানৰবোৰেই এদিন

আজিৰ মানুহৰ পূৰ্বপুৰুষ আছিল। বহুদিন ধৰি প্ৰাণী বিজ্ঞানী সকলে মানুহক নৰবানৰৰ ভিতৰুৱা বুলি ধৰি আহিছে। মানুহ আৰু অন্য নৰবানৰৰ শৰীৰৰ গঠনৰ মিলৰ বাবেই তেওঁলোকে এইদৰে শ্ৰেণীবিভাগ কৰিছে। আধুনিক জীৱ কাৰিকৰী বিজ্ঞানৰ বিকাশৰ ফলতো অন্য নৰবানৰ আৰু মানুহৰ তেজৰ কোষ মিলাই চাব পৰা হৈছে। তাতো কিছু সাদৃশ্য চকুত পৰিছে। যোৱা কেইটামান দশকৰ ভিতৰত বান্দৰ আৰু বনমানুহৰ ওপৰত চলোৱা বিস্তৰ অধ্যয়নত ওলাই পৰিছে যে মানুহ আৰু নৰবানৰৰ সামাজিক জীৱনতো যথেষ্ট সাদৃশ্য আছে। এইবোৰ অধ্যয়নৰ ফলত অকল যে মানুহৰ সামাজিক জীৱনৰ অধিক বোধেই লাভ কৰা হৈছে এনে নহয়। এইবোৰৰ ব্যৱহাৰ আৰু আনৰ লগত সম্বন্ধৰ ক্ষেত্ৰতো অন্য নৰবানৰৰ লগত মানুহৰ অদ্ভুত মিল দেখা গৈছে।

**২০০ প্ৰজাতিৰ নৰবানৰ ঃ—** জীৱ বিজ্ঞানৰ নৰবানৰ বা প্ৰাইমেট ক্ৰমটোৰ ভিতৰত প্ৰায় ২০০ জীৱিত প্ৰাণী সামৰি লোৱা হৈছে। ইহঁতক প্ৰাইমেট নামটো দিয়ে প্ৰথমতে ছুইডেনৰ উদ্ভিদ বিজ্ঞানী "কাৰ্লফন লিনে"—এ অৱশ্যে এওঁ 'লিনিয়াছ' নামেৰেহে বিখ্যাত আছিল। লিনিয়াছে প্ৰাইমেট বা নৰবানৰৰ ক্ৰমটোৰ ভিতৰত বান্দৰ, বনমানুহ আৰু মানুহক সামৰি লৈছে। নৰবানৰ ক্ৰমৰ আনবোৰ সদস্যৰ লগত মানুহৰ সামঞ্জস্য গভীৰভাৱে বুজিবলৈ নৰবানৰনো আচলতে কেনেধৰণৰ প্ৰাণী সেইটো ভালদৰে বুজি লব লগা হয়। নৰবানৰবোৰ কেনে ধৰণৰ প্ৰাণী সেই কথা একে আকাৰতে কোৱা সহজ নহয়। কাৰণ নৰবানৰৰ ভিতৰত এফালে লেমুৰৰ দৰে আদিম বিধৰ প্ৰাণী আৰু আনফালে আছে মানুহৰ দৰে অতিকৈ জটিল প্ৰাণী।

জীৱ বিজ্ঞানীসকলৰ মতে সকলো প্ৰাইমেট বা নৰবানৰৰ ক্ষেত্ৰত এটা সাধাৰণ লক্ষণ হ'ল ইহঁত আটায়ে গছৰ ওপৰত জীৱন ধাৰণ কৰিব পাৰে আৰু গছৰ ডালত হাতেৰে ধৰি বগাব পাৰে। নৰবানৰবোৰৰ ভিতৰত মানুহে গছৰ ওপৰত জীৱন নল'লে। গছৰ ডালত আঙুলিৰ জোৰেৰে ধৰি বগাব পৰা গুণটোৱে নৰবানৰবোৰক গছত বাস কৰা অন্য প্ৰাণীৰ পৰা বিশেষ কৰি ৰাখিছে। কাৰণ অন্য প্ৰাণীবোৰে হাতোৰাৰে গছৰ ডালত খামুচিহে গছ বগায়। এই উন্নত গুণটোৰ বাবেহে নৰবানৰবোৰে গছত বগোৱা প্ৰাণীবোৰৰ মাজত প্ৰভূত্ব কৰি থাকিল।

দূৰ অতীজৰ কীটভোজী ক'তো কোনো বিস্তাৰ নকৰা কিছুমান প্ৰাণীৰ পৰাই হয়তো গোটেই নৰবানৰৰ ক্ৰমটোৰ বিকাশ হ'ল। এই আদি প্ৰাণীবোৰ এছিয়াৰ বৰ্তমান গছৰ 'শ্ৰু' নামৰ প্ৰাণীবিধৰ দৰেই আছিল। এতিয়াৰ পৰা ৬৫ নিযুত বছৰৰ আগতে এইবোৰে গছত বাস কৰিছিল। তেতিয়াৰ পৰাই নৰবানৰৰ ক্ৰমবিকাশৰ ধাৰা আৰম্ভ হ'ল। আঙুলিত জোৰ দি গছৰ ডালত ধৰাৰ সামৰ্থও নতুন নতুন প্ৰজাতিৰ ক্ষেত্ৰত বাঢ়ি গৈ থাকিল। হাতেৰে ধৰিব পৰা এই সাধাৰণ কথাটোতে যেন ক্ৰমবিকাশৰ চাবি-কাঠি আছিল। হাতেৰে ডালত ধৰিব পৰা হোৱা বাবে নতুন নতুন খাদ্য সংগ্ৰহ কৰিব পৰাত নৰবানৰবোৰে অধিক পুষ্টি লাভ কৰিলে। লাহে লাহে বিকাশৰ বাটত আগবাঢ়ি যাওঁতে এইদৰে নৰবানৰবোৰৰ নতুন নতুন প্ৰজাতিৰ সৃষ্টি হৈ গৈ থাকিল আৰু এইদৰে এদিন মানুহৰো সৃষ্টি হ'ল। ❖

*প্ৰবন্ধটো যুগুতাওঁতে বাতৰি কাকতৰ সহায় লোৱা হৈছে।*

# উজ্জ্বল নক্ষত্ৰৰ সন্ধানত

নজৰুল ইছলাম
স্নাতক দ্বিতীয় বৰ্ষ

সু-সাহিত্যিক মেদিনী চৌধুৰীক বৌদ্ধিক মহলত কোনে নাজানে? 'বণ্ডুকাবেহাৰ', 'অনন্য প্ৰান্তৰ', 'ফেৰেংগাদাও', 'তাত নদী নাছিল' আদি উপন্যাস সমূহ চৌধুৰীৰ অক্ষয় কীৰ্তি। তদুপৰি সমকালীন দেশ-বিদেশৰ ঘটনাৰাজিৰ ওপৰত তেওঁৰ বাস্তৱানুগ দৃষ্টিভঙ্গীৰ বাবে সচেতন মহলত সমাদৃত তেওঁ। এই গৰাকী মহান প্ৰতিভাৰ অধিকাৰী সাহিত্যিকে স্বীকাৰ মহিমাৰে মণ্ডিত সৃষ্টিৰাজিৰে আৰু স্বকীয় বীক্ষাৰে অসমীয়া সাহিত্য আৰু সমাজক যি অৱদান আগবঢ়ালে, সেয়া সদায় স্মৰণযোগ্য।

এই গৰাকী সু-সাহিত্যিকৰ জন্ম হৈছিল সকলো দিশতে পিছপৰা গোৰেশ্বৰৰ ৰামছা গাঁৱত। সৌ তাহানিতে, অৰ্থাৎ ভাৰতবৰ্ষ স্বাধীন হোৱাৰ বহু বছৰ আগতে গোৰেশ্বৰৰ নিচিনা ঠাইত জন্মিও তাৰ পৰাই পাঠশালা আৰু মাইনৰ শিক্ষাগ্ৰহণ কৰিছিল। পৰৱৰ্তী কালত নলবাৰী আৰু গুৱাহাটীত ক্ৰমে হাইস্কুলীয়া আৰু কলেজীয়া শিক্ষা গ্ৰহণ কৰি সু-খ্যাতিৰে বি এ পাছ কৰিছিল। স্বৰাজোত্তৰ কালত অৰ্থাৎ পঞ্চাশৰ দশকৰ আৰম্ভণিতে স্থাপিত হোৱা গোৰেশ্বৰ হাইস্কুলত তেওঁ কেই বছৰমান দৰমহা নোপোৱা শিক্ষকতাও কৰিছিল। পিছত তেওঁ অসম প্ৰশাসনীয় সেৱাৰে (এ চি এছ) পৰীক্ষাত উত্তীৰ্ণ হৈ চৰকাৰী বিষয়া হৈ পৰিল। সেয়েহে স্থানীয় মানুহে তেওঁক 'মেদিনী হাকিম' বুলিয়েই জানিছিল বা জানে।

যি কি নহওঁক, পশ্চাদ্‌পদ সমাজ এখনত জন্ম লাভ কৰিও তাৰ পৰাই স্কুলীয়া শিক্ষা গ্ৰহণ কৰি পৰৱৰ্তী কালত অসামান্য প্ৰতিভা আৰু দক্ষতাৰে তেওঁ অসমীয়া সমাজ জীৱনলৈ যি অপৰিমেয় অৱদান আগবঢ়ালে তাক আজিৰ প্ৰজন্মই মনত ৰখা উচিত।

মেদিনী চৌধুৰীৰ দৰে সাহিত্যিক, সাংবাদিক কিম্বা কোনো ৰাজনৈতিক নেতা নহয়, নহয় শিল্পী কলাকুশলী। চৌধুৰীৰ দৰে কোনো বিখ্যাত ব্যক্তিও নহয়। তেওঁ হ'ল এজন ৰাষ্ট্ৰদূত। নাম তেওঁৰ উপেন চন্দ্ৰ বড়ো। গোৰেশ্বৰৰ পৰা প্ৰায় ৭ কিলোমিটাৰ পশ্চিমে থকা দেউলকুছিত তেওঁৰ ঘৰ। অতি সাধাৰণ এটা কৃষক পৰিয়ালত জন্ম গ্ৰহণ কৰি নানা অভাৱ অভিযোগৰ মাজেৰে শিক্ষাগ্ৰহণ কৰিছিল তেওঁ। কিন্তু নিজৰ একাগ্ৰতা, প্ৰতিভাৰ গুণত তেওঁ এসময়ত সফলতাৰ চূড়ান্ত আৰোহণ কৰিবলৈ সমৰ্থ হ'ল। এইজন 'নিঃকিন' কৃষক-সন্তানে বি এ পাছ কৰি পিছত ভাৰতীয় বৈদেশিক সেৱা (আই-এফ-এছ) পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ বিভিন্ন দেশত ভাৰতীয় ৰাষ্ট্ৰদূত হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছে। এতিয়াও তেওঁ আফ্ৰিকা মহাদেশৰ এঙ্গোলাৰ ৰাষ্ট্ৰদূত হৈ আছে যদিও দুই এবছৰৰ পিছতে তেওঁ অৱসৰ লোৱাৰ কথা। অগ্ৰজ হিচাপে এইজন উপেন বড়োক আমি কিমানে জানো? তেওঁৰ প্ৰতিভা আৰু কৃতিত্ব সম্পৰ্কে আজিৰ প্ৰজন্মই জনা উচিত নহয়নে?

আমাৰ মূল আলোচ্য ব্যক্তিজনৰ কথা এইবাৰ উল্লেখ কৰিব খুজিছো। এইজন ব্যক্তি পশ্চাদ্‌পদ অঞ্চল এটাত জন্ম গ্ৰহণ কৰিও, কোনো অভিজাত শিক্ষানুষ্ঠানত স্কুলীয়া শিক্ষা গ্ৰহণ নকৰিও তেওঁ তেওঁৰ প্ৰতিভা আৰু দক্ষতাৰে জীৱনত সফল কাম হৈছে, সেয়া আমাৰ বাবে আদৰ্শনীয়। সেইজন ব্যক্তি মহান মানৱ

সেৱাত ব্ৰতী হোৱাৰ লগতে আমাৰ দেশৰ ৰাষ্ট্ৰপতি প্ৰধানমন্ত্ৰীৰো চিকিৎসক। তেওঁৰ জন্ম হৈছিল ১৯৪৮ চনৰ ১ অক্টোবৰত— মুক্তাপুৰত। এতিয়া তেওঁৰ বয়স ৫৪ বছৰ। তেওঁৰ পিতৃ কোনো হাকিম মুন্সিফ, অধ্যাপক-বিজ্ঞানী কিম্বা চহকী ব্যৱসায়ী নহয়। এজন সাধাৰণ খেতিয়ক। নাম পদ্মনাথ ডেকা। মাক আছিল পতেশ্বৰী। কিন্তু তেওঁৰ দুৰ্ভাগ্য, তিনি বছৰ নৌহওঁতেই তেওঁৰ মাতৃৰ মৃত্যু হ'ল। মাতৃস্নেহৰ পৰা তেওঁ বঞ্চিত হ'ল। সেই ফুলকুমলীয়া শিশুটিৰ সংগী হৈ পৰিল দাদাক নৰেন— নৰেন ডেকা। নৰেনো কম নহয়— পঢ়া-শুনা, জ্ঞান-বুদ্ধিত অত্যন্ত চোকা। সেইজন নৰেনেই পৰৱৰ্তী কালত, অসমৰ সংবাদ জগতত নৰেন ডেকা হিচাপে পৰিচালিত লাভ কৰিলে— অৰ্থাৎ এখেতেই এসময়ত বহু বছৰ ধৰি 'আছাম ট্ৰিবিউন' কাকতৰ সম্পাদকৰ গুৰু দায়িত্ব বহন কৰিলে, তাৰ পিছত জি এল পাব্লিকেশ্যন্‌ছৰ 'নৰ্থ ইষ্ট টাইমছ'ৰ সম্পাদক হ'ল, কিন্তু এদিন এই কাকতত কৰ্তব্যৰত অৱস্থাতে তেওঁৰ যি 'ষ্ট্ৰোক' হ'ল তেতিয়াৰ পৰাই তেওঁ অসুস্থ হৈ পৰিল।

যি কি নহওঁক, নৰেন ডেকাৰেই ভাতৃ এইজন বৰেণ্যলোক। এখেতৰ নাম আমাৰ বহুতে জানে, বহুতে নাজানে। তেওঁৰ নাম হ'ল— ৰমেশ চন্দ্ৰ ডেকা— এৰা, ডাঃ ৰমেশ চন্দ্ৰ ডেকা। এখেত বৰ্তমান নতুন দিল্লীৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান, চমুকৈ এইমছত চিকিৎসাসেৱা আগবঢ়োৱাৰ লগতে ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ ব্যক্তিগত চিকিৎসক হিচাপেও নিয়োজিত হৈ আছে। বৰ্তমানৰ ৰাষ্ট্ৰপতি ড° এ, পি, জে, আব্দুল কালাম, প্ৰধানমন্ত্ৰী এ, বি, বাজপেয়ীক চিকিৎসা প্ৰদান কৰাৰ নিচিনাকৈ তেওঁ প্ৰাক্তন প্ৰধানমন্ত্ৰী পি ভি নৰসিংহ ৰাও, ইন্দৰকুমাৰ গুজৰাল, এইচ ডি দেৱেগৌড়া আদিকো চিকিৎসা সেৱা কৰি সুখ্যাতি ৰাখিছে। তেওঁৰ সুযোগ্যা পত্নী ডাঃ দীপিকা ডেকাও এইমছৰ প্ৰসূতি ও স্ত্ৰীৰোগ বিভাগৰ এগৰাকী অতিৰিক্ত অধ্যাপিকা তথা অগ্ৰণী চিকিৎসক। ডিঙি-কাণ-নাক বিভাগৰ প্ৰবীণ অধ্যাপক ডাঃ ডেকাৰ শিক্ষা জীৱন আৰম্ভ হৈছিল মুক্তাপুৰৰ পাতিদৰং বিদ্যাপীঠত। তাৰ পিছত কটন কলেজৰ পৰা সুখ্যাতিৰে বি এছ চি পাছ কৰাৰ পিছত গুৱাহাটী মেডিকেল কলেজত ভৰ্তি হয়। এম. বি. বি. এছ ডিগ্ৰী লোৱাৰ পিছত স্নাতকোত্তৰ পাঠ্যক্ৰম পঢ়িবলৈ তেওঁ এইমছলৈ যায়। তাতেই তেওঁ ই. এন. টি বিভাগত এম. এছ. ডিগ্ৰী লাভ কৰে। পৰৱৰ্তী কালত অধিক শিক্ষা লাভৰ উদ্দেশ্যে তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰ, ইংলেণ্ড, জাৰ্মান, ফ্ৰান্স, অষ্ট্ৰেলিয়া আদি দেশৰ বিভিন্ন শিক্ষানুষ্ঠান, চিকিৎসা প্ৰতিষ্ঠানলৈ যায়।

উচ্চ শিক্ষা গ্ৰহণ সমাপ্ত হোৱাৰ পিছত তেওঁ কিছু কাল গুৱাহাটী মেডিকেল কলেজতো কাম কৰাৰ উপৰি দেশ-বিদেশৰ বিভিন্ন চিকিৎসা প্ৰতিষ্ঠানত সেৱা আগবঢ়ায়। ১৯৮০ চনত পুনৰ এইমছলৈ আহি প্ৰফেছৰ হিচাপে নিযুক্ত হয়। তেতিয়াৰ পৰা স্থানীয়ভাৱে নতুন দিল্লীৰ এই সৰ্বভাৰতীয় আয়ুবিজ্ঞান প্ৰতিষ্ঠানতে নাক-কাণ-ডিঙি বিভাগৰ মূৰব্বী অধ্যাপক হিচাপে নিযুক্ত হৈ আছে। ❖

> এখন ভাল কিতাপ নষ্ট কৰা আৰু এজন ভাল মানুহক হত্যা কৰা একে কথা।
>
> —মিল্টন

# সমাধি

অমৃত চন্দ্ৰ কলিতা
প্ৰবক্তা, হিন্দী বিভাগ

টেলিফোনত খবৰটো পায় সি অলপো দেৰি নকৰি বাছষ্টেণ্ড বুলি ওলাই গ'ল। বাছষ্টেণ্ড মানে আমাৰ আটাইৰে চিনাকি সেই ব্যস্ত আদাবাৰী বাছষ্টেণ্ড। আজি তাৰ মৰমৰ ভন্টিজনী গাওঁৰ পৰা আহিব। গাৱলীয়া ছোৱালী তাতে ঘৰখনৰে অতি মৰমৰ আৰু আলসুৱা কোনো দিন তাই অকলে আহি পোৱা নাই। কেতিয়াবা আহিলেও তাইক আদাবাৰীত receive কৰিব লাগে, কৰাটো তাৰ দায়িত্ব। এৰা, ১০৩ কিল'মিটাৰ দূৰৰ সেই ভিতৰুৱা গাওঁখনৰ পৰা অকলে অহাটো কিছু অসুবিধাও দিয়কচোন। আজিও ফোনত খবৰটো পোৱা মাত্ৰকে সি গৈ আদাবাৰীত হাজিৰ। সি ভালকৈয়ে জানে, কিবা কাৰণত তাই বাছষ্টেণ্ডত তাৰ বাবে বৈ থাকিবলগীয়া হলে সৰ্বনাশ। ভনীয়েকৰ অভিমান সনা তিতা (আচলতে মিঠা) গালি কেইটা খাবটো লাগিবই, ঘৰৰ আনবোৰেও তাৰ দায়িত্বজ্ঞান আৰু কৰ্তব্যক লৈ ক'তো কিমান যে লেচন দিব।

বাছষ্টেণ্ড পায় সি পুলিচ পইন্টৰ নাতি দূৰত থকা আহত গছজোপাৰ তলৰ শীতল ছাঁত তাৰ তেজ মঙহৰ খুটি দুডাল পুতি লৈ ভনীয়েকৰ অপেক্ষাত থিয় হৈ থাকিল। বাছবোৰ আহি সেই আহত জোপাৰ তলতেই যাত্ৰীবোৰ নমাই দিয়ে। বিভিন্ন ঠাইৰ পৰা অহা দূৰণিবতীয়া বাছবোৰ পুলিচ পইন্টটোৰে এখনৰ পিছত এখনকৈ বাছষ্টেণ্ডৰ ভিতৰলৈ সোমাই গৈছে আৰু বাছবোৰৰ পৰা নমা যাত্ৰীবোৰে হেচি ঠেলি চিটি বাছবোৰত ওলমি নিজৰ নিজৰ উদ্দেশ্যত আগ বাঢ়িছে। কিন্তু কোনো দেখা দেখি নাই তাৰ ভনীয়েকৰ। অপেক্ষা কৰি থাকোতেই হঠাৎ দেখা দিলে অপেক্ষাৰত ৰাজকুমাৰী। এয়া ভিতৰুৱা গাওঁখনৰ পৰা প্ৰতিদিনে অহা যোৱা কৰা ছয় চকীয়া চিনাকি বাছখনহে। বাছখন দেখিয়েই তাৰ বৰ ভাল লাগিল। বৰ ব্যগ্ৰতাৰে চাই ৰ'ল বাছখনৰ পৰা নামিবলৈ ধৰা যাত্ৰীবোৰলৈ এটাৰ পিছত এটাকৈ যাত্ৰীবোৰ বাছখনৰ পৰা নামি যোৱাত বাছখন শূন্য হৈ পৰিল, পিছে তাৰ মৰমৰ ভন্টিজনী.......।

কি হ'ল? First time ৰ বাছ খনতেইটো আহিম বুলি কৈছিল তাই! তেন্তে কিবা অসুবিধাই হ'ল নেকি! সি নিজৰ মুখৰ ভিতৰতে ভোৰ ভোৰালে। আৰু আগৰ দৰেই থিয় হৈ থাকিল সেই গছজোপাৰ তলত। অনেক আহিছে গৈছে কাৰো লগত তাৰ কথাৰ বিনিময় ঘটা নাই। তাৰ ভাৱ তথা চিন্তা কেৱল ভনীয়েকৰ প্ৰতি। চিটি বাছৰ ধোঁৱা আৰু তাৰ ওচৰেৰে দ্ৰুতগতিত লক্ষ্যস্থান বুলি আগবঢ়া ব্যক্তিগত গাড়ীবোৰে ব্যঙ্গ কৰি উৰুৱাই থৈ যোৱা ধূলি বালিবোৰে তাক চাৰিওফালৰ পৰা সঙ্গ দি মাজে মাজে তাৰ মৌনতা ভংগ কৰিবলৈ যত্ন কৰিছে। লাহে লাহে গছৰ ছাঁবোৰ আঁতৰি যোৱাত সূৰ্য্যৰ প্ৰখৰ ৰদে তাৰ মুখখন ৰঙচঙীয়া কৰি তুলিছে। অসহ্য, এফালে তাৰ মৰমৰ ভন্টিজনীৰ কোনো খবৰ নোপোৱাত তাৰ মনৰ বিশৃঙ্খল ভাৱসাম্যতা আনফালে দেহ পুৰি নিয়া ৰদৰ তাপ। তাৰোপৰি তাৰ নিচেই ওচৰতে থিয় হৈ থকা ভদ্ৰলোক জনৰ মুখৰ পৰা ওলোৱা চিগাৰেটৰ ধোঁৱাই কুন্দলি পকাই তালৈ চোচা লোৱাত সি যেন শ্বাসৰুদ্ধ হৈ পৰিছে। এইখিনিতে হঠাত তিৰুপতি দৰ্শনৰ সৌভাগ্য মিলিল। তিৰুপতিত অগনন ভক্তৰ হেচা থেলাত ভগৱান দৰ্শনৰ যি তীব্ৰ ইচ্ছা,

একেদৰে তিৰুপতিৰ পৰা ওলাবলৈ ধৰা ভক্ত (যাত্ৰী) সকলৰ মাজত তাৰ ভনীয়েকক বিচাৰিবলৈ ধৰিলে। নাই, এইবাৰো কোনো দেখা দেখি নাই, এনেদৰে সি ৰাতিপুৱা ৭-৩০ বজাৰ পৰা ১১-৩০ বজালৈ তাৰ ভনীয়েকৰ অপেক্ষাত ভাৰসাম্যহীন ভাৱে সময়বোৰ পাৰ কৰিলে। এনেতে হাঠত তাৰ একে বিভাগত কাম কৰা বন্ধু অম্লানক লগ পালে। বন্ধু অম্লানক সি সকলো কথা বিবৰি ক'লে। এই কথাও ক'লে যে তাৰ ভনীয়েক চয়ানিকাই আজি প্ৰায় চাৰিমাহৰ পৰা স্বেচ্ছাসেৱী অনুষ্ঠান এটাত চুপাৰভাইজৰ হিচাপে চাকৰিত যোগদান কৰিছে। কষ্ট বেছি নাই, অফিচটো তেনেকৈ আহিব নালাগে। মাহেকত এবাৰ বা দুবাৰ আহিলেই কাম শেষ। আজিও চাকৰিৰ দায়িত্বতেই অফিচলৈ অহাৰ কথা আছিল। তাতো এই কামত নলগা দাদাকেই অনা নিয়াৰ দায়িত্ব লবলগীয়া হৈছে।

আদাবাৰীৰ দৰে শব্দ তথা ধোঁৱা প্ৰদুষিত ঠাই এডোখৰত ঘন্টাৰ পিছত ঘন্টা ধৰি কাৰোবাৰ বাবে বৈ থাকিব পাৰিবনে? সি লাগে নিজৰ ভনী কিয় আন কোনোবাই হওঁক? সি ক'লে।

এৰা, অপেক্ষাৰ সময়বোৰ নাযায় নুপুৱাই, তাতে আৰু এই বাছৰ ধোঁৱাৰ মাজত......। তুমি অফিচত গৈ খৱৰ নকৰা কিয়?

—ঠিকেইটো। এইবাৰ সি তাৰ ভনীয়েকে কাম কৰা স্বেচ্ছাসেৱী অনুষ্ঠানটোলৈ বুলি চিটি বাছত উঠিল। দূৰত্ব বেছি নহয়, প্ৰায় ১৫ মিনিটতে গৈ পোৱা যাব। ক্ষন্তেক পিছতে সি গৈ অফিচৰ বাৰান্দাত থিয় হ'ল। এনেতে তাৰ ভনীয়েকৰ বন্ধু বৰ্মনে মাত লগালে—

দাদা, ভালনে?

আছো দিয়া। তোমাৰ.......

ভালেই।

আমাৰ ভন্টি আহিছেনে?

অ, আহিছে, মাতি দিছো ৰবক। এই বুলি বৰ্মন ভিতৰলৈ সোমাই গ'ল। বৰ্মনৰ পিছে পিছে তাৰ চকু জুৰি আগবঢ়াত দেখিলে তাৰ ভনীয়েক চয়ানিকা তাইৰে বন্ধু কেইজন মানৰ লগত কথাৰ আদ্দাত ব্যস্ত। ভিতৰত হাঁহি কেৱল হাঁহি, অনুমান হয় আদ্দা বেছ জমিছে। সি লাহে লাহে আগুৱাই গ'ল আৰু ভনীয়েকক সম্বোধি মাত লগালে— ভন্টি, নাই, নাই শুনা নাই। এৰা তেনেকুৱা এটা ৰসাচ্ছাদন পৰিবেশত নুশুনাটোৱে স্বাভাৱিক। দ্বিতীয়বাৰ সি পুনৰ ভন্টি বুলি মাত লগোৱাত সম্পূৰ্ণ পৰিবেশটোৱেই কিবা নিৰৱ তথা নিৰস হৈ পৰিল। তাই বন্ধু কেইজনক কিবা কিবি কৈ এইবাৰ দাদাকৰ ওচৰ পালে।

মইও এইমাত্ৰ আহি পালো। ঘৰৰ পৰা First time ৰ বাছখনতে আহি ৯-৩০ মান বজাত বাছষ্টেণ্ড পাইছো। তই বাছষ্টেণ্ডত বৈ থাকিবি বুলি ইমান চালো। তোক লগ নাপাই আমি বাহিৰে বাহিৰে পাণবজাৰত গৈ মোৰ ৰ কিতাপ দুখন মান কিনিলো। একে উশাহতে কৈ গ'ল তাই।

ৰাতিপুৱা ৯-২৫ ৰ পৰাই আদাবাৰীত তোৰ বাবে বৈ বৈ মইওটো তাৰ পৰাই আহি আছো। তই ফোন কৰি মোক তোৰ বাবে বৈ থাকিবলৈ কোৱা নাছিলি? মই আছো নে নাই তই অলপ চাব নোৱাৰা?

কাৰ লগত আহিলি?

কৃষ্ণ দাৰ লগত।

কোন খন বাছত?

ৰাজকুমাৰীত।

আদাবাৰীতেই নামিছা নে আন কৰবাত?

আদাবাৰীতে নামিছো।

তেন্তে মোক নেদেখিলি কিয়? মইটো ৰাজকুমাৰীক আদাবাৰীত লগ পাইছো আৰু তাৰ পৰা নামিবলৈ লোৱা যাত্ৰীবোৰৰ মাজত তোক চাইছো। তোৰ লগত কোনো সাৰথি থাকিলেই মোক লগ নাপাৰ। সেই সময়ত চকুত পতি বন্ধা থকাটো। চকুত

পতি বান্ধিলে দেখিবি ক'ত। সি খং মিশ্রিত সুৰেৰে ক'লে।

এৰা, কাৰোবাক ৰৈ থাকিবলৈ দি, লগ নিদিয়াকৈ আহিলে বাৰু কাৰ খং নুঠিব। এনেদৰে কোনো এজনক মানসিক শাস্তি দিয়াৰ কাৰোবাৰ জানো অধিকাৰ আছে? তথাপি, তাৰ ভনীয়েকৰ ওপৰত খং দেখুৱাই সি ভুল কৰিলে নেকি বাৰু? কিয়, সি জানো তাইৰ ওপৰত খং দেখুৱাৰ অধিকাৰ হেৰুৱাই পেলাইছে? সি ঘৰৰ পালতীয়া ল'ৰা হ'লেও কোনো দিনেই তাৰ মৰমৰ ভনীয়েকক মৰম কৰাত কৃপনালি কৰা নাই। আনকি ঘৰৰ আনবোৰতকৈ সিয়েই তাইক বেছি মৰম কৰে। তাই নিজেও দাদাক অবিহনে কোনো কামতে খোজ পেলাব নোৱাৰে।

এইবাৰ সি লাহে লাহে ভনীয়েকৰ লগত তাইৰ অফিচৰ লগতে সংলগ্ন কোঠা এটালৈ সোমাই গ'ল। কোঠাটো কিছু লেতেৰা আৰু অসংযত ভাবে সজোৱা। ভিতৰত এখন পুৰণি খাতিয়া, দুখন টেবুল। এখন টেবুলত এটা স্তোভ আৰু কেইটামান গিলাচ অপৰিপাতিকৈ সজোৱা আছে। বহিবলৈ বুলি সেই পুৰণি খাতিয়া খনত বাদে আন একো নাই। দেখিলেই অনুমান হয় ই হয়তো অফিচৰে চৌকিদাৰ জনৰ শোৱনী কোঠা নতুবা আন কোনো........

ভনীয়েক চয়ানিকাই পুৰণি খাতিয়া খনলৈ আঙুলিয়াই বহিবলৈ দি ঘৰৰ পৰা অনা গাখীৰ, কল আৰু কিবা কিবি খাবলৈ তাইৰ বেগৰ পৰা উলিয়াই দিলে। তাই অতি মৰম তথা আগ্ৰহেৰে তাইৰ চাকৰিৰ টকাৰে তাৰলৈ কিনি অনা চাৰ্টৰ পিচ এটাও আগবঢ়াই দিলে। কিন্তু তাই দিয়া কোনো বস্তুকে অফিচতে গ্ৰহণ কৰিবলৈ সি ভাল নাপালে আৰু খং মিশ্ৰিত সুৰেৰে ক'লে— যি দিব লগা আছে ৰূমত দিবি ইয়াত নহয়। মই তোৰ বাবে খোৱাৰ ব্যৱস্থা কৰি পুনৰ ১-২০ বজাৰ ভিতৰত আহি পাম।

চয়ানিকাৰ আৰু আগবঢ়াৰ সাহস নহ'ল। তাই নিজৰ দাদাক ৰিপুনক ভাল দৰেই জানে। তাৰ খংটো উঠিলে আৰু কথা নবঢ়োৱাই ভাল। তাই এই কথাও জানে যে সি তাইৰ ওপৰতহে খং দেখুৱাই, তাইক শাসন কৰি ভাল পায়, কিয়নো তাই যে তাৰ বৰ মৰমৰ। চয়ানিকা সৰু থাকোতেই কৈছিল, তাইক সি উপযুক্ত মানুহ হিচাপে গঢ়ি তুলিব। সত্যৰ হকে, ন্যায়ৰ সপেক্ষে মাত মাতিব পৰাকৈ এজনী সাহসী যুক্তিবাদী নাৰী হিচাপে থিয় হ'বলৈ সমৰ্থবান কৰি তুলিব। তাৰ নিজৰ ইচ্ছামতে তাইক গঢ় দিবলৈ সি বৰ হেঁপাহ কৰিছিল। সেইমতে সি তাইৰ লগত যথেষ্ট কষ্ট স্বীকাৰো কৰিছে। তাইৰ বিগত ৰিজাল্টবোৰ তাৰেই চেষ্টা আৰু অৱিহনাৰ ফল নহয় জানো। অৱশ্যে ইয়াত তাইৰ আগ্ৰহ ধৈৰ্য্য আৰু একাগ্ৰতাৰ কথাও স্বীকাৰ কৰিবই লাগিব। কিমান যে আনন্দ লাগিছিল তাৰ, তাইৰ ৰিজাল্টবোৰত। সি যে প্ৰতিটো ৰিজাল্টেই আশা কৰা ধৰণেই পাইছিল।

আজি ৰিপুনে তাৰ ভনীয়েকক কেৱল আদাবাৰীত receive কৰাৰে যে দায়িত্ব আছিল তেনে নহয়। তাইৰ লগত আজি ঘৰত যোৱাৰো কথা আছে। আজি বহু দিনেই হ'ল সি ঘৰলৈ যাব পৰা নাই। যাব পৰা নাই মানে আচলতে যোৱা নাই। সি বৰ যুক্তিবাদী তাৰ নিজৰ যুক্তিত কেতিয়াও সেৰ নামানে। অৱশ্যে তাৰ যুক্তিবোৰ সহজে খণ্ডন কৰিব পৰা ধৰণৰ নহয়। তাৰ যুক্তিবোৰ ঘৰৰ মানুহবোৰে দেখাত মানি নললেও, সেইবোৰ যে অখণ্ডনীয় সিহঁতৰ অন্তৰে কিন্তু মানি লবলৈ বাধ্য কৰায়।

ৰিপুনে ভনীয়েকক কৈ যোৱা মতে সি ১-২০ বজাৰ আগে আগে অফিচত উপস্থিত। এইবাৰ দাদাকক দেখি চয়ানিকাৰ বৰ ভাল লাগিল। তাই হয়তো ভাবিছিল তাইৰ দাদাক ৰিপুন আজি আৰু তাইৰ ওচৰলৈ নাহে। কিন্তু সি জানো ভনীয়েকৰ ওচৰত নহাকৈ থাকিব পাৰে! অফিচত কৰিবলগীয়া তাইৰ সকলো কাম শেষ কৰি চয়ানিকাইও অফিচৰ বাৰান্দাৰ ৰেলিঙত আউজি তাৰ বাবে (আচলতে আনৰ বাবে)

অপেক্ষা কৰি ৰৈ আছিল। দাদাকক দেখি তাই থত-মথ খাই আগবাঢ়ি আহি ক'লে—

তই একেবাৰে ঘৰত যাম বুলি ওলাই আহিছানে?

নাই! তই ৰূমত নাযাবি জানো! তোৰ বাবে খোৱাৰ ব্যৱস্থা কৰি থৈ আহিছো। ব'ল মোৰো ভোক লাগিছে। সোনকালে গ'লেহে সোনকালে ওলাই আহিব পাৰিম।

ৰ' অলপ জিৰাই লওঁ।

ৰূমতে কিছু জিৰাই লবি ব'ল।

কৃষ্ণও দাদা আহিব। তেখেতে ঠিক দুই বজাত আহি পাম বুলি কৈছে। তেখেতক লগ নকৰাকৈ যাব নোৱাৰো। জানা! তেখেত তোতকৈওঁ দায়িত্বশীল। হয় নেকি! হ'ব বাৰু।

এৰা, কৃষ্ণও সঁচাকৈয়ে বৰ দায়িত্বশীল। ঘড়ীৰ কাটা ঠিক দুটাত লাগিছেহে মাত্ৰ, তেওঁ তাইৰ অফিচত আহি হাজিৰ। পূৰ্ণ যৌৱনা ছোৱালী এজনীৰ ক্ষেত্ৰত কোন ডেকা ল'ৰাই বাৰু দায়িত্ব পালন নকৰি থাকিব পাৰে। চয়ানিকাৰ দদায়েক ৰিপুনক দেখি কৃষ্ণই এটা মিঠা হাঁহি মাৰিলে। ই যেন সঁচাকৈয়ে ব্ৰজগোপিনী সকলক বাঁহীৰ সুৰেৰে মোহিত কৰা সেই নন্দ পুত্ৰ কৃষ্ণহে।

কৃষ্ণক দেখি ৰিপুনে বন্ধুত্ব সুলভ মাতেৰে মাত লগালে আৰু তাৰ ৰূমত গৈ সিহঁতৰ বাবে বনাই থোৱা ভাত কেইটা খায় আহিবলৈ অনুৰোধ জনালে। কৃষ্ণই উত্তৰ দিব পালে নে নাপালে হঠাৎ ভনীয়েক চয়ানিকাই কৈ উঠিল— তাই হেনো আজি দাদাকৰ ৰূমলৈ নাযায়। তাই বহুতো কাম এৰি থৈ আহিছে ঘৰত, গতিকে তাই মুঠেই দেৰি কৰিব নোৱাৰে। ভনীয়েকৰ কথা শুনি ৰিপুন হতবাক। তাইৰ এই হঠাৎ পৰিবৰ্তন কিয়? যিজনী ভনীয়েকে সি অবিহনে এটা খোজও আগুৱাব নোৱাৰিছিল, যিজনী ভনীয়েকে তাৰ ৰূমলৈ যাব নাপালে অভিমান কৰিছিল আৰু ৰূমৰ পৰা ঘৰলৈ থব অহাৰ বাবে ৰিপুনৰ পিঠিত তাই কান্দি কান্দি ভুকু মাৰিছিল সেইজনী ভনীয়েকৰ আজি এই পৰিৱৰ্তন। তাইৰ এই হঠাৎ পৰিবৰ্তনে বাৰু কিহৰ ইংগিত দিলে। অলপ আগলৈকেটো তাই দাদাকৰ ৰূমত গৈ তাৰ লগত একেলগে ঘৰলৈ যোৱাৰ কথা আছিল। তেন্তে এই হঠাৎ পৰিবৰ্তন কিয়? ৰিপুনে থৰ লাগি তাইৰ পিনে চাই ৰ'ল। এই খিনিতে কৃষ্ণই ঐশ্বৰীক শক্তি লাভ কৰা যেন অনুমান কৰি তাৰ দায়িত্বশীলতাক প্ৰকাশ কৰি ক'লে— সি হেনো অলপো পলম কৰিব নোৱাৰে, আনফালে তাইক এৰি যাবও নোৱাৰে, ঘৰৰ মানুহবোৰে যে তাইক আজিৰ দিনটোৰ বাবে তাৰ ওচৰতে গোটাই দিছে। আজি ৰিপুনতকৈ কৃষ্ণৰ চয়ানিকাৰ ওপৰত অধিকাৰ বেছি।

ৰিপুনে সিহঁতক পুনৰবাৰ তাৰ ৰূমত গৈ ভাত কেইটা খায় একেলগে ওলাই আহিবৰ বাবে অনুৰোধ জনালে। সি ভালকৈয়ে, জানে ৰূমত গৈ ভাত নাখালে তাইৰ আজি হোটেলটো ভাত খোৱা নহ'ব। কিন্তু তাৰ ভনীয়েক আজি নিজৰ মতত দাণ্ডিব নোৱাৰা শিলৰ দৰে। তাই এই কথাও ক'লে যে সি আজি তাইক থবলৈ বা তাইৰ লগত যাবলৈ কোনো প্ৰয়োজন নাই, কিয়নো ঘৰৰ মানুহবোৰে সি সেইখন ঘৰলৈ পুনৰ উভতি যোৱাটো কোনোদিনেই আশা কৰা নাই, আৰু নকৰে।

কথাবোৰ শুনি ৰিপুনে ক্ষন্তেকৰ বাবে বাক শক্তি হেৰাই পেলালে। কথা ক'বলৈ তাৰ শব্দৰ অভাৱ, সি মাথো থিয় হৈ ৰ'ল পথচাৰীয়ে গছকি যোৱা প্ৰাণহীন শিলগুটি এটাৰ দৰে।

আজি প্ৰায় তিনি বছৰ আগতে সি এটা সাধাৰণ কথাৰ বাবে ঘৰৰ পৰা ওলাই আহিছে। কথাটো সাধাৰণ যদিও যুক্তিপূৰ্ণ। ওলাই অহাৰ পৰা সি আৰু ঘৰলৈ যোৱা নাই, অৱশ্যে সি ঘৰৰ প্ৰতিজন ব্যক্তিৰে খবৰ নৰখাকৈ থকা নাই। মাজে সময়ে তাৰ নিজৰ আপোন ঘৰলৈ বৰ মনত পৰে। ঘৰখন চাবলৈ উৰা মৰাৰ ইচ্ছা যায় তাৰ। ঘৰখনলৈ বৰকৈ মনত পৰাত সি আজি ভনীয়েকৰ লগত যোৱাৰ সিদ্ধান্ত লৈছিল। কিন্তু কিছু

সময় আগতে ভনীয়েকৰ কথাৰ পৰা জানিব পাৰিলে সি যেন আজি সেই খন ঘৰৰ বাবে সমাধিস্থ পুৰুষ। নিজৰ আপোন ঘৰখনতে সি আজি কোনো এজনৰ মৰম পোৱাৰ বা মৰম দিয়াৰ যোগ্য ব্যক্তি নহয়। আন নালাগে যিজনী ভনীয়েকক সৰুৰে পৰাই মৰম কৰি আহিছে, যিজনী ভনীয়েকৰ জীৱন গঢ়াৰ সপোন দেখিছিল সেইজনী ভনীয়েক চয়ানিকাইওঁ আজি তাক প্ৰতিটো কথাতে প্ৰত্যাখা কৰিছে। তাইৰ বাবে সি আজি অচিনাকি বাটৰুৱা। তাইও আজি তাৰ মৰমক জীৱন্তে সমাধিস্থ কৰিছে।

ৰিপুনে এইবাৰ চিটিবাছত উঠি নিজৰ ভাড়া ঘৰটো বুলি আগবাঢ়িল। বাৰে [২] তাৰ চকুৰ আগত ভনীয়েক চয়ানিকাই এইমাত্ৰ তাৰ প্ৰতি কৰা ব্যৱহাৰবোৰ ভাঁহি উঠিছে আৰু তাই কোৱা প্ৰতিটো শব্দ এটা এটাকৈ কাণত বাজিব ধৰিছে। এই সকলোবোৰে তাৰ মগজুত খেলি-মেলি লগাই দিছে। সি আৰু কোনো কথাই ভাবিব নোৱাৰে। তাৰ নিজৰ জীৱনটোৰ প্ৰতি বিতৃষ্ণা জন্মিল। সি জীয়াই থকাৰ সকলো মোহ ত্যাগ কৰিব বিছাৰিছে। সি কেৱল শান্তি বিচাৰে, শান্তি! কিন্তু পাব ক'ত? শান্তি বিচাৰি চিৰদিনৰ বাবে চকু মুদিব নেকি বাৰু সি! নাই, সি তেনে কাপুৰুষালি কেতিয়াও কৰিব নোৱাৰে। সি জীয়াই থাকিব লাগিব। সি জীয়াই থাকিব লাগিব তাৰ মৰমৰ ভনীয়েক চয়ানিকাৰ বাবেই। সি তাইৰ জীৱন গঢ়াৰ যি সপোন দেখিছিল তাক বাস্তৱত ৰূপায়িত কৰিব। তাৰ নিজৰ ভনীয়েকৰ প্ৰতি দায়িত্ব আছে। তাইক সি উপযুক্ত যুক্তিবাদী সাহসী নাৰী হিচাপে গঢ়ি তুলিবই।

কিন্তু তাই যদি তাৰ সকলো মৰম স্নেহ দায়িত্ব জ্ঞান ভৰিৰে গছকি মোহাৰি পেলায়! নাই, তাই তেনেকুৱা হ'ব নোৱাৰে, কেতিয়াও নোৱাৰে। অ' তাই স্বাৰ্থপৰ হ'ব পাৰে, তাইৰ সাময়িক, স্বাৰ্থপুৰণৰ বাবে নিজৰ দাদাকক কিয়, মা দেউতাককো ত্যাগ কৰিব পাৰে। কিন্তু এয়া অস্থায়ী মঞ্চৰ অভিনয় মাত্ৰ। ❖

নভবা নিচিন্তাকৈ কোনো প্ৰতিশ্ৰুতি নিদিবা, এবাৰ প্ৰতিশ্ৰুতি দিয়াৰ পিছত জীৱন দি হলেও পালন কৰিবা।

—মহাত্মা গান্ধী

অজ্ঞান মূৰ্খসকলক ৰাজহুৱা দায়িত্বৰ পৰা দূৰত ৰখা আৰু আটাইতকৈ জ্ঞানীলোক সকলক শাসনৰ ভাৰ দিব পৰাটোৱেই হ'ল যিকোনো এখন সমাজৰ আটাইতকৈ সৌভাগ্যৰ কথা।

—কনফুচিয়াচ

নিজতকৈ বেছি জনা মানুহ পৃথিৱীত নাই বুলি কোৱা জনে হৈছে অতি অধম লোক।

—স্বামী বিবেকানন্দ

# বিষাক্ত বেদনা

গিৰীশ বৰ্মন
স্নাতক দ্বিতীয় বৰ্ষ

তেতিয়া সময় আবেলি ঠিক চাৰিমান বাজিছে। বিকি ওলাই আহিছিল। উদ্দেশ্য প্ৰিয়াক লগ কৰাৰ। সিওঁ যে আৰু কি ল'ৰা। দুদিনমান প্ৰিয়াক লগ নাপালেই কিবা পাগলৰ দৰে হৈ যায়। সি যে তাইক খুব ভাল পায়। আচলতে কথাটো সিহঁতৰ ঘৰতো জানে। কিন্তু কি কৰিব? ল'ৰা-ছোৱালী যিমানেই ভাল নহওঁক; প্ৰেম মানেই যে বাধা। আজি তিনিদিন হৈ গ'ল তাইৰ লগত তাৰ মতা-মতি নাই। সেয়ে, লগো ধৰা নাই যোৱা তিনিদিন। নামাত যদি নালাগে মাতিব। ময়ো নামাতো! এই ভাৱত। ....কিন্তু ওঁহো! নোৱাৰি আৰু.....; এইদৰে থাকিব নোৱাৰি। বুকু-চুকু বিষাই থাকে...... তাইৰ বাৰু মোৰ নিচিনা নহয় নেকি? বুজিবলৈ চেষ্টাই নকৰে চাল্লা। তাইক নেদেখাকৈ থকাটো তাৰ বাবে কিমান যে কষ্টকৰ.....। তাইৰ যিহে জেদ! লাগে নিজে চাটি-ফুটিকৈ মৰি যাওক তাক নেদেখি, তথাপিতো অকনমান সৰু হৈ নিদিয়ে। গম পাব! যেতিয়া একেবাৰে বহুদিন ধৰি সি নোহোৱা হৈ যাব। বিকি, ক'ত বিকি বুলি বিছাৰি ফুৰিব। দিব.....দিব.... সিও এসেকো নিদিয়াকৈ নাথাকে...., কিন্তু এইবাৰলৈ সি নিজেই সৰু হৈ তাইক মাতিব। এইবুলি ওলাই বাট পাইছেহে মাত্ৰ ঃ হায় বিকি......, ক'ৰবাত কিবা স্পেচিয়াল প্ৰগ্ৰেম নেকি? একেবাৰে চোন হেণ্ডচাম হৈ ওলাইছ।

অলকাই যেন সি অহালৈকে বাট চাই আছিল। সি ৰ'বলৈ বাধ্য হ'ল। অলকাৰ ৰঙা চুৰিদাৰৰ পৰা এটা সুগন্ধ বৈ আহি বিকিৰ নাকত লাগিল।

ঃ এটা লিফ্‌ট দিয়ানা.....। অলকাই ক'লে।

ঃ ম....মই আচলতে.......ৰেলেগ.......।

বিকিৰ একেবাৰে ইচ্ছা নাছিল তাইৰ লগত সময় নষ্ট কৰিবলৈ।

ঃ আমাক বেয়া পোৱা ন।.....আমিনো কোন.....ঃ ঠিক আছে যোৱা। অলকাই এইবাৰ মুখখন ওফোণ্ডোৱাৰ দৰে কৰি মুখখন ঘুৰালে।

ঃ ধ্যেৎ.......! কেলেই বেয়া পাম.......! কিয়ে কথাবোৰ কোৱা.....। কোৱাচোন বাৰু ক'ত যাবা?

ঃ যাম আৰু কৰবালৈ। ঘুৰিম-ফুৰিম খাম-চাম। এইবুলি একেজাপে বিকিৰ বাইকৰ পিছফালে উঠি বহি ললে। তাক আকৌ দুবাহুৰে মেৰিয়াই ধৰিলে।

ধৎ.......! কি যে অসভ্য ছোৱালী।

ঃ বাৰু অলকা কোৱাচোন প্ৰিয়াক বাৰু ক'ত লগ পাম। মই আচলতে তাইৰ ওচৰলৈহে ওলাইছিলো।

ঃ মই ঘৰৰ পৰা ওলাওতে প্ৰিয়াহঁতৰ সন্মুখত এখন কাৰ বৈ থকা দেখিছো। বোধহয় কোনোবা আহিছে।

আজিও নিশ্চয় তাইক লগ পোৱা নহ'ব। বিকিয়ে আৰু অলপ বেছি জোৰেৰে বাইকখন চলালে। যেন চকা মাটিত লগাই নাই। কিন্তু, সেইবোৰলৈ তাৰ ভ্ৰূক্ষেপেই নাই।

ঃ এ.....এই বিকি; প্লিজ..... লাহে লাহে চলোৱা। বিকিৰ মটৰ চাইকেল চলোৱাৰ ধৰণ দেখি আতংকত চিঞৰি উঠিল অলকা।

অলকাই গম পাইছে, মনে মনে বিকিৰ তীব্ৰ খং উঠিছে।

ঃ মোক নমাই দিয়া, প্লিজ...। মই কলৈকো নাযাওঁ....। —তাই পুনৰ চিঞৰি উঠিল।

ঃ চুপ! মনে মনে থাকা।

অলকা এইবাৰ মনে মনে থাকিল। আৰু কিছুদূৰ গৈয়ে দূৰৰ পৰাই দেখিলে এখন ৰেষ্টোৰাৰ সন্মুখত এখন কাৰ ৰৈছে। লগে লগে কাৰখনৰ পৰাই ওলাই আহিল দুজন ডেকা ল'ৰাৰ সৈতে প্ৰিয়া। পিন্ধনত এখন পাতল নীলা ৰঙৰ শাৰী। সিহঁত তিনিওজনে ৰেষ্টোৰাৰ ভিতৰ সোমাল। বিকিয়েও হামখুৰি খাই যোৱাকৈ ব্ৰেক মাৰি য়েজডীখন ৰখালে। এক প্ৰকাণ্ড কৰ্কশ শব্দ কৰি সেইখন চুচৰি ৰ'লগৈ। তাৰ পিছত বিকি আৰু অলকাও ৰেষ্টোৰাৰ ভিতৰ পালেগৈ। সিহঁতে দেখিলে যে প্ৰিয়া আৰু ল'ৰা দুটাই টেবুলত চাহ, কফি, স্নেক্‌চ ইত্যাদি লৈ হাঁহি মাতি সৰু-সৰুকৈ কথা পতাত ব্যস্ত। ল'ৰা দুটাক অৱশ্যে বিকিয়ে চিনি নাপায়। এবাৰ প্ৰিয়াৰ তাৰ চকুৰে চকুৰে পৰিল। প্ৰিয়া যেন সামান্য চক্ খাই উঠিল তাক দেখি। লগে লগে তাক যেন আজিলৈকে দেখাই নাই বা চিনিয়েই নাপায় তেনে ভংগী এটা কৰি আকৌ সিহঁত দুটাৰ লগত কথাপাতি গ'ল হাঁহি মাতি সহজভাৱে।

বিকিয়ে তাত আৰু বেছি সময় ৰৈ থাকিব নোৱাৰিলে। সি দৌৰি বাহিৰলৈ ওলাই আহিল। পিছে, পিছে অলকাও আহিল। সি আহি তাৰ য়েজডীখনৰ ওচৰ পালে।

ঃ বিকি.......!

ঃ হু.....?

ঃ তুমি প্ৰিয়াক খুউব্ ভাল পোৱা নেকি?

ঃ ওঁ.....! হাণ্ড্ৰেড পাৰচেন্ট।

ঃ প্ৰিয়াই তোমাক......?

ঃ নাইন্‌টি নাইন্ পাৰচেন্ট! কিন্তু, তাই বাৰু এনেকুৱা কিয় কৰিছে অলকা! মোক দেখিও নেদেখা.....।

অলকাই একো নক'লে।

ঃ তুমি তেনেহলে প্ৰিয়াৰ বাহিৰে আন কাকো ভাল নোপোৱা?

– ওঁহো! সেইটো কল্পনাই কৰিব নোৱাৰোঁ।

অলকাই মাথো হুমুনিয়াহ এটা কাঢ়িলে।

ঃ তাইৰ বাবে বাৰু তুমি প্ৰাণ দিবলৈও প্ৰস্তুত নেকি?

ঃ নিজকে অৱশ্যে তেনে যেনেই লাগে। ক'ব নোৱাৰো।

ঃ প্ৰিয়াই আকৌ তোমাৰ বাবে?

ঃ চি.....! কি যে সুধি আছা। বাদ দিয়া এতিয়া সেইবোৰ। ইতিমধ্যে ল'ৰা এজন আহি অলকাৰ কাষত ৰ'লহি।

ঃ ব'লা......! ৰাতি হ'ল এতিয়া। ল'ৰাজনে ক'লে।

ঃ আৰু দহ মিনিটমান ৰবাচোন। গৈ আছো। অলকাই ক'লে।

তাৰ পিছত ল'ৰাজন পুণৰ ৰেষ্টোৰাৰ ভিতৰত সোমাল। ল'ৰাজন যে প্ৰিয়াৰ ওচৰত বহি থকা ল'ৰা দুজনৰে এজন সেই কথা জানিও অলকাক ল'ৰাজনৰ বিষয়ে নোসোধাকৈ থাকিব নোৱাৰিলে বিকি।

ঃ ল'ৰাজন বাৰু কোন হয়....অলকা?

ঃ বিপুল দা। বিপুলদাৰ লগত মোৰ বিয়া অহা মাহত.....। ভাবী পতি। সহজভাৱে ক'লে অলকাই। তাইৰ কথাত যেন চক্ খাই উঠিল বিকি। কি অদ্ভুত ছোৱালী। যেন সাধাৰণ চিনাকি ল'ৰা এটা।

ঃ আৰু সেইজনক বাৰু চিনি পোৱা নেকি?

ঃ অ' সেইজন......! সেইজন গৌৰৱ। বিপুল দাৰ মোমায়েকৰ ল'ৰা।

ঃ প্ৰিয়া হঁতৰ বাৰু কিবা হয় নেকি?

ঃ নহয়......মানে.......বিকি.......।

ঃ কি মানে.....। কৈ দিয়া আকৌ।

ঃ মানে.......মানে..........বিকি.......; গৌৰৱৰ বিয়া প্ৰিয়াৰ লগতে হ'ব।

ঃ কি.......?

ঃ অ.......মই সঁচাই কৈছোঁ বিকি...... মোক বিশ্বাস কৰা....।

ঃ কি.......এয়া সঁচা.....।

বিকিৰ বুকুত যেন কোনোবাই এটা প্ৰচণ্ড ঘোচাহে মাৰিলে। মূহুৰ্ত্তৰ ভিৰতহে বিষাক্ত হৈ গ'ল তাৰ সমগ্ৰ শৰীৰ। সি বাৰু কি শুনিলে.........।

ঃ কি ক'লা। তুমি.......। বিকিয়ে ভয়ে ভয়ে সুধিলে।

ঃ ছিৰিয়াছিলি কৈছোঁ। প্ৰিয়াৰ লগত গৌৰৱৰ এইমাহতে বিয়া। ইতিমধ্যে সকলো হৈ গ'ল।

ঃ এয়া..... এয়া..... এয়া তোমাৰ ভুল হৈছে অলকা। তুমি বাৰু মোক.... জ্বলাবলৈ কোৱা নাইনে এইবোৰ। তুমি মোক..... তুমি মোক মিছা কৈছা অলকা। মি.....ছা....মোৰ প্ৰিয়া এনেকুৱা নহয় অ'। তাই খুব ভাল ছোৱালী। তাই কেতিয়াও এনেকুৱা নকৰে। মই...মই জানো নহয়।

বিকিয়ে এক কৰুণ অবিশ্বাসৰ চাৱনিৰে অলকালৈ চালে।

ঃ মই সঁচাই কৈছো বিকি.....।

ঃ মানে.....। মানে.....প্ৰিয়াই.....

ঃ অ'........অ'.....বিকি.....।

ঃ ক'ত.......ক'ত আছে প্ৰিয়া। তাই মোক কি ভাবিছে হাঁ...... কি ভাবিছে.....।

সেই বুলি একেবাৰে ৰেষ্টোৰাৰ ভিতৰ পালে। সি একেবাৰে ওচৰলৈ গ'ল। সি তেনেকৈ যোৱা দেখি সিহঁত আটায়ে মূৰ দাঙি তাৰ ফালে চালে।

ঃ প্ৰিয়া! অলকাই মোক যি কৈছে সেয়া সঁচা? বিকিয়ে পোন চাটেই প্ৰশ্ন কৰিলে তাইক।

ঃ উত্তৰ নিদিয়া কিয়? পুণৰ চিঞৰি উঠিল সি।

ঃ অ'..... সঁচা। ভয় ভয়কৈ ক'লে তাই।

ঃ মোক কি বুলি ভাবিছা হাঁ.....; কি বুলি ভাবিছা....? বিকিৰ হাতখন কোন মূহুৰ্ত্তত তাইৰ হাতত ধৰিলে সি গমেই নাপালে।

ঃ প্লিজ..... বিকি....। মোৰ কথা শুনিবলৈ চেষ্টা কৰা এইবুলি হাতখন এৰুৱাই আনিবলৈ চেষ্টা কৰিলে তাই। এনেতে পিছফালৰ পৰা এটা প্ৰচণ্ড ঘোচা বিকিৰ মুখত পৰিল। মূহুৰ্ত্তৰ ভিতৰতে তাৰ মুখ আৰু নাকেৰে তেজ বব ধৰিলে। ক্ষন্তেক পিছতে আৰু এটা ঘোচা। এইবাৰ বিকিয়ে ৰেষ্টোৰাৰ পোষ্ট এটাৰ কাষত গৈ হামখুৰি খাই পৰিল। ইতিমধ্যে তাৰ নাকৰ তেজ গৈ মুখত পৰিছে। গৌৰৱে অষ্টিন কোঁচাই পুনৰ বিকিৰ ফালে চোঁচা ললে।

হঠাৎ বিকিয়ে মাটিৰ পৰাই গৌৰৱৰ তলপেটলৈ লক্ষ্য কৰি এক প্ৰচণ্ড গোৰ লগাই দিলে।

আঁ........আঁ.........আহ..........।

গৌৰৱে হামাখুৰি খাই কাষৰ ৱাল খনত আউজি পৰিলগৈ। বিকি যেন মূহুৰ্ত্তৰ ভিতৰতে এটা হিংস্ৰ বাঘত পৰিণত হ'ল। এইবাৰ সি উঠি গৈ গৌৰৱৰ চুলিত ধৰি পেলালে.... চাল্লা.......। প্ৰিয়া আৰু মোৰ মাজত তই কোন.......। হাঁ.............

ঃ বিকি......বিকি.......পাগল হৈছা নেকি?

প্ৰিয়াই প্ৰায় কান্দি দিছিল। তাই এইবাৰ বিকিক গৌৰৱৰ ওচৰৰ পৰা টানি আতৰাই আনিলে। নিজৰ হাতত থকা ৰুমালখন গৌৰৱৰ পিনে আগবঢ়াই দি পুনৰ বিকিৰ মুখৰ ফালে চাই ৰ'ল কিছুসময়। বিকিয়েও তাইৰ মুখলৈ একেথৰে চাই থাকিল। সি যেন অলপ আগতে ঘটি যোৱা সকলো ঘটনাই পাহৰি গ'ল। হঠাৎ প্ৰিয়াই বিকিৰ দুয়োগালত ধাচ-ধাচকৈ দুটা পূৰ্ণহতীয়া চৰ বহুৱাই দিলে।

ঃ গেট আউট! আই চে' গেট আউট.......।

—প্ৰিয়াই চিঞৰি উঠিল।

ঃ প্ৰি.........য়া............।

বিকিয়ে যেন বিশ্বাস কৰিব পৰা নাই। সি গালত হাত দি প্ৰিয়াক অবিশ্বাস ভাবে চাই থাকিল থৰ লাগি। সি যেন মুহূৰ্ত্তৰ ভিতৰতে শৰীৰৰ সমস্ত শক্তি হেৰাই পেলালে। কিছু সময় পিছতে সি হুকুহুকাই কান্দি দিলে। এটা সৰু ল'ৰাৰ দৰে। সেই সময়তে গৌৰৱেও আৰু কেইটামান ঘোচা সোধালে তাক। কি কেৰস ফেকুৰি ফেকুৰি কান্দি গ'ল কোনো ধৰণৰ প্ৰতিবাদ নকৰাকৈ।

ঃ গুছি আহা গৌৰৱ। প্লিজ! বলা বহু ৰাতি হ'ল। সিহঁত আটায়ে ৰেষ্টোৰা ত্যাগ কৰাৰ পিছত কেনেবাকৈ বিকিয়ে নিজৰ য়েজডীখনৰ কাষলৈ আহি বহি ললে। সি তেতিয়াও উচুপিয়েই আছিল। সি আৰু পিছলৈ ঘুৰি নাচালে। য়েজডীখনত বহি কিক্‌টো মাৰিলে অৱশ ভাৱে। তেতিয়া বাহিৰত ঘোৰ অন্ধকাৰ। আজি সি অকলে অকলে সেই অন্ধকাৰক সাক্ষী কৰিয়েই নিজৰ ঘৰৰ ফালে আগবাঢ়িল। লাহে.... লাহে......। বুকুত এক বিষাক্ত বেদনা লৈ। ❖

ল'ৰা-ছোৱালীক প্ৰকৃত মানুহ হ'বলৈ শিক্ষা দিব লাগে। ভদ্ৰলোক বা ভদ্ৰ মহিলা নহয়।

—পদ্মনাথ গোহাঞি

যিজনৰ নিজৰ ওপৰত বিশ্বাস নাই, তেওঁ কোনো কামতে সফল হ'ব নোৱাৰে।

—নেপলিয়ান

অহংকাৰী মানুহবোৰ কুকুৰাৰ দৰে। যিটো কুকুৰাই ভাবে যে সি ডাক দিয়াৰ কাৰণেহে ৰাতি পুৱাল।

—জৰ্জ ইলিয়ট

# দায়ী কোন?

চানোৱাৰা বেগম
স্নাতক তৃতীয় বাৰ্ষিক

সন্ধিয়া ৭-৩০ বজা। নিৰুপমা হাজৰিকা ঘৰতে আছিল। সদায় ৰাতি ৮-৩০ বজাতহে নিৰুপমাই ভাত বনাবলৈ পাকঘৰলৈ যাম। হাতত সেইবাবে কোনো কাম নথকাত ড্ৰয়িং ৰুমতে বহি নিৰুপমাই পঢ়ি আছিল বাতৰি কাকত এখন। আজিকালি অসমীয়া ভাষাত বহুত বাতৰি কাকত ওলাইছে। খবচি মাৰি কাকতবোৰ পঢ়াটো এটা অভ্যাসতে পৰিণত হৈছে নিৰুপমাৰ।

সেইদিনা সেই সময়ত নিৰুপমাই পঢ়ি আছিল সাপ্তাহিক কাকতখনৰ এটা আলোচনামূলক প্ৰবন্ধ। বিষয়— 'অশান্ত অসম এইবাৰ ৰক্তাক্ত হ'ব, ঠিক সেই সময়তে কলিং বেলটো বৈ বৈ তিনিবাৰ বাজি উঠিল। অনিচ্ছাস্বত্ত্বেও উঠি আহি দুৱাৰখন খুলি দিলে নিৰুপমাই। লগে লগে কাড়পাটৰ দৰে এজন ল'ৰা তাইলৈ এ, কে, ৪৭ টো টোৱাই সোমাই আহিল। ভয়ত তাই সমুখত নিজৰ মৃত্যু দেখা যেন লাগিল। তাই এখোজ দুখোজ পিচুৱাই আহি কঁপি কঁপি কোনোমতে পৰি নোযোৱাকৈ থিয় হৈ ৰ'ল।

ক্ষন্তেক সময়ো অপব্যয় নকৰি ল'ৰাজনে স্পষ্ট সুৰত ক'লে— 'মোৰ পিছে পিছে পুলিচ আহি আছে। অকনো চালাকি দেখুৱাবলৈ যত্ন নকৰিব। মই যি আদেশ দিম, তাকে পালন কৰি যাব। তাকে নকৰিলে এইটোত বৈ যোৱা অৱশিষ্ট গুলিকেইটা আপোনাৰ দেহত সোমাব।

নিৰুপমাৰ উত্তৰৰ প্ৰয়োজন নাই। নীৰব হৈ ৰ'ল।

ঃ ঘৰত আৰু কোনো প্ৰাণী আছেনে?— ডেকাজনে সুধিলে।

ঃ নাই। নিৰুপমাই উত্তৰ দিলে।

ঃ দুৱাৰখন বন্ধ কৰি দিয়ক। ডেকাজনে আদেশ দিলে।

নিৰুপমাই দুৱাৰখন বন্ধ কৰি দিলে।

ডেকাজনে পুনৰ আদেশ দিলে— মোক এখন লুঙী দিয়ক। নিৰুপমাই পুতেকৰ লুঙী আৰু চোলা দিলে।

কাপোৰ সলাই ডেকাজনে তাৰ কাপোৰ যোৰ পালেঙৰ তললৈ দলিয়াই দিলে। তাৰ হাতত তেতিয়াও আছে বন্দুকটো। এইবাৰ সি যেন যথেষ্ট শান্ত। মুখত সামান্য হাঁহিৰ ৰেখা ফুটাই সি ক'লে— আপোনাৰ ল'ৰাজন নিশ্চয় মোৰ সমানেই হ'ব। ঠিক আছে, এতিয়া পুলিচ আহিলে আপুনি মোক আপোনাৰ ল'ৰা বুলিয়ে ক'ব। অ' আপোনাৰ ল'ৰাজনৰ নাম কি?

ঃ অৰূপ হাজৰিকা। সি ঘৰত নাথাকে। তথাপি তুমি গোটেই ৰাতিটো ইয়াত নাথাকিলেই মই ভাল পাম। তাই সাহস কৰি ক'লে।

ঃ নাই নাথাকো। বিপদ আঁতৰি গলেই মই গুচি যাম। আপুনি ভয় খাব নালাগে। কিন্তু মোক বচোৱাৰ দায়িত্ব আপোনাৰ। অকনো চালাকি নকৰিব। ল'ৰাজনৰ মুখত তেতিয়াও ধমকিৰ সুৰ।

নিৰুপমা হাজৰিকাই ভাবিলে, ল'ৰাজনৰ লগত সহজ হোৱাই ভাল। তাকে চিন্তা কৰি ক'লে— সেই দায়িত্ব মই পালন কৰিম। সেয়ে আমি সম্পৰ্ক সহজ কৰাই ভাল। আহা ড্ৰয়িং ৰুমতে বহোঁ। তুমি মোৰ ল'ৰাৰ সমান কাৰণেই 'তুমি' বুলি কৈছোঁ।

ল'ৰাজনে শান্ত হৈ ক'লে— বলক।

দুয়ো গৈ ড্ৰয়িং ৰূমত বহিল।

নিৰুপমাই সাহস কৰি সুধিলে— পুলিচে তোমাৰ পিছ লৈছে কিয়?

তোমাৰ কোনো আপত্তি নাথাকিলে ক'ব পাৰা। ক'বলৈ ইচ্ছা নকৰিলেও মই বেয়া নাপাওঁ। মোক কোৱাৰ পৰা কিবা বিপদ হ'ব বুলি আশংকা কৰাৰো তোমাৰ কোনো কাৰণ নাই।

তৎক্ষণাত উত্তৰ নিদি ল'ৰাজন অলপ সময় মনে মনে থাকিলে। তাৰ পিছত ক'লে— প্ৰায় ৪৫ মিনিট আগতে মই এজন মানুহক বজাৰত গুলীয়াই থৈ আহিছোঁ।

ঃ মানুহজন মৰিলে নে?

ঃ বাচি থকা নিশ্চয় নাই।

ঃ মানুহজন কোন?

ল'ৰাজন এইবাৰ আকৌ সামান্য উত্তেজিত হ'ল। বিৰক্তিৰে সি উত্তৰ দিলে— কাইলৈৰে বাতৰি কাকতৰ পৰা সকলো জানিব পাৰিব।

ঃ কিন্তু খবৰটো বাহী হ'ব। তোমাৰ ক'বলৈ ইচ্ছা নাই যেতিয়া কাইলৈৰ বাবে অপেক্ষা কৰিবই লাগিব।

বেছি উত্তেজিত হৈ ল'ৰাজনে ক'লে— এজন বুদ্ধিজীৱি। নাম প্ৰদীপ মহন্ত।

ঃ প্ৰদীপ মহন্ত। নামটো উচ্চাৰণ কৰি শিয়ৰি উঠিল নিৰুপমা। কিন্তু আবেগ, অনুভূতি, চকুপানী সকলো দমাই ৰাখি সহজভাবে মৌন হৈ ৰ'ল।

এই মূহুৰ্ত্তত নিৰুপমাই সঠিককৈ চিন্তা কৰি উলিয়াব পৰা নাই— প্ৰদীপ মহন্তৰ জীয়াই থকাৰ অধিকাৰ কিয় কাঢ়ি লোৱা হ'ল। অসমৰ ভৱিষ্যত প্ৰজন্মৰ মংগল চিন্তা কৰা কাৰণে নে তেওঁৰ চিন্তাধাৰাই কাৰোবাক আঘাত দিয়া কাৰণে? প্ৰদীপ মহন্ত অসমপ্ৰেমী নে অসম বিদ্বেষী? নানান চিন্তাই নিৰুপমাৰ মনটো গধুৰ কৰি পেলালে।

তেনেবোৰ চিন্তাৰ মাজতো নিৰুপমাৰ মনটো গধুৰ কৰি পেলালে।

তেনেবোৰ চিন্তাৰ মাজতো নিৰুপমাৰ মুখৰ পৰা ওলাই আহিল এষাৰ কথা— প্ৰদীপ মহন্তৰ দোষ কি আছিল বাৰু?

অকনো বিচলিত নহৈ ল'ৰাজনে ক'লে— সি জনসাধাৰণক বিপথে পৰিচালিত কৰিছিল। অসমৰ ৰাইজে মুক্তি বিচাৰে। পৰাধীন হৈ থাকিব নিবিচাৰে। আমি বিচাৰোঁ এখন শোষণ মুক্ত অসম। কিন্তু সি হ'ল চৰকাৰৰ প্ৰচাৰ যন্ত্ৰ। জনসাধাৰণক বিপথে পৰিচালিত কৰাৰ অধিকাৰ তাক কোনে দিলে?

ঃ কিন্তু হত্যাই জানো সমস্যা সমাধান কৰে?

ঃ আমি যি পথৰে আগবাঢ়িছো সেই পথ আগৰে তৈয়াৰী পথ নহয়। সেয়ে পথৰ কাইট কাটি পেলাবই লাগিব। নহ'লে আগবাঢ়িম কেনেকৈ?

বন্দুকৰ নলীৰ আগত মুক্তি অৰ্থহীন। নিৰূপমাই ঠিক তেনেকৈয়ে ভাবি ক'লে— চাহ একাপ খাবা? মই ভাত বনোৱা নাই। এতিয়াহে বনাম। ইচ্ছা কৰিলে ভাতো খাই যাব পাৰা। তোমাৰ চাগৈ ভোক লাগিছে।

মৰমৰ সুৰত নিৰুপমাই অতি আচৰিত হ'ল। তাৰ মাকেও তাক এইদৰে কয়। বহু দিনৰ অন্তৰে অন্তৰে সি ঘৰলৈ যায়। কেতিয়াবা দোভাগ ৰাতি নাইবা কেতিয়াবা শেষ নিশা। পিছফালৰ দুৱাৰত টোকৰ মাৰিলেই মাকে সাৰ পায়। খুব সম্ভৱ সি আহিব বুলি মাকৰ চকুলৈ টোপনি নাহে। উঠি আহি পাছফালৰ দুৱাৰখন খুলি দিয়ে। গালে মুখে হাত বুলাই তাক কয়— তোলৈ ভাত বাঢ়ি থৈছোঁ। আহ তোৰ চাগৈ ভোক লাগিছে।

সি বুজি পায় মাকে তাৰ বাবে সদায় ভাত বাঢ়ি থয়। পিছদিনা সেই ভাত পেলাই দিয়ে। সি আহিলে শেষ নিশা হলেও বঢ়া ভাত তৃপ্তিৰে খায়। তাৰ পিছত

আকৌ অনন্ত যাত্ৰা। জীৱনৰ কোনো নিৰাপত্তা নাই; তাৰ হাতৰ বন্দুকটোৱেও বহুতৰ জীৱনৰ নিৰাপত্তা কাঢ়ি লৈছে। তথাপি সি ভাবে, সি হত্যাকাৰী নহয়। দেশ মুক্তিৰ বাবে কাম কৰা এজন সৈনিক।

নিৰুপমাৰ কথাতো একেই মাকৰ সুৰ। সি লাহেকৈ ক'লে— চাহ খাব পাৰো।

ঃ তেন্তে পাকঘৰলৈ আহা।

সি নিৰুপমাক অনুসৰণ কৰিলে। পাকঘৰৰ চকী এখনত বহিবলৈ নিৰুপমাই তাক ইংগিত দিলে। নিৰ্বিবাদে সি বহিল।

নিৰুপমাই দুকাপ চাহ বনালে। ল'ৰাজনলৈ একাপ আগবঢ়াই একাপ নিজে ললে। নিৰ্ভয়ে সি চাহ কাপত সোহা দিলে। চাহ খোৱা শেষ কৰি সি ক'লে— বাইদেউ, এতিয়া পথত বিপদৰ জাননী পোৱা নাই। আপোনাক ধন্যবাদ। মই এতিয়া আহো।

ঃ বাইদেউ বুলি কিয় মাতিছ। মোক মা বুলি মাতিলেহে ভাল পাম। তুমি মোৰ ল'ৰাৰ দৰেই। ভাত খাই নোযোৱা জানো?

ঃ নাই আজি নাখাও। কেতিয়াবা আকৌ এদিন আহি খাই যাম।

ঃ কি ঠিক, তুমি মোৰ হাতৰ ভাত খাবলৈ জীয়াই থাকিব পাৰা নে নোৱাৰা। কিন্তু সঁচাকৈ যদি কেতিয়াবা আকৌ মোৰ ঘৰলৈ আহা তেন্তে হাতত বন্দুক লৈ নাহিবা। মোৰ ল'ৰাটোও এদিন ঘৰৰ পৰা ওলাই গৈ বন্দুক হাতত লৈ আকৌ এদিন ঘুৰি আহিছিল ঘৰলৈ। মই তাক বন্দুকটো পেলাই দিবলৈ কৈছিলোঁ। সি হেনো বন্দুকটো দলিয়াই পেলাব নোৱাৰে। সেইবাবেই সি আজি তিনিবছৰে ঘৰলৈ অহা নাই। এই তিনিবছৰে তাৰ একো খবৰ পোৱা নাই। পুলিচ, মিলিটেৰী আহি মোক তাৰ খবৰ ললেহে বুজো— সি তেন্তে মৰা নাই। সি মোক খুব ভালপায়, কিন্তু মোৰ ভাল কামনা নকৰে। বন্দুকটো যদি এৰিব পৰা, তেন্তে তুমি আকৌ এদিন আহিবা।

নিৰুপমাৰ কথাই ল'ৰাজনক নিথৰ কৰি দিলে। সি তাৰ ভাষা পাহৰি গ'ল। এখাজ দুখোজকৈ পাকঘৰৰ পৰা আহি ড্ৰয়িং ৰুম পালে। দুৱাৰখন খুলি লাহে লাহে ৰাজপথলৈ খোজ ললে আৰু আন্ধাৰৰ মাজত সি নাইকিয়া হ'ল।

নিৰুপমাই তালৈ চাই ৰ'ল। অৰূপৰ মাতৃলৈ উভতি চোৱাৰ সি সাহস কৰিব নোৱাৰিলে। ❖

"এটা জাতিৰ গৰ্বময় মঙ্গল হ'বলৈ হ'লে লাগে এজন নিঃস্বাৰ্থ ত্যাগী নিষ্ঠাবান প্ৰগতিবাদী কবি সাহিত্যিক"।

—গিৰিধৰ শৰ্মা

# এজন বন্ধুৰ মৃত্যুত

চৈয়দা মেৰিনা বেগম
স্নাতক দ্বিতীয় বাৰ্ষিক

কলেজ গেটৰ মুখ পায়ে ঘড়ীটোলৈ চাই দেখো শ্ৰেণী বহাৰ দহ মিনিট সময় পাৰ হৈছে। তথাপি চাৰৰ অনুমতি লৈ শ্ৰেণীত বহিম বুলি সিদ্ধান্ত লৈছো। আমাৰ শ্ৰেণীত পঢ়া জিলিমণি, হিৰণ, কবিতা, চুমি, বিজুহঁতক বাৰান্দাতে থিয় দি থকা দেখি অকণমান উশাহ ললো। তেনেহ'লে ক্লাছৰ সময় হোৱা নাই। ঘড়ীটোৱেহে বেছি সময় দেখুৱাইছে। মই বাৰান্দাত উঠি সিহঁতৰ কাষ চাপি গৈ জিলিমণিক সুধিলোঁ—

ঃ অ জিলি আজি চাৰ অহা নাই নেকি?

ঃ আহিছে। পিছে আজি ক্লাছ নহয়।

ঃ নহয়। কিয়?

ঃ শোক সভা হ'ব। জুৰি তই শুনা নাই নেকি? ৰাজীৱ ঢুকাল নহয়।

ঃ ৰাজীৱ ঢুকাল! কি হৈছিল ৰাজীৱৰ? মই যেন জিলিৰ কথাষাৰ বিশ্বাস আনিব পৰা নাই।

ঃ একচিডেন্ট। দুৰ্ঘটনা। আজি কেইদিনমান আগতে............ মানে এই হৈ যোৱা বন্ধটোৰ ভিতৰতে এদিন বেজেৰাৰ পৰা ঘৰলৈ আহি থাকোতে বাটত........। জিলি উচুপি উঠিল। মোৰ দুচকু চকুলোৰে ভৰি পৰিল। তাৰ পিছত.............। মই সেই দৃশ্যৰ কথা আৰু ভাবিব নোৱাৰিলো। ৰাজীৱৰ মুখখন মোৰ মানস পটত ভাহি উঠিল। .................যিদিনা কলেজৰ উঃ মাঃ ১ম বৰ্ষৰ ক্লাছ আৰম্ভ হৈছিল, সেইদিনা ওপৰৰ ক্লাছৰ বহু ল'ৰা-ছোৱালীয়ে নতুন ল'ৰা-ছোৱালীবোৰৰ পৰিচয় লৈছিল। কেইজনীমান ছোৱালীয়ে ৰাজীৱকো মাতি নিছিল। আমি উঃ মাঃ ২য় বৰ্ষৰ ছাত্ৰীকেইজনীমানে তাক মাতি নিয়া দেখি কিছু সময় বাৰান্দাতে থিয় হৈ থাকিলো। তেনেতে সি উভতি আহিল। চুমিৰ লগত তাৰ ভাল চিনাকি কাৰণে তায়ে প্ৰথমে মাত লগালে।

ঃ ঐ ৰাজীৱ শুনচোন।

ঃ অ' চুমি বাইদেউ, কি খবৰ?

ঃ খবৰ ভালেই। পিছে তোমাৰ খবৰ কোৱাচোন।

ঃ ভালেই বাইদেউ।

ঃ অ তোমাক যে বাইদেউ কেইজনীয়ে মাতি নিছিল তেওঁলোকে তোমাক কিনো সুধিলে বাৰু?
ঃ কি সুধিব আৰু! মোৰ নাম, গান গাব জানোনে, কাৰ গান ভাল পাওঁ, চিঠি লিখিব জানোনে, এতিয়ালৈ কিমান চিঠি লিখি পাইছো? ইত্যাতি নানান ধৰণৰ প্ৰশ্ন?

ঃ তাৰ পিছত তুমি কি উত্তৰ দিলা?

ঃ উত্তৰনো কি দিম! ক'ব পৰাখিনি কলো। কিন্তু তেওঁলোকৰ জাউৰীয়ে জাউৰীয়ে কৰা প্ৰশ্ন আৰু ধমকনিত মোৰ খুব দুখ লাগিছে।

তাৰ পিছত আমি তাক বুজালো যে হাইস্কুলতকৈ কলেজখন বহুত বেলেগ। ইয়াত বহুধৰণৰ ল'ৰা-ছোৱালী আহে। কিছুমানে পঢ়িবলৈ আহে আৰু কিছুমানে আহে নিজক দেখুৱাম বুলি। নিজে ঠিকে থাকিলে আৰু নিয়মীয়াকৈ পঢ়িলে কোনো অসুবিধা নহয়। আমি এনেদৰে বুজাই কোৱাত সি কিছু সান্ত্বনা পালে। তাৰ পিছৰ পৰা তাৰ লগত আমাৰ ভাল বন্ধুত্ব গঢ়িল। 'অফ ফিৰিয়দ'ত সি আমাৰ লগত নানান

সুহৃতীয়া কথা পাতে। এনেকৈয়ে কিছুদিনৰ পিছত সহঃ সাধাৰণ সম্পাদক হিচাপে নিয়োজিত হ'ল।

এতিয়া তাৰ কথা মনত পৰিলে এনেকুৱা লাগে সি যেন ছাত্ৰ-একতাৰ সভাত হাঁহি হাঁহি তাৰ কৰ্তব্য পালন কৰি গৈছে। কথাবোৰ ভাবি ভাবি গৈ ছাত্ৰ একতাৰ কোঠালীটোলৈ গলো। গৈ দেখো ল'ৰা-ছোৱালীবোৰে মৌন হৈ বহি আছে। কাৰো মুখত মাতবোল নাই। সকলোৱে যেন তাৰ কথাকেই ভাবি আছে।

এবাৰ কলেজৰ সৰস্বতী পূজাত আমি সকলোৱে ধুনীয়া ধুনীয়া মেখেলা-চাদৰ পিন্ধি যোৱা দেখি ৰাজীৱে কৈছিল— বাঃ গোটেই কেইজনীয়ে আজি একেবাৰে ইমান সাজি কাছি আহিছে, মোৰ মাতিবলৈ ভয়ে লাগিছে দেই। জুৰি বাইদেউ আৰু চুমি বাইদেউক একেবাৰে কইনা যেনেই লাগিছে।

চুমিয়ে আকৌ ধেমালিতে হাঁহি হাঁহি কৈছিল— "মোৰ লগৰটো নাহিল বুলিহে। সেই কাৰণে পুৰোহিতক কৈছো মোৰ লগৰটোৰ ভাগৰো প্ৰসাদ এভাগ দিয়ক।" চুমিৰ বিয়াৰ বন্দোৱস্ত হৈছে। ফাইনেল পৰীক্ষাৰ পিছতে বিয়া হ'ব। বিয়াৰ খবৰ পাই আনন্দতে ৰাজীৱে কৈছিল— "চুমি বাইদেউ মনে মনে বিয়া হৈ গুচি নাযায় আকৌ। বিয়ালৈ আমাকো নিমন্ত্ৰণ দিব দে।

................আজি চুমিৰ বিয়া চাবলৈ ৰাজীৱ আৰু নাই। চুমিৰ বিয়াত আমাৰ লগত ধেমালি কৰিবলৈ ৰাজীৱ আৰু নাহে। কথাবোৰ ভাবি থাকোতেই চাৰ-বাইদেউ সকল উঃ মাঃ ১ম বৰ্ষৰ 'হল'ত সোমোৱা দেখিলো। তাৰ পিছত সকলো ছাত্ৰ-ছাত্ৰীৰ লগতে আমি গৈ তাত গোট খালো। কিছুসময় পিছত শোক সভা আৰম্ভ হ'ল। সকলোৱে মৌন ভাবে ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰি আছে। কেৱল..............কেৱল ৰাজীৱহে যেন হাঁহি হাঁহি কৈ আছে— ব'লা জুৰি বাইদেউ, আমি চুমি বাইদেউৰ বিয়ালৈ যাওঁ। ❖

"দেশৰ হয়তো বহুতো মানুহে এতিয়াও নাজানে এটা চাকি জ্বলাবলৈ প্ৰয়োজন হোৱা এচাকি কেৰাচিন বা গাড়ীৰ এক লিটাৰ পেট্ৰলৰ পিছত কিমান মানুহৰ শ্ৰম আৰু সাধনা লুকাই আছে।"

—ফনীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী

অনুৰাধাৰ দেশ

# কুহেলিকা

সবিতা দেৱী
স্নাতক প্ৰথম বৰ্ষ (ক'লা)

কলেজখনৰ ভিতৰ সোমাইয়ে মৃণালৰ মনটো বৰ ৰাঙলী ৰাঙলী লাগিল। তাহানিৰ অপূৰ্ব স্মৃতিয়ে আজি মৃণালৰ মনটোক আগুৰি ধৰিছে। মনত পৰিছে যৌৱনৰ সেই উৰুঙা দিনবোৰৰ কথা। হেমন্ত কৃষ্ণহঁতৰ লগত ওঁঠত চিগাৰেট লৈ ছোৱালী জোকাই কেন্টিনত মাৰা হুলস্থূলীয়া আড্ডাটোৰ কথা, সঁচাকৈয়ে কি অপূৰ্ব আছিল তাহানিৰ সেই স্মৃতি। আজিও মৃণালৰ মনত আছে সেই দিনটোৰ কথা যিদিনা মৃণালে আশা নকৰা ধৰণেৰে তেওঁৰ লগত চিনাকি হোৱা সেই মৰমীয়াল ছোৱালীজনীৰ কথা আৰু পিছলৈ দুয়ো ক্ৰমে...... আহ সঁচাকৈয়ে কি অপূৰ্ব আছিল তাহানিৰ সেই স্মৃতি।

তেতিয়া মৃণালহঁত স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰ আছিল যদিও তেওঁলোকে কলেজলৈ বিশেষকৈ আড্ডা মাৰিবলৈহে গৈছিল ক্লাছ কৰিবলৈ নহয়।

এদিনৰ কথা, মৃণালহঁতে একেলগে কলেজ কেন্টনত বহি কিবা আলোচনা কৰি আছিল। ঠিক সেই মূহুৰ্ততে তেওঁলোকৰ সন্মুখতে সেই কেন্টিনত এজনী ধুনীয়া ছোৱালীৰ আগমন ঘটিছিল। মৃণালহঁতে সেই ছোৱালীজনীৰ পিনে একেথৰে চাই ৰৈছিল। কাৰণ মৃণালহঁত কেন্টিনত থাকিলে সাধাৰণতে কোনো ছোৱালী ভিতৰলৈ নগৈছিল যিহেতু কেন্টিনত সোমোবা ছোৱালীজনীৰ বিষয়ে মৃণালহঁতে বিভিন্ন ধৰণৰ বৰ্ণনা দি তাইক তাৰ পৰা ওলাই আহিবলৈ বাধ্য কৰাইছিল। কিন্তু হঠাৎ আজি মৃণালহঁতৰ উপস্থিতিক পেংলাই কৰি কেন্টিনত সোমাবলৈ সাহস কৰা কোন এই ছোৱালী। তথাপিতো কিয় সেই ছোৱালীজনীক দেখি মৃণালৰ মনত তাইৰ প্ৰতি যেন হঠাৎ দুৰ্বলতা জাগিছে। ঠিক সেই সময়তে মৃণালৰ লগৰ কোনোৱা এজনে সেই ছোৱালীজনীক উদ্দেশ্য কৰি কিছুমান মন্তব্য দিছিল কিন্তু মৃণালে মাথোন তাইৰ ফালে চাই আছিল। তেতিয়াই তাই কেন্টিনৰ মালিকক কিবা কিবি কৈ তাৰ পৰা ওলাই গৈছিল হয়তো তাই কেন্টিনৰ সেই অস্থিৰ পৰিৱেশক নিজকে গঢ় দিব নোৱাৰিলে। তাই ওলাই যোৱাৰ পিছত গোটেই কেইটাই মৃণালক আগুৰি ধৰি ক'লে কি হ'ল বেলেগে ছোৱালী দেখিলে দেখোন তোৰহে জোকোৱাৰ উৎপাততো বেছি হয় ছোৱালীজনীৰ কিমান সুনাম তই ৰচনা কৰ হেৰা ফুলমতি, ঐ মধু মালতী আদি পিছে এইজনীক দেখি তই দেখোন ভিজা মেকুৰীটোৰ নিছিনা হলি কি তাই তোৰ কোনোৱা ৰিলেটিভ নেকি? মৃণালে মাথো গাটো ভাল নহয় বুলি ক'লে। কিন্তু প্ৰকৃততে মৃণালে সেই মুহুৰ্ত্তৰ পৰাই ছোৱালীজনীৰ প্ৰেমত পৰিছিল। পিছত এদিন হঠাৎ মৃণালে আৱিষ্কাৰ কৰিছিল যে ছোৱালীজনী তেওঁলোকৰ লগৰে তাকে দেখি মৃণালৰ মনটো অজান আনন্দত ভৰি পৰিছিল। সেইদিন ধৰি মৃণালে মাথো ছোৱালীজনীক এবাৰ ভালদৰে দেখাৰ বাবে তাইৰ লগত ক্লাছ কৰিবলৈ ধৰিলে। অথচ তেতিয়ালৈকে তেওঁ তাইৰ নামটোলৈও পৰিচিত হোৱা নাছিল। কিন্তু হঠাৎ মৃণালৰ ক্লাছ কৰাৰ এনে মতিভ দেখি তেওঁৰ লগৰ কেইটাই তেওঁৰ প্ৰতি দুই এটা বিৰূপ মতবাদ প্ৰদৰ্শন কৰিছিল যদিও সেইবোৰৰ প্ৰতি ভ্ৰূক্ষেপ কৰা নাছিল। আৰু এদিন মৃণালে আশা নকৰা ধৰণে তাই ৰাজনীতি বিজ্ঞানৰ ক্লাছত তেওঁৰ আগদিনাৰ টোকাখিনিৰ বাবে মৃণালৰ বহীখন বিচাৰিছিল আৰু

দুৰ্ভাগ্যবশতঃ তাইৰ বহীখন হেৰোৱা বুলিও কৈছিল। মৃণালে বিনাদ্বিধাই তেওঁৰ বহীখন ছোৱালীজনীৰ ফালে আগবঢ়াই দিছিল। তাইও ধন্যবাদ বুলি কৈ মৃণালৰ ওচৰতে বহি টোকাখিনি লিখিবলৈ লৈছিল। সেইখিনি লিখি তাই অপ্ৰত্যাশিত ভাৱে মৃণালক কৈছিল— মই আশা কৰা কলেজৰ ল'ৰাবোৰতকৈ তোমাক বেলেগ ধৰণে পাইছো। কিন্তু তোমাৰ নামটো সুধিম সুধিম বুলি সুধিব পৰা নাছিলো। আচলতে তোমাৰ নামটো কি? মৃণালেও তেওঁৰ নামটো তাইৰ আগত ব্যক্ত কৰিছিল আৰু মনত কিছু সাহস গোটাই তাইকো তাইৰ নামটো সোধাত তাই মাথো মিছিকিয়া হাঁহিৰে কৈছিল 'নন্দিতা'। ইয়াৰ পিছত ক্ৰমান্বয়ে তেওঁলোকৰ ঘনিষ্ঠতা বাঢ়ি গৈছিল। এনেকৈ দিন যোৱাৰ পিছত তেওঁলোকৰ সম্বন্ধটো বন্ধুত্বৰ পৰা প্ৰেমলৈ ৰূপান্তৰিত হৈছিল। কিন্তু নিষ্ঠুৰ নিয়তিয়ে যেন তেওঁলোকৰ সম্বন্ধটো বিচৰা নাছিল কাৰণ নন্দিতাই এদিন আহি মৃণালক কৈছিল জানা মৃণাল মোৰ বিয়াৰ কাৰণে ঘৰৰ পৰা ল'ৰা ঠিক কৰিছে। মই তোমাৰ কথা কব বিচাৰিছিলো। যদিও মনত সাহস গোটাব পৰা নাছিলো কাৰণ যিহেতু তোমাৰ কোনো কৰ্মসংস্থান নাই। গতিকে 'মৃণাল' তুমি মোক পাহৰি পেলোৱা আৰু তুমি মোক ক্ষমা কৰি দিবা। এইবুলি কৈ নন্দিতা মৃণালৰ ওচৰৰ পৰা আঁতৰি গৈছিল। মৃণালেও একেথৰে তাই যোৱাৰ ফালে চাই থাকি তাইক একো ক'ব নোৱাৰি ক্ষোভত জ্বলিছিল। মৃণালেও নন্দিতা যোৱাৰ পাছত তীব্ৰ গতিৰে বাইকখনৰ ওচৰলৈ গৈ তাৰ ষ্টাৰ্ট দিছিল। সেই দিনাখন মৃণালৰ পুৰণি বাইকখনেও যেন কিবা এটা বুজি পাইছিল। কাৰণ অইন দিনাখনৰ দৰে এটাতকৈ বেছি কিক্ নামাৰোতেই বাইকখনেও সশব্দে প্ৰতিবাদ কৰি উঠিছিল আৰু মৃণালেও সেইদিনাখন লক্ষ্যহীন ভাৱে কোনোৱা এফালে গতি কৰিছিল।

ইয়াৰ পিছত সময়ৰ সোঁতত মৃণালে কলেজলৈ যোৱাটো বন্ধ কৰিলে। মাথোন তেওঁ দুৰণিৰ কোনোবা এজন ডক্টৰৰ লগত নন্দিতাৰ বিয়া হৈ যোৱা খবৰটো শুনিবলৈ পাইছিল। সেইদিনা কামনাৰ জুইত মৃণালে সম্পূৰ্ণৰূপে জুইত দহি গৈছিল। কিন্তু আজি সম্পূৰ্ণ তিনি বছৰৰ পিছত নন্দিতাই কোনোৱা এজন অচিনাকি মানুহৰ হাতত মৃণাললৈ দি পঠোৱা এখন চিঠিয়ে তেওঁক পুনৰ সেই কলেজলৈ আগমন ঘটালে। চিঠিখনৰ মতে নন্দিতাই মৃণালক লগ পোৱাটো অতি জৰুৰী সেয়েহে অতীতৰ এই কলেজ কেন্টিনলৈ পুনৰ এই আগমন। হাত ঘড়ীটোলৈ চাই তেওঁ দেখিছিল নন্দিতাই কোৱা সময়লৈ তেতিয়াও দহ মিনিট সময় বাকী আছিল। সেয়েহে কেন্টিনত একাপ কফিৰ অৰ্ডাৰ দিছিল আৰু অৰ্ডাৰ মতে কফিকাপ তেওঁৰ টেবুলত দিয়াৰ পিছতে দেখিলে নন্দিতা আহি আছে। অতীতৰ কথাবোৰ ভাবি থাকোতে নন্দিতাই তেওঁক মাত দিছিল। মৃণালে তাইক বহিবলৈ কৈছিল যদিও তাই মৃণালক বাহিৰলৈ যাবলৈহে লগ ধৰিছিল। মৃণালেও কোনো প্ৰশ্ন নকৰাকৈ কফিৰ বিলৰ পইচা দি বাহিৰলৈ গৈছিল। এইদৰে গৈ গৈ তেওঁলোক কলেজৰ বাহিৰত ৰৈ থকা এখন নীলা ৰঙৰ মাৰুতি কাৰৰ কাষ পালেগৈ। নন্দিতাই একো নকৈ কাৰখনৰ দৰ্জা খুলি ড্ৰাইভিং চিটত বহি তেওঁকো তাত বহিবলৈ কৈছিল। কিছুদূৰ গৈ নন্দিতাই মৃণালক সুধিলে কি মৃণাল তুমি মোক এতিয়াও ক্ষমা কৰা নাই। তেতিয়া মৃণালে কৈছিল তুমি এতিয়া পৰস্ত্ৰী গতিকে তোমাক মই ভুল বুজা বা ক্ষমা কৰাৰ কোনো অধিকাৰ নাই। মৃণালৰ মুখৰপৰা এনে উত্তৰ শুনি নন্দিতাই ফেকুৰী উঠিছিল আৰু তীব্ৰ বেগেৰে গাড়ীৰ ব্ৰেকত ভৰি দিছিল। নন্দিতাৰ ফেকুৰণীত যেন গাড়ীখনেও আৰু আগবাঢ়িব খোজা নাছিল কাৰণ গাড়ীখন কৰ্কশ শব্দ কৰি ৰৈ গৈছিল। নন্দিতাই কৈ গ'ল জানা মৃণাল মোৰ স্বামী ডঃ অমৰ শইকীয়া যদিও এজন ডক্টৰ প্ৰকৃততে মোৰ মনত এজন পশু। তেওঁ এসময়ত তোমাৰ আৰু মোৰ মাজত থকা সম্বন্ধৰ কথা কিবা প্ৰকাৰে গম পাই এতিয়া মোৰ ওপৰত অত্যাচাৰ

চলাইছে। সেয়েহে মৃণাল মই অমৰক হত্যা কৰি তোমাৰ লগত এখন সুখৰ সংসাৰ গঢ়ি তুলিবলৈ বিচাৰো। মোক মৃণাল তুমি মোক সহযোগ কৰিবানে? নন্দিতাৰ কথাবোৰ শুনি মৃণালে মাথো কৈছিল নন্দিতা, তুমি সকলোবোৰ কথাই এবাৰ ভাবি চোৱা। নন্দিতাই সকলোবোৰ কথাই বাদ দি মৃণালক কৈ তুমি মোক সহযোগ কৰিবানে নাই? যিহেতু নন্দিতাৰ প্ৰতি মৃণালৰ তেতিয়াও দুৰ্বলতা আছিল গতিকে নন্দিতাৰ কথাত তেওঁ মত দিছিল আৰু গাড়ীৰ ভিতৰতে ডঃ অমৰ শইকীয়া নামৰ পশুটোক হত্যাৰ আঁচনি তৈয়াৰ কৰিছিল।

নন্দিতাৰ কথামতে মৃণালে সেইদিনা ৰাতি ১০ বজাৰ আগেয়ে গৈ ডি. এ. এচ. নাৰ্চিং হোমৰ আগত গৈ ৰখি আছিল। কাৰণ নন্দিতাই কৈছিল যে ডঃ অমৰ শইকীয়া সদায় ৰাতি ১০ মান বজাতহে নাচিং হোম বন্ধ কৰি ঘৰলৈ আছে। লগতে নন্দিতাই ইয়াকো কৈছিল যে ডঃ শইকীয়াই নাৰ্চিং হোমৰ সিটো পাৰে নিজৰ গাড়ী পাৰ্ক কৰে আৰু ডঃ শইকীয়া ঘৰলৈ যাবলৈ ৰাস্তাটো পাৰ হোৱা সময়তে ৯০ বা ৮০ কিঃ মিঃ বেগেৰে আহি গাড়ীৰে খুন্দিয়াই ডঃ শইকীয়াক এই জগতৰ পৰা বিদায় দিয়াটোৱে আছিল তেওঁলোকৰ আঁচনি। পিছত ডঃ শইকীয়া খুন্দিওৱা গাড়ীখন এৰি পিছে পিছে আহি থকা নন্দিতাৰ নীলা ৰঙৰ গাড়ীখনত উঠি দুয়ো সেই ঠাইৰ পৰা অৰস্থান কৰাই আছিল নন্দিতাৰ পৰিকল্পনা।

সেই কাৰণে গাড়ীৰ ভিতৰত বহি মৃণালে অপেক্ষা কৰি আছিল সেই সময়লৈ। আঁচনি অনুসৰি জীপ গাড়ীখনো নন্দিতাই ঠিক কৰি দিছিল। মৃণালে গাড়ীতে বহি অতীতৰ কথাবোৰ ভাৱি আছিল। এইদৰে ভাৱি থাকোতে মৃণালে দেখা পাইছিল ডঃ শইকীয়াই নাৰ্চিং হোম বন্ধ কৰিবলৈ লৈছে। মৃণালে অকনো সময় নষ্ট নকৰি গাড়ী ষ্টাৰ্ট দিলে আৰু তীব্ৰভাৱে গাড়ীৰ এক্সিলেটাৰত চাপ দিলে। লগে লগে ধুমুহাৰ বেগেৰে ডঃ শইকীয়াৰ ফালে আহিবলৈ ধৰিলে। ডঃ শইকীয়া তেতিয়া ৰাস্তাটো পাৰ হবৰ বাবে উদ্যত হৈছে তাকে দেখি মৃণালৰ মুখত এটা কুটিল হাঁহি ফুটি উঠিছে। মৃণালে গাড়ীৰ মিটাৰ বক্সলৈ লক্ষ্য কৰি দেখিলে গাড়ীৰ কাটা ৬০ আৰু ৭০ ৰ মাজত দৌৰিছে সেই গতিৰে গৈ মৃণালে ডঃ শইকীয়াৰ দেহত সজোৰে খুন্দা মাৰিলে ফলত ডঃ শইকীয়া গাড়ীখনৰপৰা পাঁচ মিটাৰ মান আঁতৰত চিটিকি পৰিল। মৃনালে আৰু পিছলৈ লক্ষ্য নকৰি কিছুদূৰ গৈ দেখিলে নন্দিতাৰ গাড়ীখন আহি আছে। মৃনালে ৰাস্তাৰ মাজলৈ গৈ হাত বাউল দি নন্দিতাক দূৰৰ পৰাই গাড়ী খন আহি তেওঁৰ কাষতে ৰৈছিল। মৃনালেও নন্দিতাৰ গাড়ীখনৰ ওচৰ পালে। কিন্তু কি! গাড়ীখনৰ ভিতৰত দেখোন পুলিচ। মৃনালে অলপো সময় নষ্ট নকৰি তাৰ পৰা পলোৱা সুৰুঙা বিচাৰিবলৈ ধৰিলে। কিন্তু তাৰ আগতেই ইঞ্চপেক্টৰজনে আহি তেওঁৰ হাতত হেণ্ডকাপ পিন্ধাই দিছিল। তেতিয়া নন্দিতাই মিছা চকুলো টুকি কৈছিল— ইন্সপেক্টৰ এওঁৱে মোৰ স্বামীৰ হত্যাকাৰী অলপ আগতে এওঁ মোৰ স্বামীক হত্যা কৰি থৈ আহিছে। মৃনালে তেতিয়া নন্দিতাৰ ফালে নিৰ্বিকাৰ ভাৱে চাই আছিল। তেতিয়াহে মৃনালে বুজি পাইছিল নন্দিতাৰ উদ্দেশ্য। আচলতে নন্দিতাই বিচাৰিছিল একমুক্ত জীৱন। তাইৰ কোনো পৰিস্থিতিতে এখন ঘৰত বন্দী হৈ থাকিব বিচৰা নাছিল। সেয়েহে নন্দিতাই ডঃ শইকীয়াক হত্যা কৰিবলৈ মৃনালক চিকাৰী হিচাপে বাছি লৈছিল। কাৰণ নন্দিতাই জানিছিল যে মৃনালো যাতে তাইৰ মুক্ত জীৱনৰ আগত হেঙাৰ ৰূপে থিয় দিব নোৱাৰে তাৰ বাবে পুলিচক খৱৰ দিছিল। সেই সময়ত মৃনালে নন্দিতাৰ মুখলৈ চাব পৰা নাছিল। এজন সৰু ল'ৰাৰ নিচিনাকৈ মৃনালৰ চিঞৰি চিঞৰি কান্দিব মন গৈছিল। তেতিয়াহে মৃনালে বুজিছিল নাৰীৰ মহিমা সঁচাকৈয়ে অপাৰ। ❖

# প্ৰৱঞ্চনা

মাহফুজা বেগম
স্নাতক প্ৰথম বৰ্ষ

আমাৰ গাওঁখন একেবাৰে দুখীয়া। তাৰ ভিতৰত দুবেলা দুমুঠি খাবলৈ নোপোৱা মানুহৰ সংখ্যা বহুত আছে। বস্তুবোৰৰ দাম বঢ়াৰ লগে লগে দুখীয়ালোক সকলৰ পানীত হাঁহ নচৰা হৈছে। তেনে এটা দুখীয়া পৰিয়ালৰে সন্তান বুলিবলৈ হাইদৰ আৰু কালাম। সিহঁতৰ দেউতাকে গাঁৱত কাম বিচাৰি নোপোৱাৰ বাবে গুৱাহাটীলৈ কাম বিচাৰি গৈছিল। সপ্তাহত এবাৰকৈ ঘৰলৈ আহি মাক আৰু ল'ৰা দুটাক ভৰণ পোষণ দিছিল। এনেকৈ দুখৰ মাজেৰে তেওঁলোকৰ দিন অতিবাহিত হৈছিল। অলপ ডাঙৰ হোৱাত ল'ৰা দুটাক গাঁৱৰে প্ৰাইমাৰী বিদ্যালয়ত পঢ়িবলৈ দেউতাকে হাইদৰ আৰু কালামক নাম ভৰ্ত্তি কৰি দিছিল। হাইদৰ দ্বিতীয় মান পোৱাত কালাম প্ৰথম মানৰ ছাত্ৰ আছিল। দুখীয়া হলেও সিহঁত মেধাবী ছাত্ৰ আছিল। সেই কাৰণে দুয়ো শিক্ষক-শিক্ষয়িত্ৰী সকলৰ প্ৰিয় পাত্ৰ হৈ পৰিছিল। দুয়ো প্ৰতিবছৰে প্ৰথম প্ৰথম হৈছিল। কিন্তু দুখীয়াৰ দুখৰ কোনো দিনেই অন্ত নাই। সেইবেলি হাইদৰ অষ্টম মানৰ আৰু কালাম সপ্তম শ্ৰেণীৰ ছাত্ৰ। তেনে সময়ত সিহঁতৰ দেউতাক কেইবা দিনো বেমাৰত পৰি থাকিবলগীয়া হ'ল। ফলত সিহঁতে ভোকত ভাত মুঠি নোপোৱা হ'ল আৰু টকা পইচাৰ অভাৱত সিহঁতে বেমাৰী জনক চিকিৎসা কৰিব নোৱাৰিলে। সেয়ে কিছুদিন বিচনাত পৰি থকাৰ পিছত তেখেতে এই সংসাৰৰ পৰা বিদায় মাগিলে। স্বামীৰ শোকত ম্ৰিয়মান হৈ মাত্ৰ কেইদিন মানৰ পিছতে সিহঁতৰ মাতৃ দেৱীও সিহঁতক এৰি চিৰদিনলৈ গুচি গ'ল। পিতৃ-মাতৃৰ বিয়োগত দুই ভায়েকৰ দুখ কুলাই পাচিয়ে নধৰা হ'ল। তেওঁলোকৰ দুখ কষ্ট দেখি ওচৰ চুবুৰীয়া সকলেও দুখীত হৈছিল। যিয়ে যি পাৰে টকা পইচা দি দুয়োকো সহায় কৰিছিল। এনেকৈ প্ৰায় দুই তিনিমাহ মানলৈকে তেওঁলোকৰ অন্তৰৰ পৰা শোকৰ ছাঁ আঁতৰি যোৱা নাই।

শেষত সকলোৰে বুজনিত মন স্থিৰ কৰি হাইদৰে কিছু শান্ত হৈ পৰিছিল। ভায়েকক বুজনি দিছিল। আৰু কৈছিল আমি এনেকৈ দুখ কৰি থাকিলেনো কি হ'ব। মানুহ মৰণশীল। নিয়তীৰ হাতৰ পৰা কোনেও ৰক্ষা পৰিব নোৱাৰে। গতিকে আমি হিয়া ধাকুৰি কান্দি থাকিলেও মা-দেউতাক ঘুৰাই নাপাওঁ। আমি এনেদৰে দুখ কৰি বহি থাকিলে আমাৰ অৱস্থা মা-দেউতাৰ নিচিনাই হ'ব। সেয়ে আমি এটা উপায় কৰিব লাগিব। মই নপঢ়ো তুমি কিন্তু পঢ়িব লাগিব। কাৰণ মইও পঢ়িলে তোমাক কোনে ভাত পানী দিব। তেতিয়া কালামে হাইদৰক কৈছিল। ককাইটি আপুনি মোক কেনেকৈ পঢ়ুৱাব। কাৰণ আমি দুখীয়া মানুহ টকা-পইচাৰ অভাৱ। তেতিয়া হাইদৰে কৈছিল— যিকোনো উপায়েৰে তোমাক পঢ়ুৱাম আৰু ডাঙৰ মানুহ কৰি গঢ়ি তুলিম। ককায়েকৰ কথাত প্ৰতিবাদ কৰি কালামে কৈছিল ককাইটি আপোনাক অকলে ইমান কষ্ট কৰিবলৈ নিদিও। মই আপোনাৰ সমভাগী হম। তেতিয়া হাইদৰে তাক বুজায় বঢ়াই কৈছিল— এতিয়াৰ পৰাই যদি আমি দুয়ো আনৰ ঘৰত কাম কৰি জীৱিকা নিৰ্বাহ কৰো তেতিয়া আমাক বৃদ্ধ অৱস্থাত কোনে পালন কৰিব। আমাৰ কোন আছে, সেই কাৰণে অতীতক পাহৰি ভৱিষ্যতৰ কথাবোৰ চিন্তা কৰিব লাগিব। তুমি সেইবোৰ নাভাবি এদিন হলেও ডাঙৰ মানুহ হম বুলি প্ৰতিজ্ঞা কৰি একাণপতীয়াকৈ পঢ়া-শুনাত লাগি যোৱা। টকা-পইচা উপাৰ্জনৰ কথা মই অকলে চিন্তা কৰিম।

ককায়েকৰ বুজনিত সুস্থিৰ হৈ কালামে দিনে-নিশাই পঢ়িবলৈ আৰম্ভ কৰিলে। এনেকৈ পঢ়িয়ে হাইস্কুল শেহান্ত পৰীক্ষাত তেওঁ অসমৰ ভিতৰতে প্ৰথম স্থান অধিকাৰ কৰি পাছ কৰিলে। ভায়েকৰ পৰীক্ষাৰ খবৰ পাই হাইদৰে দুখ কষ্ট পাহৰি দিনে-নিশাই ভাগৰ নোহোৱাকৈ কষ্ট কৰিব ধৰিলে। যাতে ভায়েকক কলেজত পঢ়ুবাব পাৰে। কালামৰ মনতো উচ্চ শিক্ষাৰ বাবে অতি ব্যাকুল হৈ পৰিল। তেওঁ এম. বি. বি. এচ. ডাক্তৰ হোৱাৰ কথা ককায়েকৰ আগত প্ৰকাশ কৰিলে। আৰু ডাক্তৰী পঢ়িবলৈ ককায়েকক অনুৰোধ কৰিলে। ককায়েকে কটন কলেজত বিজ্ঞান শাখাত নাম ভৰ্ত্তি কৰি দিলে। কালামে হোষ্টেলত থাকি পঢ়িবলৈ ললে। এনেকৈ দুই তিনিমাহ মান যোৱাৰ পিছত কলেজৰ ওচৰৰে ডঃ কৰিমৰ ছোৱালীক টিউচন কৰিবলৈ লৈছিল। ডঃ কৰিমৰ সন্তান বুলিবলৈ মাত্ৰ এজনী ছোৱালী। তাইৰ নাম লুনা। তাই হাইস্কুলৰ নৱম মানৰ ছাত্ৰী। টকা পইচাৰ অভাৱৰ কাৰণে কালামে টিউচন কৰিবলৈ লৈছিল। ডঃ কৰিমৰ অনুৰোধ ক্ৰমে তেওঁ লুনাক পঢ়াইছিল। এনেকৈ কিছু দিন পঢ়ুৱাৰ পিছত লুনাই পঢ়া বহুখিনি আগবাঢ়ি গৈছিল। কেইদিন মান যোৱাৰ পিছত এটা নতুন সম্বন্ধ গঢ়ি উঠিছিল। এনেকৈ সি আনন্দত দিন কটাবলৈ ধৰিলে।

সিফালে ভায়েকক ডাঙৰ মানুহ কৰাৰ আশাত হাইদৰ দিনে ৰাতিয়ে কষ্ট কৰাৰ ফলস্বৰূপে তাৰ টি, বি বেমাৰ হৈ অশেষ কষ্ট ভোগ কৰিবলগীয়া হয়। আনহাতে কালামে প্ৰেম সাগৰত ডুবি ককবকাই থাকোতে ঘৰৰ ককায়েকলৈ একেবাৰে পাহৰি গৈছিল। ককায়েকৰ বেমাৰৰ খবৰ পাইয়ো এবাৰ ঘৰলৈ গৈ চিকিৎসা কৰা বা খবৰ লোৱাৰ বাবে তেওঁৰ সময় নাছিল। তেওঁ একমাত্ৰ ব্যস্ত লুনাৰ লগত। তাই ক্ষন্তেক সময় নহলে সি অস্থিৰ হৈ পৰে। ককায়েকৰ বেমাৰৰ খবৰ জনাই চিঠিৰ পিছত চিঠি আহি থকা কাৰণে এদিন তেওঁ ককায়েকলৈ লিখি পঠালে।

মৰমৰ ককাইটি,

পোন প্ৰথমে মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। বৰ্তমান মই ডঃ কৰিমৰ একমাত্ৰ কন্যা লুনাক টিউচন কৰি আছো। ডঃ কৰিমে মোক নিজৰ পুত্ৰ হিচাপে মৰম কৰে। তেওঁৰ কন্যাক মোৰ লগত বিয়া দিম বুলি কথা দিছে। গতিকে আমাৰ ঘৰৰ ওচৰত যিখিনি মাটি আছে খেতি কৰি হওঁক বা বিক্ৰী কৰি হওঁক আপুনি জীৱিকা নিৰ্বাহ কৰিব। মই আৰু কোনো দিনেই ঘৰলৈ ঘুৰি নাযাও। মোক সেই মাটিৰ ভাগ নালাগে। গতিকে মোলৈ চিঠি পত্ৰ দি মোক বিৰক্তি নিদিবলৈ অনুৰোধ কৰিলো। বিশেষ লিখিবলগীয়া নাই। ইতি—

আপোনাৰ ভাইটি

মঃ কালাম আলী

ককায়েকে চিঠি পাই খুব আনন্দ মনে পঢ়িবলৈ লৈছিল আৰু ভায়েকৰ এনেকুৱা আচাৰ-ব্যৱহাৰ দেখি তেওঁৰ খুব দুখ লাগিছিল আৰু কান্দি কান্দি অতীতৰ কথাবোৰ মনলৈ আনিছিল। তেওঁ ভাবিছিল যে কালি ৰাতিপুৱাই ভায়েকক গৈ অতীতৰ কথাবোৰ ক'ব। পিছদিনা তেওঁ গুৱাহাটীলৈ ওলাল। গুৱাহাটী পাই তেওঁ কলেজ হোষ্টেললৈ গৈ কালামক নেপাই ডঃ কালামৰ ঘৰলৈ গ'ল। ককায়েকে ডঃ কালামৰ পদুলিৰ আগ পাওঁতে কালামে চোতালত আছিল। ককায়েকক যোৱা দেখি ঘৰৰ ভিতৰত সোমাল।

ককায়েকক দেখুৱাই দি লুনাক পৰিচয় কৰাই দিছিল এইজন আগতে আমাৰ ঘৰৰ চাকৰ আছিল। তেতিয়াই লুনাই আহি হাইদৰক কৈছিল। আপুনি কালামৰ আগৰ চাকৰ আছিল নেকি? তেতিয়া ককায়েকে একো নেমাতি ঘুৰি আহিল। আৰু গোটে ৰাষ্টাত কান্দি কান্দি চিঞৰি চিঞৰি কৈছিল যাক মই সৰুৰ পৰা কষ্ট কৰি আনৰ ঘৰত কাম কৰি তাক ডাঙৰ মানুহ বনোৱাৰ বিনিময়ত মোৰ গাত ফটা কাপোৰ দেখি আজি সি মোক চাকৰ বুলি প্ৰৱঞ্চনা কৰিলে। ❖

# প্ৰেয়সীৰ বিয়া

মুকুট ডেকা
স্নাতক দ্বিতীয় বৰ্ষ

জোনালীৰ জীৱনলৈ বহুতো ল'ৰাৰ আগমন ঘটিল। ৰাজ, বিকি, অসীম, প্ৰাঞ্জল, পংকজ, অজয় আৰু বহুতো। এই আটাইকেইজনে তাইলৈ প্ৰেমৰ প্ৰস্তাৱ আগবঢ়াইছিল। কিন্তু তাই যে কাৰো বাবে বৈ নথকা খৰস্ৰোতা নদী। তাই যেন সহজতে ধৰা নিদিয়া আকাশৰ এটি মুক্ত পক্ষীহে। আটাইকেইজনে জোনালীৰ মন পাবলৈ বিচাৰি অশেষ চেষ্টা কৰি বিফল হ'ল।

১৯৯৩ চনত জোনালীয়ে উচ্চ মাধ্যমিক পৰীক্ষা দি এদিন সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। তাইৰ ওঁঠত এটি বহুযুগীয়া কল্পনাৰ হাঁহি বিৰিঙিল। জোনালীৰ ঘৰ তেজপুৰত যদিও তাই শিলপুখুৰীত প্ৰাইভেট হোষ্টেলত থাকিহে পঢ়িবলৈ ললে। দেউতাক এজন আদৰ্শবান শিক্ষকৰ উপৰিও চহৰখনৰ বেচ জনপ্ৰিয় ব্যক্তি। জোনালী আছিল মাক-দেউতাকৰ একমাত্ৰ সন্তান। সেয়েহে তাই সৰুৰে পৰা বৰ মৰমেৰে ডাঙৰ হৈ আহিছে আৰু অভাৱ কি তাই একো নাজানে। জোনালী সঁচাকৈয়ে পৰীজনীৰ দৰেই ধুনীয়া। তাইৰ লাহী দেহৰ ঢৌ খেলোৱা চুলি কোছাৰ সৈতে প্ৰতিটো খোজৰ ছন্দে ছন্দে কঁপি উঠে প্ৰেমিকৰ কলিজাবোৰ।

জোনালীয়ে তাইৰ কলেজ ফাংচনত প্ৰথম চিনাকি হ'ল পৰাগ চলিহাৰ সৈতে। পৰাগেও তাত হোষ্টেলত থাকি পঢ়ে। পৰাগৰ কথা-বতৰাৰ জৰিয়তে জোনালীয়ে গম পালে যে তেজপুৰ চহৰতে জোনালীহঁতৰ সন্মুখৰে যোৱা কিছু দূৰত থকা দুমহলীয়া ঘৰটোৱে পৰাগৰ ঘৰ। তেতিয়া জোনালী উচ্চ মাধ্যমিক শ্ৰেণীৰ প্ৰথম বাৰ্ষিকৰ এজনী ছাত্ৰ আৰু পৰাগ স্নাতক দ্বিতীয় বৰ্ষৰ এজন মেধাবী ছাত্ৰ। সি দেখিবলৈ বেচ ধুনীয়া। বৰ সহজ সৰল, অমায়িক বিধৰ ল'ৰা। পৰাগে প্ৰায়ে জোনালী থকা হোষ্টেলৰ সন্মুখেৰে বাইক চলায় অহা-যোৱা কৰে। জোনালীয়ে খিৰিকিৰে জুমি চালে বেচি ভাগ সময়ে দেখে পৰাগক। জোনালীৰ বৰ ভাল লাগিল পৰাগলৈ, কিন্তু কয় কেনেকৈ জানোচা পৰাগে তাইক ঘৃণা কৰে। এদিন দুয়ো কলেজলৈ একেলগে যাওঁতে পৰাগে জোনালীক এখন চিঠি দিছিল। চিঠিখন তাই আলফুলে বেগত ভৰাই লৈ কেতিয়া সিহঁতে কলেজ পালে জোনালীয়ে গমকে নাপালে। তাৰ পিছত দুয়ো দুয়োৰে শ্ৰেণীত সোমাল। জোনালীয়ে চিঠিখন চাই বৰ আনন্দ পালে। তেতিয়াৰ পৰা তাইৰ জীৱনলৈ আহিল প্ৰেম। পৰাগে জোনালীৰ পৰা চিঠিৰ উত্তৰ পোৱাৰ আশাত পিছদিনা কলেজলৈ অইন দিনাতকৈ সোনকালে আহিল। অলপ সময়ৰ পাছত জোনালীয়ে সেউজীয়া ডাঠ ৰঙৰ শাৰীখন পিন্ধি অহা দেখি পৰাগে ভাবিলে— বাঃ আজি জোনালীজনী বেচ ধুনীয়া হৈ আহিছে। জোনালী গৈ পৰাগক ক'লে— আজি ইমান সোনকালে কিয় আহিলা। ব'লা কৰবাত অলপ বহোঁগৈ। জোনালীৰ কথাত পৰাগে একো নকৈ তাইৰ পাছে পাছে গৈ থাকিল। দুয়ো গৈ এজোপা গছৰ তলত বহি বহু কথা পাতিলে। এনেদৰে দুয়োৰে দুখন হৃদয়, চাৰি চকু এটা বিন্দুত মিলিত হ'ল। পৰাগ আজলী জোনালীৰ প্ৰথম প্ৰেমিক হ'ল। এনেদৰে পাৰ হৈ গ'ল দুটা বসন্ত। মনত বহুত অফুৰন্ত ৰঙীন কল্পনা। পৰাগে মাজে মাজে চিন্তা কৰে সিহঁতৰ কল্পনাবোৰ যেন বাস্তৱত পৰিণত হ'বনে?

পৰাগে বি, এ, পৰীক্ষাত উত্তীৰ্ণ হৈ কিবা এক

উদ্দেশ্যত যোৰহাটলৈ গুছি গ'ল। বৰ্তমান পৰাগ এজন চৰকাৰী চাকৰিয়াল। সেয়েহে সি আজৰি সময় প্ৰায় নাপায়ে। ইফালে জোনালীও স্নাতক শ্ৰেণীৰ প্ৰথম বাৰ্ষিকৰ এজনী ছাত্ৰী। পৰাগ এতিয়া তাইৰ পৰা বহু আঁতৰত। সিহঁতে এতিয়া অকলশৰীয়া যেন অনুভৱ কৰে। চকুৰ আঁতৰ হ'লে মনৰো আঁতৰ হয়' বোলা কথাযাৰ পৰাগৰ বেলিকাও ঘটিল। জোনালীলৈ এজন উপযুক্ত ল'ৰা অহাৰ কথা। জোনালীৰ মাক-দেউতাকে গম পোৱাত তেওঁ এজন প্ৰফেছাৰ। গতিকে পাৰিলে জোনালীক তালৈ দিবৰ ইচ্ছা। এই কথা গম পাই জোনালীৰ মনলৈ আহিল দুখ-বেদনাৰ ধুমুহা। "হে ভগবান, মই এতিয়া কি কৰো। যাৰ সৈতে আজিও প্ৰতিশ্ৰুতিবদ্ধ তাক জানো প্ৰতাৰণা কৰিব পাৰিম?" মাক-দেউতাকে বিয়াৰ কথা উলিয়ালে জোনালীয়ে আন কথা উলিয়াই সেই কথা তল পেলায়। এদিন জোনালীয়ে মাক-দেউতাকৰ ওচৰত হাৰ মানিব লগা হ'ল। সময়ত সেই ল'ৰাজন আহিল। লাহে লাহে দুয়োখন ঘৰৰ ভাল চা-চিনাকি হ'ল। ইতিমধ্যে জোনালীৰ বিয়াৰ দিন স্থিৰ কৰিলে।

আজি বহুদিনৰ পৰা পৰাগে জোনালীৰ কথাবোৰ ভাবি ভাবি কিবা এক অবুজ বেদনাত ভুগি আছে। সেয়েহে সি এটি দীঘলীয়া চুটি লৈ ঘৰলৈ গুছি আহিল। ঘৰত আহি পৰাগে গম পালে যে- জোনালীৰ বিয়া। বিয়াৰ কথা শুনা মাত্ৰকে পৰাগৰ বুকুখন চিৰিংকৈ উঠিল আৰু আকাশী সৰগ ভাঙি পৰা যেন পালে। সিহঁতৰ প্ৰেমৰ কথা সকলোৱে জানিছিল। পৰাগ ঘৰলৈ অহা কথা গম পাই জোনালীয়ে সিহঁতৰ ঘৰলৈ আহি পৰাগৰ সৈতে বহু কথা পাতিলে আৰু তাইৰ দোষৰ ক্ষমা খুজিলে। পৰাগে তেতিয়া জোনালীৰ আগত কিছুমান প্ৰশ্ন কৰিছিল— জোনালীয়ে কিয় তাক প্ৰতাৰণা কৰিলে? ইচ্ছা কৰিলে সি বহু ছোৱালীৰ সৈতে প্ৰেমৰ খেলা পাতিব পাৰিলেহেঁতেন? কিন্তু সি সেইবোৰৰ পৰা আঁতৰি থাকিল কিয়? কাৰ বাবে? পৰাগে জোনালীক ভাল পাইছিল হিয়া ভৰি ভাল পাইছিল। পৰাগে জোনালীক কৈছিল ছোৱালীৰ বাবে প্ৰেম এটা ফেশ্বন গেমহে।

শেষত জোনালীয়ে পৰাগক বিয়াৰ নিমন্ত্ৰণী পত্ৰখন দি ক'লে— বিয়ালৈ যাব কিন্তু, তাৰ লগতে জোনালীয়ে এই কথাখিনি কৈছিল— "পৰাগ দা, আপোনাৰ প্ৰতি মোৰ প্ৰেম, মৰম-চেনেহ সদায় থাকিব। আপোনাৰ প্ৰেম মোৰ হিয়াত সদায় অংকিত কৰি ৰাখিম। আনকি মৃত্যু হোৱালৈকে। জোনালীৰ কথাৰ লগত পৰাগে সুৰ মিলাই কৈছিল— "তোমাৰ মধুময় জীৱন সুখময় হওঁক। এতিয়াতো এজন মনৰ মানুহ পালা। ইফালে তেওঁ এজন প্ৰফেছাৰ বুলি শুনিছো। গতিকে তুমিও প্ৰফেছাৰনীজনী হ'ব পাৰিবা। বাঃ কি যে নাৰী জাতিৰ এইটোৱে বৰ গৌৰৱৰ কথা। একো নকৰাকৈ যে বহু কিবা পায়............।" জোনালীয়ে তাৰ পাছতে চলচলীয়া চকু হালেৰে পৰাগৰ ওচৰৰ পৰা বিদায় মাগিলে।

সম্পূৰ্ণ পোন্ধৰ দিন ভৰা-চিন্তা কৰি পৰাগে জোনালীৰ বিয়ালৈ নোযোৱাটোকে ঠিক কৰিলে। আজি জোনালীৰ বিয়া। বিয়াৰ ৰভাতলী এতিয়া পূৰ্ণ। পৰাগৰ মনত জোনালী এতিয়া মানুহেৰে ৰভাতলীত। আচুতীয়াকৈ সজোৱা দানলপৰ বিচনাখনত চিকমিকিয়া কাগজেৰে তৈয়াৰী নানান ফুলৰ মাজত জোনালী আৰু অধিক জিকমিকাই উঠিছে। দুই এটি আলহী আহি ৰভাতলীত বহিছেহি মাত্ৰ।

মামণি সৰুৰে পৰা জোনালীৰ একেবাৰে নলে গলে লগা বান্ধৱী। জোনালীৰ হঠাৎ হোৱা মানসিক পৰিবৰ্তনৰ কথা তাই ধৰিব পাৰিলে। "কি হ'ল, কিবা গা-বেয়া লাগিছে নেকি?" মামণিয়ে জোনালীক কাণে কাণে সুধিলে। জোনালীয়ে ক'লে— "পৰাগ দা বিয়ালৈ নাহিব নেকি? তাৰ কাৰণে মোৰ বৰকৈ মনত পৰিছে।" মামণিয়ে ক'লে যে— কিজানি অফিচৰ পৰা আহিব। গতিকে সন্ধিয়া হ'ব পাৰে।

এতিয়া দুপৰীয়া ১২ বাজি ৪৫ মিনিট গৈছে মাত্ৰ। তেতিয়া পৰাগে মনৰ বেদনা সহ্য কৰি এটা "অফিচিয়েল" কামলৈ যাব ওলাল। তাত পাৰিলে বন্ধুবৰ্গৰ সৈতে গোটেই দিনটো ব্যস্ততাত থাকিব। এইবোৰ তাৰ মনৰ চিন্তা। সি ক্ষন্তেকমান সময় বিচনাখনতে বহি বাতৰি কাকত চাই আছিল। তেনেতে সি কলিং বেলৰ শব্দ শুনিবলৈ পালে। পৰাগে বিৰক্তি মনে বিচনাৰপৰা উঠি গৈ দুৱাৰখন খুলি দেখে যে তাৰ বন্ধু "চিৰতাজ"। চিৰতাজ পৰাগৰ বৰ বিশ্বাসী বন্ধু। পৰাগ আৰু জোনালীৰ কথা চিৰতাজে সকলো জানে। সি পৰাগক ক'লে— "ব'লা, জোনালীৰ বিয়ালৈ নোযোৱা জানো?" বিয়া শব্দটো শুনিবলৈ পৰাগৰ সংকোচ লাগিল।

আজি কেইবাদিনো ধৰি চিন্তা কৰি বিয়ালৈ নোযোৱাটোকে ঠিক কৰিলো। তই ভাবি চাচোন মই জোনালীক বহুদিন আগৰে পৰা ভাল পালো। এয়া মোৰ জীৱনৰ প্ৰথম প্ৰেয়সীৰ বিয়া। যাক মই মোৰ জীৱনতকৈও অধিক ভাল পাইছিলো। আৰু যাক মই জীৱনৰ অদ্বিতীয় সংগীৰূপে পাবলৈ বিচাৰিছিলো। কিন্তু সেয়া আজি কি......? মই জোনালীৰ বিয়ালৈ কি সাহসেৰে যাওঁ। মই বিয়ালৈ গৈ ৰভাতলীত লোৰ চকী এখনত কইনা সাজি বহি থকা জোনালীক দেখি ধৈৰ্য্য ধৰিব পাৰিম জানো? তাইক এটা উপহাৰ দিবলৈ মোৰ সামৰ্থ আছে। কিন্তু ভাল পোৱাৰ স্মৃতি কোনো বস্তুগত উপহাৰে জীয়াই ৰাখিব পাৰিব নেকি? গতিকে চিৰতাজ তুমি বিয়ালৈ যোৱা মই এটা অফিচিয়েল কামলৈ যাওঁ। চিৰতাজে জোনালীৰ বিয়ালৈ গুচি গ'ল, কিন্তু তাৰ মনত এটা নতুন প্ৰশ্নৰ সঞ্চাৰ হৈছিল প্ৰেমৰ সাৰ্থকতা, আনন্দ এয়াই নেকি?

পৰাগে তাৰ পাছত আকাশী বৰণৰ গাড়ীখন লৈ অফিচিয়েল কামলৈ ওলাই যাব তাৰ বন্ধু জি, এম, চি,ত থকা আকাশ দত্তলৈ। পৰাগৰ আজি চাৰি-পাঁচ বছৰে কৰা প্ৰেমৰ সোণালী সপোন এক মূহুৰ্ত্ততে চুৰমাৰ হৈ গ'ল। পৰাগে গাড়ীখন ষ্টাৰ্ট কৰি পূৰ্ণ গতিত এৰি দিলে। গাড়ীখনে কোনো সংকোচবোধ নকৰি এটা মৃদু শব্দ কৰি গুচি গ'ল। তেনেতে এহাল যুৱক-যুৱতীয়ে বাইকেৰে যোৱা দেখি পৰাগে ভাবিলে বোধহয় সিহঁতো এহাল প্ৰেমিক প্ৰেমিকা। হঠাৎ পৰাগৰ মনলৈ আহিল অতীত জীৱনৰ অলেখ স্মৃতি। এদিন পৰাগেও জোনালীৰ লগত বাইকেৰে ঘূৰি ফুৰিছিল। কেইবাটাও মন্দিৰলৈ গৈছিল। ৰেষ্টুৰেণ্টত বহিছিল; ধেমালি কৰিছিল। কিন্তু আজিৰ পৰা তাই.........?

পৰাগে এইবোৰ ভাবি গৈ থাকোতে এখন তীব্ৰ বেগী গাড়ীৰ সৈতে সংঘৰ্ষ হ'ল। সি মাটিত বাগৰি পৰিল। লগে লগে তাৰ মুখেৰে তেজৰ নদী বব'লৈ ধৰিলে। সেই ঠাই টুকুৰা তেজেৰে ৰঙচঙীয়া হৈ পৰিল। কিছু সময় পাছত পৰাগৰ মৃত্যু হ'ল। মৃত্যু হ'ল আকৌ জোনালীৰ বিয়াৰ দিনাখন। কি এক দুখ লগা সংবাদ।

পৰাগৰ মৃত্যুৰ বাতৰিয়ে গোটেই গাওঁ খনতে দুখৰ ছাঁ পেলালে। ইফালে পৰাগৰ ঘৰৰ মানুহবোৰে চিঞৰি চিঞৰি কান্দিবলৈ ধৰিছে। কান্দোনৰ শব্দ পৰাগহঁতৰ ঘৰৰ পৰা জোনালীহঁতৰ ঘৰলৈ বিয়াৰ ব্যস্ততাৰ বাবেহে শুনা নগৈছিল। জোনালীহঁতৰ ঘৰৰ মানুহবোৰ খুব সচেতন হ'ল। যাতে কথাটো জোনালীৰ কাণত নপৰে। তাৰবাবে মামণিৰ ওপৰত সম্পূৰ্ণ দায়িত্ব দিলে। অন্ততঃ বিয়াৰ পৰ্ব শেষ হৈ যোৱালৈকে। নহলে সকলো বৰ্বাদ হৈ যাব। যদি জোনালীয়ে কথাটো গম পাই ধৈৰ্য্য হেৰুৱাই কিবাখন লগাই সকলো মান-সন্মান ধুলিসাৎ কৰিব। তাতে আকৌ সম্ভ্ৰান্ত পৰিয়ালৰ বিয়াত সম্ভ্ৰান্ত লোকৰ সমাগম।

ৰাতি ১২ মান বজাত দৰাঘৰীয়া আহিছে। দৰা ঘৰীয়া মানুহবোৰে খাই বৈ চাৰিমান বজাত যাবলৈ ওলাল। দৰাৰ লগত অহা সকলোবোৰ মানুহ বাছত উঠি গুচি গ'ল। তাৰ পাছত টেক্সী এখনত দৰা-কইনা আৰু সম্পৰ্কীয় কেইজনমান যাবলৈ ওলাল। কইনাৰ ওচৰতে তাইৰ বান্ধৱী মামণি বহিল। গাড়ীখন লাহে লাহে গুচি

গ'ল। তেতিয়া সূৰ্য্যৰ ৰাঙলী পোহৰ ওলাইছিল। আৰু দুই এটি চৰাই চিৰিকতিয়ে মাতিবলৈ ধৰিছিল। যেতিয়া ড্ৰাইভাৰে গাড়ীখনৰ স্প্ৰীড বঢ়াইছিল, তেতিয়া গাড়ীখনে দ্ৰুতগতিত দৌৰিছিল। সেই সময়তে আগফালৰ পৰা তীব্ৰ বেগত অহা এম্বেচাদৰ এখনৰ সংকেত পাই কইনাবাহী গাড়ীখনৰ ড্ৰাইভাৰে গাড়ীখন ৰখালে। ইফালে কইনাবাহী গাড়ীখনৰ হেডলাইটৰ পোহৰ দেখি সিখন গাড়ী কোনোমতে কইনাবাহী গাড়ীখনৰ সন্মুখতে ৰখালে। দুয়োখন গাড়ীৰ মুখা-মুখি হ'ল। লগে লগে ৰাইজৰ মাজত কোঢ়াল লাগিল।

সকলোৰে মুখত এটাই শব্দ 'লাছ' আহি পাইছেহি। বাক্যটো ৰাইজৰ মাজৰ পৰা ভাহি আহি কইনাবাহী গাড়ীখনৰ আটাইৰে কাণত পৰিল। লগে লগে মামণিয়ে জোনালীক সাৱটি ধৰিলে। জোনালীয়ে কথাটো জানিব নোৱাৰি তাইৰ গাটো কিবা এক আতংকত জিকাৰ খাই উঠিল।

লাছবাহী গাড়ীখনৰ চাৰিওঁফালে উৎসঙ্গিত ৰাইজৰ জুম। কেনেকৈ কি হ'ল সকলোৰে জানিব বিচাৰিলে। তেতিয়া গাড়ীৰ ভিতৰৰ পৰা এজনে ক'লে— 'ধৈৰ্য্য ধৰক ৰাইজ। ঘৰলৈ গৈ চাব পাৰিব। এনেয়ে পোষ্ট মোৰ্টেম কৰা লাছ। সোনকালে জানাজাৰ ব্যৱস্থা কৰিব লাগিব। আমাক বাট এৰি দিয়ক।

ৰাইজৰ অনুৰোধত লাছবাহী গাড়ীখনৰ পিছফালৰ দুৱাৰৰ আইনাখন নমাই দিলে। লগে লগে বগা কাপোৰেৰে ঢকা মৃতদেহটো জোনালীৰ চকুত পৰিল। বগা কাপোৰত কেৱল তেজৰ চেকুঁৰা। কাৰ মৃতদেহ.......। জোনালীৰ মনত প্ৰশ্ন হ'ল। শেষত ৰাইজৰ অনুৰোধত ক্ৰমে মৃত দেহটোৰ মুখৰ পৰা বগা কাপোৰখন আঁতৰাই দিলে। তেতিয়া পৰাগৰ শেঁতাপৰা মুখখনি টেক্সীখনৰ হেডলাইটৰ পোহৰত জিলিকি উঠিল। জোনালীয়ে লগে লগে চিঞৰিৰে আৰু তাই অচেতন হ'ল। তেতিয়া প্ৰভাতী সূৰুযটোৰে চাৰিওঁফালে উজ্জ্বল পোহৰ বিলাইছিল। ❖

নিজে প্ৰমাণ কৰিব নোৱাৰালৈকে কোনো কথাকে সত্য বুলি গ্ৰহণ নকৰিবা।

—ৰেনে ডেকাৰ্টে

আশা আছে বাবেই পৃথিৱীখন ধুনিয়া।

—হেম বৰুৱা

"মাৰন সেৱাৰ মাজেদিয়েই মই ঈশ্বৰক পাবলৈ যত্ন কৰি আছো। কাৰণ মই জানো যে ঈশ্বৰ স্বৰ্গতো নাই, পাতালতো নাই। প্ৰত্যেকৰ অন্তৰতহে আছে।"

—মহাত্মা গান্ধী

# বিষন্ন হৃদয়

প্ৰণিতা দেৱী
স্নাতক ৩য় বৰ্ষ (কলা)

জীৱনটো হ'ল অসাৰ
প্ৰয়োজনো নাই
তথাপি আছো জীয়াই মই
শূন্য পিয়লা হৈ..............

খুব বিষন্ন ভাৱে বাজি আছিল ডেকটোত ৰিদিপ দত্তৰ সংগীত। এই গীতটো অপৰা মানে অপৰা জিতাৰ খুবেই প্ৰিয়। ঠিক সেই সময়তে টেবুলৰ ওপৰত থকা ফোনটো কেইবাবাৰো বাজি উঠিল। অপৰাই অলপ বিৰক্তিবোধ কৰিছিল যদিও তাই ৰিচিভাৰটো তুলি লবলৈ বাধ্য হ'ল। ৰিচিভাৰটো তুলি লোৱাত সেইফালৰ পৰা বাজি উঠিল এটি চিনাকি কণ্ঠস্বৰ। কণ্ঠস্বৰটো শুনি অপৰা খুবেই আচৰিত হৈছিল। কাৰণ সেই কণ্ঠস্বৰটো আছিল তাইৰ প্ৰেমিক বিকাশ বৰুৱাৰ। বিকাশক তাই দাদা বুলি সম্বোধন কৰিছিল। আৰু সেই বিকাশ বৰুৱাই এদিন তাইৰ পৰা বিদায় লৈ আঁতৰি গৈছিল। ৰিচিভাৰটো তুলি অপৰাই 'বিকাশ দা' বুলি কৈ আৰু একো ক'ব পৰা নাছিল। তাই বৰ চিন্তিত হৈ পৰিছিল। বিকাশ বৰুৱাইতো অপৰাক বিকাশৰ কথা পাহৰি যাবলৈ কৈছিল আৰু তেওঁ নিজেই তাইৰ পৰা বিদায় লৈছিল। কিন্তু তেনেস্থলত আকৌ কিয়........? অপৰাই বহু সময় নামাতা কাৰণে অপৰাক আকৌ ক'লে— অপৰা— অপৰা! কি হ'ল? তাই একো মাতিব নোৱাৰি ৰিচিভাৰটো পুনৰ থৈ দিলে।

নিশা অপৰাই বিছনাত ছটফটাই থাকিল। বিকাশৰ কথা ভাবি ভাবিয়ে তাই গোটেই নিশাটো পাৰ কৰি দিলে।

বিকাশ বৰুৱা, তাইৰ কলেজীয়া বন্ধু। দুয়ো একেটা বেটচ্‌ৰে আছিল। প্ৰথম যিদিনা চিনাকি হৈছিল, সেইদিনাৰে পৰা দুয়ো দুয়োৰে প্ৰতি আকৰ্ষিত হৈ পৰিছিল আৰু ইজনে সিজনৰ আগত মনৰ ভাৱ প্ৰকাশ কৰিছিল।

দিনটোৰ অৱসাদ ক্লান্তিৰ অন্তত এবাৰ প্ৰিয়জনৰ মৰমসনা দুচকুৰ চাৱনিৰ বাবে, এষাৰ আবেগ ভৰা মাতৰ বাবে ক'তজনে কি যে ত্যাগ কৰা নাই। প্ৰেম হয়তো এয়াই। অপৰাৰ ক্ষেত্ৰতো তাৰ ব্যতিক্ৰম নাছিল।

দিন বাগৰিল। দিন যোৱাৰ লগে লগে সিহঁতৰ সম্পৰ্কও গভীৰ হৈ পৰিছিল। বিকাশেই এদিন অপৰাক প্ৰতিশ্ৰুতি দিছিল যে তেওঁ অপৰাক চিৰ লগৰী কৰি ল'ব। অপৰা মান্তি হৈছিল আৰু তাই অলপো দ্বিধাবোধ কৰা নাছিল।

অপৰাৰ প্ৰথম প্ৰেমৰ প্ৰথম পুৱাৰ একাজলি ৰ'দ। অদ্ভুত মাদকতা সনা। অপৰাৰ উকা হৃদয়ত আহি থিতাপি লৈছিল বিকাশ বৰুৱাই। অপৰাই এতিয়াও অনুভৱ কৰে বিকাশৰ সেই মিঠা অনুভূতি। বিকাশেই অপৰাৰ জীৱনলৈ কঢ়িয়াই আনিছিল এক পূৰ্ণতা। সঁচাকৈয়ে তাই বিকাশক ভাল পাইছিল হৃদয়ৰ সমস্ত গভীৰতাৰে।

হঠাতে এদিন বিকাশে অপৰাৰ ওচৰত বিদায় মাগিলে। অপৰা আচৰিত হৈছিল আৰু বুকুৰ ভিতৰত এক তীব্ৰ বিষ অনুভৱ কৰিলে। তাইৰ সৰ্বশৰীৰ কপাই তুলিলে। অপৰাই ভাবিব পৰা নাছিল বিকাশে বিছৰা

বিদায়ৰ কাৰণ। দুচকুৰে নিগৰি আহিছিল দুধাৰি তপত অশ্রু।

পিছত গম পালে যে বিকাশ বৰুৱাই তাইৰ পৰা বিদায় লোৱাৰ একমাত্র কাৰণ হ'ল যে বিকাশ বৰুৱা বৰ্তমান সংগঠনৰ কামত জড়িত। বিকাশ আৰু অপৰাই সকলো কথা বুজা বুজিৰ ভিতৰত কৰিছিল যদিও ইমান দিনে এই বিষয়ে অপৰাই জনা নাছিল আৰু অপৰাক জনোৱাও নাছিল। কিন্তু! বিকাশে যদি এই বিষয়ে তাইক এষাৰ কথাও ক'লেহেঁতেন! বিকাশতো এতিয়া আৰু সৰু ল'ৰা নহয়।

বিকাশে অপৰাৰ ওচৰত ক্ষমা বিছাৰি অপৰাৰ ওচৰৰ পৰা বিদায় ললে। অপৰাৰ চকুয়েদি চকুলো বৈ গৈছিল আৰু অকলশৰীয়া অনুভৱ কৰি বিকাশ বৰুৱা যিদিনালৈকে এই পৃথিৱীত থাকে সেইদিনালৈকে তাইও জীয়াই থকাৰ প্রতিশ্রুতি ললে।

এনেদৰে কেইবা দিনো পাৰ হ'ল। অপৰাৰ সোণৰ সপোন ভাঙি চিঙি চুৰমাৰ হ'ল। তাই যে বিকাশক লৈ কিমান সপোন দেখিছিল, কিমান কল্পনা কৰিছিল। কিন্তু সপোন সপোন হৈয়েই ৰ'ল আৰু কল্পনাও বাস্তৱত ৰূপায়িত নহ'ল। অপৰাই বুকুত অলেখ বেদনাৰ বোজা লৈ দিন কটাবলৈ ধৰিলে।

বহু ব্যস্ততাৰ মাজতো নিতৌ পুৱা বাতৰি কাকত পঢ়াটো অপৰাৰ স্বভাৱত পৰিণত হৈছিল। সিদিনাও ৰাতিপুৱা বাতৰি কাকতখন মেলি লৈ বাতৰিৰ শিৰোনামা বিলাক এফালৰ পৰা চাই গ'ল। এঠাইত লিখা আছিল যে— হত্যাকাৰী, লুণ্ঠনকাৰী বিকাশ বৰুৱাৰ ওপৰত পুলিচৰ তালাচী অভিযান। অপৰাই লাইনটো আকৌ এবাৰ পঢ়ি চালে। বাতৰিটো পঢ়ি অপৰা আচৰিত হৈছিল— কি! বিকাশ বৰুৱা হত্যাকাৰী, লুণ্ঠনকাৰী......? নাই— নাই, কেতিয়াও হ'ব নোৱাৰে। অপৰাৰ সমস্ত শৰীৰ কঁপি উঠিল। তাই ইয়াৰ প্রতিবাদ কৰি ক'ব যে বিকাশ বৰুৱা কোনো ধৰণৰ হত্যাকাৰী, লুণ্ঠনকাৰী নহয়।

অপৰাৰ দুখৰ সীমা নোহোৱা হ'ল। তাই দুখৰ ওপৰত আৰু দুখ অনুভৱ কৰিলে। অপৰাই আৰু দুখ নিদিবলৈ ঈশ্বৰক কাকুতি কৰিলে। কিন্তু বিকাশ বৰুৱা যদি পুলিচৰ হাতত ধৰা পৰি যায় তেন্তে তাই জানো জীয়াই থাকিব পাৰিব? নাই, এই বিলাক যে তাই কি ভাবিছে। বিকাশ বৰুৱা এজন জনা বুজা শিক্ষিত ল'ৰা। তেওঁ এনেকুৱা কাম কেতিয়াও নকৰে।

অপৰাৰ এনেকুৱা লাগিছিল যেন অপৰাই এখনি চিঠিৰ দ্বাৰা তাইৰ মনত দুখৰ কথা সকলো প্ৰকাশ কৰিব। আৰু তেওঁ যেন এবাৰ অপৰাক দেখা কৰিবহি। আবেগভৰা কলম হাতত লৈ বেদনাহত পক্ষীৰ দৰে যেন চিঞৰি দিব অপৰাই।

এনেদৰে কেইবা দিনো পাৰ হ'ল। অপৰাৰ দিন নাযায় দুখত ৰাতি নুপুৱায় এনেকুৱা অৱস্থা হ'ল। তাৰ মাজতে অপৰালৈ এখন চিঠি আহিল। চিঠি পাই অপৰা আচৰিত হৈছিল নীলা আখৰ। বিকাশৰ চিঠি **পোৱা** মাত্রকে তাইৰ অতীতলৈ মনত পৰিল। বিকাশৰ চিঠিৰ ভিতৰত যে কিমান মিঠা মিঠা ভাষা আছিল।

বিছনাত পৰি লৈ খুব আবেগেৰে অপৰাই চিঠিখন খুলি ললে। তাত লিখা আছিল।

মৰমৰ

'অপৰা'

মৰমবোৰ ল'বা। বৰ্তমান মোৰ ভাল নহয়। যা হওক আশা ৰাখিছো তোমাৰ যেন ভাল।

মোৰ শতদোষ মাৰ্জনা কৰিবা। মই আজি তোমাৰ ওচৰত চিৰ বিদায় প্ৰাৰ্থী। তুমি মোক ক্ষমা নকৰিবানে? বিদায় মূহুৰ্ত্তত মোক আশীৰ্বাদ দিলেও নাইবা অভিশাপ দিলেও মই গ্ৰহণ কৰিবলৈ সাজু অপৰা। তোমাৰ ওচৰত মোৰ প্ৰেম, ভালপোৱা জীয়াই ৰাখিবা তোমাক হয়তো পুনৰ জন্মত আকৌ লগ পাম। তোমাৰ ওচৰত মই বহুত ভুল কৰিলো। তুমি জীয়াই থাকা আৰু সুখী হোৱা। অপৰা, তোমাৰ ওচৰত মই বিদায় মাগিছো। তুমি মোক বিদায় দিয়া।

বিশেষ নিলিখো। সদৌ শেষত অযুত হিয়া ভৰা মৰমবোৰ উপচাই দি তোমাৰ পৰা বিদায় মাগিলো।

ইতি—

তোমাৰ

'বিকাশ দা'

চিঠিখন অপৰাৰ হাতৰ পৰা সৰি পৰিল। তাইৰ মুৰটো আচন্দ্ৰাই কৰা যেন পালে আৰু অপৰাই গম নোপোৱাকৈয়ে বিছনাৰ গাৰুটো চকুলোৰে তিতি গ'ল। অপৰা এতিয়া নিৰুপায়। তাই কি কৰিব! বিকাশক তাই ক'ত লগ কৰিব।

তাৰ পিছদিনা বাতৰিত প্ৰকাশ পালে যে সংগঠনৰ কামত লিপ্ত থকা বিকাশ বৰুৱা পুলিচৰ হাতত গ্ৰেপ্তাৰ। অপৰাই এয়া কি দেখিছে, কি শুনিছে? দুচকুৰে তাইৰ দুখ নিগৰি আহিল। হাতত লৈ থকা বাতৰি কাকতখন হাতৰ পৰা পৰি গ'ল। অপৰাৰ জীৱনলৈ অন্ধকাৰ নামি আহিল। তাই বিছনাত বাগৰি পৰিল আৰু ৰিদিপ দত্তৰ গানটি তাইৰ মনত পৰি শুনিবলৈ খুব মন গ'ল। ❖

এটা জাতিৰ লগত এটা জাতিৰ সমন্বয় হ'বলৈ হ'লে পৰস্পৰৰ ভিতৰত উভয়ৰ বিষয়ে জ্ঞান থকা উচিত। নিজৰ ধৰ্ম, কৃষ্টি, সমাজ আৰু সংস্কৃতিৰ উপৰিও, আনৰ ধৰ্ম, কৃষ্টি, সমাজ আৰু সংস্কৃতিৰ বিষয়ে গভীৰ জ্ঞান থকা উচিত। পৰস্পৰৰ ভিতৰত অকৃত্ৰিম আৰু আন্তৰিক শ্ৰদ্ধা-ভক্তি ৰাখি কালৰ ৰথত চকাত অগ্ৰগতিৰ তালে তালে প্ৰগতিৰ অসীম বাটেদি অগ্ৰসৰ হোৱা উচিত।

— কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা

জাতীয় জীৱন আৰু জাতীয় সাহিত্য এই দুটাৰ অবিচ্ছেদ্য সম্বন্ধ। জাতীয় সাহিত্য জাতীয় জীৱনৰ প্ৰতিধ্বনি মাথোন। জাতীয় জীৱন যদি সংকীৰ্ণ হয় জাতীয় সাহিত্যও সেই সংকীৰ্ণতাৰ হাত সাৰিব নোৱাৰে।

— লক্ষ্মীনাথ বেজবৰুৱা

শ্ৰীমন্ত শংকৰে কৃষ্ণকে আমাক সংস্কৃতি প্ৰতীক কৰি থৈ গৈছে। তেওঁৰ নিজৰ জীৱনতো এই কৃষ্ণ শিল্পীৰূপে মানৱ জীৱনক প্ৰকাশ দিবলৈ তেওঁৰ প্ৰতিভাৰ, মণীষাৰে চেষ্টা কৰি গ'ল। প্ৰায়বোৰ ধৰ্মপ্ৰচাৰকেই সন্যাসীৰ দৰে সত্য প্ৰচাৰ কৰি ফুৰে কিন্তু শ্ৰীমন্ত শংকৰে 'কৃষ্ণ'ৰ অৰ্থতো ভালকৈ বুজিছিল সেইহে কৃষ্ণৰ আদৰ্শতে সেই যুগৰ উপযোগী জীৱন গঢ়িছিল আৰু সেই নিজৰ জীৱন গঢ়ি জগতকো জীৱন কেনে হ'ব লাগে উদাহৰণ দেখুৱাইছিল।

— জ্যোতিপ্ৰসাদ আগৰৱালা

# আনন্দৰ বেদনা

কমল গোস্বামী
স্নাতক প্ৰথম বাৰ্ষিক

তেতিয়া ন বাজি পঞ্চল্লিছ মিনিট গৈছে। তীব্ৰ গতিৰে আগবাঢ়িছে হাওঁৰা মেইলখন, এটি বিকট চিঞৰেৰে নিশাৰ নিঃস্তব্ধতা ভেদ কৰি বিহাৰৰ ৰেল আলিটোৰে। কালৰ গতি নিশাৰ অন্ধকাৰৰ দৰে ই নিজেও ক্ষমাৰ পাত্ৰ নহয় আৰু ক্ষমা নকৰে মমীৰ দৰে অশেষ পুৰতিৰ ৰদালিৰ কিৰণত জকমকাই জিলিকিব খোজা ন কইনাজনী। ক্ৰমান্বয়ে নিশা গভীৰৰ পৰা গভীৰতালৈ উধাও হৈছে। ট্ৰেইনখনৰ গতি তীব্ৰতৰ আৰু তীব্ৰতৰ হৈছে। চহৰখন নিঃপালি দিছে আৰু কিমান চৰাইয়ে নিশাৰ টোপনি ভঙাৰ বিচ্ছেদত গালি পাৰিছে। কিছুমান অকথ্য ভাষাৰে। কিন্তু নিৰ্বিকাৰ ভাৱে নিজ পথেৰে ঢাপলি মেলিছে হাওঁৰা মেইলখন।

মই মোৰ হাত ঘড়ীটোলৈ চালো, নিশা দহ বাজো বাজো হৈছে। মই চিতচৌত হেলনা দি ডায়েৰিখন মেলি লৈছো আৰু মোৰ কম্পাৰ্টমেন্টত অহা লিমন আৰু তাৰ পত্নী মমী আৰু এজন ভদ্ৰ ব্যক্তিৰে সৈতে চাৰিজন সহযাত্ৰী। সিহঁত আটায়ে শুইছে অকলশৰে আছো মই তেতিয়াই যেন কিবা এটা অঘটন ঘটিল ৰেলখনে এটা দীঘল উকি দিলে লগে লগে আৰম্ভ হ'ল বিকট চিঞৰ কোলাহল আৰু ক্ষন্তেক পিছতে নিঃস্তব্ধতা। সেই নিঃস্তব্ধতাৰ সমভাগী যেন ময়ো, মোৰ ভৰি আৰু দেহটোত ওজন ওজন কিবা এটা পৰাৰ অনুভৱ হৈছে শুইছে মাথো শুইছো অনন্তকাল আৰু মহাকাল।

কাৰোবাৰ যত্নত তিনিদিনমান পাছত কোনোমতে চকু দুটা মেলি চালো আৰু লগে লগে চকুদুটা মুদি দিবলৈ বাধ্য হলো। গোটেই দেহটোত এক অসহ্য যন্ত্ৰনা। মই আকৌ এবাৰ চকুহালি মেলিব চেষ্টা কৰিলো কিন্তু নোৱাৰিলো। পুনৰ অচেতন অৱস্থাৰে পৰি ৰলো।

তেতিয়া নিশ্চয় সন্ধিয়া লাগিছিল। কিছুমান নুবুজা ভাষা মই শুনিছিলো। চকুহাল মেলি চাৰিও পিনে চাই মাথো বগা কাপোৰ দেখিছিলো। মোৰ চকুৰ আগত ভাঁহি উঠিছিল ট্ৰেইনত লগ পোৱা মমীৰ মুখখন আৰু তেওঁৰ ধুনীয়া স্বামী লিমনৰ। প্ৰথমতে লিমনেই চিনাকি দিছিল মোক। লিমন প্ৰায় মোৰ সমবয়সীয়াই হব কিন্তু কথা বতৰাই মোতকৈ অধিক খোৰাক দিব পৰা আৰু আপোন কৰিব কৰিব পৰা শক্তি আছে তাৰ। মই অসমৰ জলপাই ষ্টেচনত ট্ৰেইনত উঠিছিলো কলিকতালৈ এটি চাকৰিৰ কামত আৰু সেই একোটা ষ্টেচনতে উঠিছিল লিমন, মমী তাৰ পাছৰ ষ্টেচনত বক দুৱাৰত উঠিছিল সেই আধাবয়সীয়া ব্যক্তিজন, যিজনে আমাক হাঁহি উঠাইছিল কিছুমান ৰসোক্তিৰে। আমি দিনৰ এঘাৰ বজাত ট্ৰেইনত উঠিছিলো। দ্বিতীয় ষ্টেচনত মই কিবা আনিব যাব খোজাত মোক বাধা দি লিমনে গৈছিল মোক মাথো কৈছিল তাৰ পত্নীৰ লগত কথা পাতিবলৈ। পিছত মই মমীলৈ চাইছিলো আৰু তাইক অন্যমনস্ক হৈ থকা দেখিছিলো। মমীক মই সুধিছিলো সিহঁতৰ বিয়া হ'বলৈ কিমান দিন হ'ল? তাই মিচিকিয়া হাঁহি মাৰি লাজ লাজ ভাৱেৰে উত্তৰ দিছিল যে দুদিন আগতে সিহঁতৰ কোৰ্টমেৰেজ হৈছে। লিমন শিল্লিতাৰ ঘৰ কলিকতাত আৰু এতিয়া তালৈকে যাব। তাই নিজেও লেখিকা। মই ভালে পাইছিলো তাই এগৰাকী এগৰাকী লেখিকা পায় আৰু ভাল পাইছিলো তাই অসমৰ মিচিকিয়াই হাঁহি হাঁহি কোৱা কথাবোৰ। তাই হাঁহিলে আৰু ধুনীয়া দেখাই। মই অনুভৱ কৰিলো ভগবানে সঁচাকৈ লিমন আৰু মমীক মিলাইছে পতি-পত্নী নহয় ভাই-ভনীৰ দৰে। সেই সুযোগতে মই

ভগৱানক প্ৰণাম কৰিছিলো— হে, ভগবান ইহঁত হালৰ যোৰা যেন চিৰকাল অটুট ৰখা। তাৰ পিছত আৰু বিভিন্ন ধৰণৰ কথা সুধিছিলো মমীক। মোৰ বিয়া হৈছে নে নাই কথাৰ মাজেতে তাই সুধিছিল। মই নাই হোৱা বুলি উত্তৰ দিয়াত তাই মোলৈ একেথৰে চাই আছিল আৰু প্ৰশ্ন কৰিছিল, মই কেনে ছোৱালী বিছাৰো। মোৰ মুখৰ পৰা তৎক্ষণাত ওলাই আহিছিল তাইৰ দৰে ছোৱালী হলে ভাল। তাই এবাৰ ডাঙৰকৈ হাঁহিছিল আৰু তাৰ পিছত তলমূৰ কৰিছিল। তেতিয়া লিমনে হাতত কিবা কিবি লৈ ডবাত উঠিছিল। সি আমাৰ দুয়োৰো মুখলৈ চাই হাঁহি হাঁহি কৈছিল, মমী তুমি প্ৰতিম পূজাৰীক পাই মোক পাহৰি নাযাবা আক'। তায়ো তপৰাই উত্তৰ দিছিল কেলেই নেপাহৰিম যতে মৌ থাকে মৌ মাখিয়ে তালৈকে যায়। ময়ো যতে ৰস পাওঁ তালৈ যাম তুমি কিন্তু মোক বাধা নিদিবা। লিমনে হ'ব হ'ব বুলি হাতৰ টোপোলাবোৰ খুলি আমাক ভগাই দিলে। আমি আটায়ে খোৱাত ব্যস্ত। তেতিয়া সেই আধা বয়সীয়া ব্যক্তিজনে এটা ভি আই পি লৈ আমাৰ কম্পাৰ্টমেন্টত সোমাল খালী থকা চকীখনত বহিল। মানুহজনে আহিয়ে সহজ হবৰ বাবে কলে মই বুঢ়াটোৱে তোমালোক ডেকাবোৰৰ মাজত সোমাই তোমালোকক খলঠেকত পেলালো, বেয়া নেপাবা, মুকলিকৈ কথা পাতিলে ময়ো বেয়া নেপাওঁ। তাৰ পিছত ট্ৰেইন এটা দীঘল উকি মাৰি আগবাঢ়িলে আমাৰ লগতে তাৰ যাত্ৰাভিমুখে। ক্ৰমে ক্ৰমে আগবাঢ়ি সময় মমীয়ে মোক ক'লে, আপোনাক প্ৰথম আহি বহি থকা দেখি আমি ভাবিছিলো যে আপুনি আমাক নেমাতিব। আপোনাক তেতিয়া এক অন্য জগতৰ প্ৰাণী যেন অনুভৱ হৈছে। যেতিয়ালৈকে আপোনাক আমি মতা নাছিলো। এতিয়া আমি মাতি শিক্ষা পাই গৈছো যে আপোনাৰ এতিয়া মুখ বন্ধ নহয়। মই তপৰাই প্ৰশ্ন কৰিছিলো, তোমালোকে মোক বেয়া পাইছা। তাই অভিমান কৰি কৈছিল, কিয় কৈছে তেনেকৈ? আমি আপোনাক ধেমালীহে কৰিছো। ময়ো তেতিয়া ক'লো মই প্ৰথমতে তোমালোক আহি এই কম্পাৰ্টমেন্টত সোমোৱাত ভাবিছিলো যদি মই এই ছোৱালী জনীৰ প্ৰেমত পৰো তেতিয়া বৰ অসুবিধা হ'ব। সেয়ে প্ৰথমে মই মতা নাছিলো। অ' সেইটোৱে কথা, লিমনে হাঁহি হাঁহি ক'লে, এতিয়াও প্ৰেমত পৰা তোমালোক দুয়ো। মই অকলে পাৰিম। মমীয়ে লিমনৰ পিঠিত খুচীয়াই দি ক'লে, ছিঃ লাজো নাই, নিজৰ পত্নীক আনৰ লগত যোৰাই দি জোকাবলৈ। পিছত অহা ব্যক্তিজনে ক'লে, তোমালোকে নিজে কথা পাতি থাকিবা নে মোকো অলপ ক'বলৈ সুযোগ দিব। তোমালোকৰ কথা শুনি শুনি মোৰ ভালো লাগিছে আৰু খঙো উঠিছে। তোমালোকে বেয়া নোপোৱা যদি মোকো তাত অংশ দিয়া। আমি তিনিও একে আশাৰে হ'ব বুলি ক'লো। ক্ষণ গৈ গৈ সন্ধিয়া বুকু ভৰি দিলে। দুৰণিৰ জোপোহাৰ মাজৰ পৰা শিয়ালৰ চিঞৰ ভাঁহি আহিল। তেনেকৈ বিভিন্ন ঠাই এৰি মেইলখনে ভৰি দিলে বিহাৰৰ মাটিত। লিমনে আৰু মমীয়ে ঠিকনা দিলে আৰু মোৰো ললে, আৰু সিহঁত গৈ পোৱাৰ পিছতে এদিন সিহঁতে আহি সিহঁতৰ ঘৰলৈ মোক নিম বুলি ক'লে, মই হ'ব বুলি ক'লো। নিশা ন মান বাজিছিল। আমি আটায়ে খাই বৈ উঠিছিলো। সিহঁতে কিছুসময় বহি শুবলৈ যো-জা চলাইছিল। মোক শুবলৈ কৈ সিহঁত শুইছিল মই তেতিয়া! এটা চিঞৰ ওলাই আহিছিল মোৰ ওঠেৰে যিমান সম্ভৱ চিঞৰটো ডাঙৰ হ'ব লাগিছিল সিমান সৰুকৈহে ওলাইছিল। মই পুনৰ অচেতন হৈ পৰিছিলো।

পিছদিনা মানুহৰ ক্ৰন্দনত হে সাৰ পাইছিলো। কোনোৱাই হিন্দীতে কৈ কৈ কান্দিছিল লিমন তই কলৈ গলি মোৰ বাছা। তেনেদৰে অশেষ ক্ৰন্দনৰ চিঞৰ শুনিছিলো। মই কাষৰ বেডখনলৈ চাইছিলো শুনিলো মমীৰ কণ্ঠস্বৰত ভাহি আহিছিল এটি শব্দ পানী পা-নী। এগৰাকী নাৰ্চ আহি তাইৰ মুখত চামুচেৰে পানী খুৱাই দিছিল।

এটি তপত হুমুনিয়াহ ওলাই আহিল মোৰ মুখৰ পৰা— হায়! এয়েতো জীৱন দেহ ৰতন পায়ো হেৰুৱা জীৱন ধ্বংস ভাৰতবৰ্ষ। ❖

# মৃত্যু

শ্ৰীমহিন চন্দ্ৰ বড়ো
স্নাতক দ্বিতীয় বাৰ্ষিক

মোৰ জন্ম এটি ৰম্যভূমী ৰনাংগনাত
অথবা য'ত মৃত্যু বোলা শব্দটোৰে আদৰৰ
এই দেশত এতিয়া মৃত্যুৰ যজ্ঞ সমাগত
এই দেশৰ মাটি এতিয়া ৰক্তাতত পৰিণত
দেশৰ সহস্ৰ জনতাৰ ভৰিৰ তলুৱাত
প্ৰতিটো গচকতে লাগে তেজৰ চেকুৰা।
মৃত্যুলৈ এতিয়া কাৰো ভয় নাই
মৃত্যু মৃত্যুৰেই এটি চিনাকি নাম
এতিয়া যেন মৃত্যুবোৰ ব্যৱসায় স্বৰূপ
সেয়ে মৃত্যুৱে লাভ কৰে খবৰ কাগজৰ শিৰোনামা।
নাজানো মৃত্যুকলৈ মানুহে কিহৰ খেলা খেলে
মুক্তিৰ বাবে নে আজাদৰ বাবে, কিন্তু
সেই আজাদ আমি কেতিয়াবাই লাভ কৰিলো
ভাতৃত্বৰ বান্ধোনেৰে মৃত্যুক নেওচি তাহানিতে।
সেই আজাদৰ জনতা এতিয়া অতীত হ'ল
এতিয়া বৰ্তমানত জন্ম হৈছে নতুন জনতাৰ
যি জনতাৰ তেজ আজি অতি প্ৰবল;
এইবোৰ জনতাই এতিয়া মৃত্যুকলৈ খেলা কৰে
অথবা মৃত্যুক মৃত্যু বুলি গণ্য নকৰে।
মৃত্যুৰ যজ্ঞ কেতিয়া শেষ হ'ব?
কেতিয়া ছিঙিব মৃত্যুৰ বিভীষিকা
হয়তো পৃথিৱীখন মৃত্যু নোহোৱালৈকে।
সেয়ে আহা আমি মৃত্যুক খেদি পঠিয়াও
ভাতৃত্বৰ বান্ধোনেৰে, মৰমৰ এনাজৰিৰে
এই দেশৰ বাবে আমাৰ দেশৰ বাবে। ❖

# হয়তো নুশুনিলা তুমি

শ্ৰীউৰ্মিলা বসুমতাৰী
উঃ মাঃ দ্বিতীয় বাৰ্ষিক

হয়তো নুশুনিলা তুমি
মোৰ ব্যৰ্থতাৰ গান।
এতিয়া মই কাৰ বাবে
ৰচিম গীত,
তুমিও চোন বিদায় বেলাত।
নাহানে আৰু এই বাটে?
মই থাকিম ৰই।
সৌ কবৰ স্থানৰ নিৰবতাত। ❖

# চিনাকি প্ৰেমৰ প্লাৱন

শ্ৰীজয়ন্ত শৰ্মা
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

চিনাকি যদিও হোৱা তুমি অতীতৰ
এতিয়াচোন মাথোঁ তুমি হেপাঁহৰ
যদিওবা হোৱা তুমি মোৰ প্ৰেমিকা
তথাপি মই যে আবেগ বঞ্চিতা
তুমি যদিও হোৱা একেবাৰে লেহুকা
তাক মই নকৰো অকনো বঞ্চিতা
ত্ৰিভুবন ভগাই যেতিয়া গঠা তোমাৰ চুলিতাৰি
কিমান যে সুন্দৰ দেখি সেই ৰূপটি
তাতে মোহনীয় এটি সন্ধিয়া পৰত
ধূপ ধূনা, শংখ, ঘন্টাৰ বাদ্যৰ মাজত
তেতিয়া, দেখা পাওঁ তোমাক পদুলি মুখত
তিনি বাই ভনীৰ সমালোচনাৰ মাজত
দৰ্শন হওঁ সেই সময়ত নিভাজ হাঁহিৰ ভাজত
আৰু তোমাৰ চকুত দেখা পাওঁ শাওনে
আকি দিয়া ৰূপ প্লাৱনতা
জানিব বিচাৰো প্ৰিয়া তুমি কোন?
দিবানে পৰিচয়............... ❖

# কবিতাৰ অনুভৱ

দুলুমণি বৰুৱা
স্নাতক দ্বিতীয় বাৰ্ষিক

মোক কিয় কলা তুমি
কৱিতা লিখিবলৈ
কবিতা যে মোৰ হেৰাই গ'ল।
তথাপিও কিবা এটি লিখো বুলি
সন্মুখত মেলি লওঁ
উকা কাগজ খিলা
হাতত তুলি লওঁ কলম;
কিন্তু.................
কি লিখিম? মই যে ভাষাহীনা
শ্ৰোতাই নাই যেতিয়া
গানৰ কি প্ৰয়োজন।
হৃদয়ত ভাষাই নাই যেতিয়া
লিখাৰে বা কি প্ৰয়োজন।
কি প্ৰয়োজন কবিতাৰ
পঢ়ুৱৈ নাই যেতিয়া।
ভাষা, শ্ৰোতা, পঢ়ুৱৈবিহীন কৰিব
হয়তো নাই প্ৰয়োজন
এই সমাজত............
কিন্তু তথাপিও ভাল পাওঁ কবিতা
ভাল পাওঁ কবিক
কাৰণ সুৰ হেৰালে ফুল শুকায়
কবিতা হেৰালে যে জীৱন হেৰাই।। ❖

# অচিনাকি বান্ধবি

মিছ দুলুমণি বেগম
উঃ মাঃ দ্বিতীয় বাৰ্ষিক

নাজানো কিমান মৰমী
অচিনাকি বান্ধবি
হবানে তুমি মোৰ লগৰি?
ভাবিছো তুমি মোক নিদিয়া কণমাণি ঠাই
তথাপি তুমি মোৰহে লগৰি।
মোৰ জীৱনত একো বস্তু নাই তোমাৰ লগত
কৰিব ৰূপৰ তুলনা,
এদিনো যদি নিদিয়া মোক হৃদয়ত ঠাই
তথাপি তোমাৰ বাবেহে কৰিম মঙ্গল কামনা
হৃদয়তে সাজি লৈছো তোমাৰ মুখখন
পূজা কৰিম মনত
প্ৰতিজ্ঞা কৰি কৈছো সদায়ে কৰিবা
মাত্ৰ মোৰহে অন্তৰত। ❖

# সংগীতৰ প্ৰেম

শ্ৰীচায়েনা শৰ্মা
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

সকলোৱে জানে তোমাক সংগীতজ্ঞ বুলি
মইনো নাজানিম কিয়?
মই জানিব বিচাৰো তোমাৰ নাম
হয়তো হবও পাৰে তোমাৰেই নাম সংগীতা।
মই জানো তুমি সংগীতৰ মধুৰ সুৰত
সুৰ লগাব জানা বুলি
তুমিওতো নজনা নহয় মইয়ে এজন
সংগীত প্ৰেমিক।
সেয়ে তোমাৰ কণ্ঠত শুনিব বিচাৰো
এটি ৰাগ
যিটো ৰাগে মোৰ দেহ মন জুৰাব পাৰে।
আৰু তুমিতো পোৱাই চিনি মই যে
এজন সংগীত প্ৰেমিক
সেয়ে প্ৰতিদিনে চাও তোমাৰ নয়ন জুৰি
এবাৰ নেদেখি উঠে মোৰ হৃদয় বাজি
কৰুণ বিষাদত।
মই জানো তুমিয়ে হোৱা। ❖

# প্ৰেম এনেকুৱাই

শ্ৰীলক্ষ্যধৰ দাস
স্নাতক চূড়ান্ত বাৰ্ষিক

আদেশ বা অনুৰোধ নামানে নৈ
ইচ্ছাৰ বাটে দি যায় বয়
প্ৰেম এনেকুৱাই
পিঞ্জৰাত বন্দী হৈ নাথাকে ৰয়
ঢৌবোৰৰ উত্থান-পতন
ব্যাকুল ভাগ
প্ৰেম এনেকুৱাই
স্পৰ্শ পালেও নালাগে ভাগৰ
তুহৰ জুইয়ে মহখেদে
মনৰ জুইয়ে কলিজা পোৰে
প্ৰেম এনেকুৱাই
উমি উমি জ্বলে। ❖

# আশাৰ বন্তি

সংগ্ৰাহক— শ্ৰীঅপৰূপ কুমাৰ ডেকা
উঃ মাঃ ২য় বৰ্ষ

(মোৰ দাদা স্বৰ্গীয় ৰাতুল আলীৰ সোঁৱৰণত)

জন্মিছিলা যিদিনা তুমি
ঘৰ আৰু পৰিয়ালত বাজিছিল মঙ্গল উৰুলি।
এখোজ দুখোজকৈ দিছিলা খোজ,
আই পিতাইৰ অন্তৰত দিছিলা অনেক সুখ।
আগবাঢ়ি গৈছিলা তুমি জীৱনৰ বাটত,
জ্বলাম বুলি ভাবিছিলা আশাৰ উজ্বল বন্তি।
হৰি নিলে তোমাক বিদায় বৰ্ষৰ শেষ ৰাত্ৰিয়ে,
নোৱাৰিলা গঢ়িম তোমাৰ জীৱন।
গঢ়াত বাধা দিলে তোমাক কালৰ সোঁতে,
কিন্তু তুমি নাপালা কাৰো অভাৱ।
দি গলা সকলোকে এক হিয়া ভগা বেদনা,
ৰৈ গ'ল মাথোন এক অজ্ঞাত সহাৰি।
চিৰস্মৰণীয় হৈ যাবা আমাৰ অন্তৰত তুমি
তোমালৈ বুলি যাচিলোঁ শেষ শ্ৰদ্ধাঞ্জলি।। ❖

# প্ৰিয়তমা

শ্ৰীজয়ন্ত বৈশ্য
উঃ মাঃ দ্বিতীয় বৰ্ষ

তোমাৰ গাল দুখনি সেন্দুৰীয়া যেন গোলাপৰ পাহী
অন্যৰ সতে নাই তুলনা ৰমনি।।
তুমি মোৰ আশাৰ স্থলী যেন নৱকুসুমৰ ফুল কলী
গোন্ধতে আমোল মোলাই আকাশ।।
তুমি আলাসৰ লাৰু যেন তিৰুতাৰ বোৰু
মোৰ বাঞ্ছা নকৰা নিৰাশ।।
যদিও কৰিলা বেছি শিখা নুনুমাবা মোৰ আশাৰ লিখা
আজীৱন থাকিবা জ্বলি।
তোমাৰ ৰূপ যৌৱন অতিকৈ বিতোপন
দেখি হয় মন জুৰ।।
ফুলে ফুলে সৰি যায় বননীত শুকাই বিস্মৃতিয়ে পায়
বসন্তৰ নৱবৰ্ষ কুহিপাঁত ৰদত মৰহে।।
নিদিবা মানো প্ৰেমৰ তুল্য যদিও নহয় তোমাৰ যোগ্য
দেখিলে মন নাচি উঠে বিৰহত
মনৰ মানুহ ভোকতে শুকাই এনেকি হয় মৃতপ্ৰায়
কল্পনা ভাঙি কাৰাগাৰ
বুকুৰে বিচাৰে তোমাৰ পৰশ পালে হয় মন হৰশ
প্ৰিয়তমা বুকুৰ তোমাৰ।। ❖

# অভিমান

মহঃ মনিৰুদ্দিন আহমেদ
উঃ মাঃ ২য় বৰ্ষ

এটি দুটি গীতেৰে
মৰম জনালোঁ
মিঠা ভাষাৰে
আদৰি নললা হৃদয়েৰে
এয়া কিনো অভিমান
বেদনাৰে দিলা প্ৰতিদান।
দিনৰ পিছত দিন যায়
বছৰে বাগৰ সলায়
সময়ে মেলানি মাগে,
ক্ষণে ক্ষণে প্ৰতিপলে
তথাপি নহয় কিয় মলান
এয়া কিনো মৰমৰে তান।।
তোমাৰ মোৰে জীৱন দুদিনীয়া
মৰম প্ৰীতিহে যুগমীয়া
কিয়নো কৰিলা অৱহেলা
অকাৰনে পাহৰি পেলালা
এয়া কিনো অভিমান
বেদনাৰে দিলা প্ৰতিদান। ❖

# तेरो यादे

Miss Rahima Begum
T. D. C. 1st Year

पल पल बूस तेरी यादे
आते है मुझे सताने
मोठो मोठो हर तेरी बाते
बना गयी मुझे दिबाने।

दिलमें अब सीर्फ तेरी खयाल
करने लगा मुझे घायल।
इसा कभी लगता है
मैं हु गया हो पागल।

चोरो चोरो आते है रोज सपने में
रातों की नीन्दियां लगते हैं चुराने,
कभी कभी लगते है दिल घड़कने
पास नहीं आते जब करके बहाने। ❖

# ভগ্ন প্ৰেম

চৈয়দ জিয়াউৰ ৰহমান
স্নাতক ৩য় বৰ্ষ

সময় আৰু
দুঃসময়ৰ
দোমোজাত
গলি গলি
শেষ হয়
এখন
সেউজীয়া হৃদয়
সৰ্পিল গতিত
পাৰ হয়
বেসুৰা জীৱনৰ
চন্দময় দুখৰ ঢৌ
বৈ যায়
নিৰস আশাৰ
বোকোছাত
কিছু
আধৰুৱা
খেলিমেলি
সপোন।। ❖

# তোমাৰ প্ৰেমত মতলীয়া মই

মহঃ মিন্টুল আলী খান
স্নাতক ১ম বৰ্ষ

তোমাৰ প্ৰেমত মতলীয়া মই
উন্মাদ হৈ উঠে যৌৱন
কিয় জানো হেৰায় যাব খোজে
মোৰ বুকুৰ মাজৰ পৰা অজানিতে।
কেতিয়াবা হৃদয়ৰ উত্তাপেৰে
নহয় অনুভূতিৰে জুখিব খোজো
তোমাৰ হৃদয়ৰ বেদনাবোৰ
অথবা মিঠা মিঠা মৰমবোৰ।
একোচোন বুজিব নোৱাৰো তোমাৰ ভাষা
মোৰ বুকুত বৈ থকা জিৰ্ জিৰ্ শব্দ
মাথো বৈয়ে থাকিব বিচাৰে
মোৰ বুকুতে আজীৱন। ❖

# তোমাৰ অপেক্ষাত

মহঃ চামচুল হক
স্নাতক ১ম বৰ্ষ

জীৱনৰ প্ৰথম দৰ্শনত
ভুলিলো তোমাৰ ৰূপত,
তোমাৰ বাবেই ৰচিছো কবিতা
তুমিয়েই মোৰ হৃদয়ৰ মনমিতা
তুমি মোৰ কবিতাৰ অনুপম ছন্দ
আবদ্ধ মই তোমাৰ প্ৰেমত নাই ভিন ভাব
তোমাৰ প্ৰেমৰ মাজত।
সেইবাবে ঘুৰি ফুৰিছো তোমাৰ সন্ধানত,
মাথোন তোমাৰ প্ৰেমৰ বান্ধোনত
দেখা দিয়া কিয় সপোনত?
আবদ্ধ মই তোমাৰ ছলনাময়ী প্ৰেমত
কিমান দিন থাকিবা আৰু ঘৰৰ বন্দী শালত
আকোৱালী লবানে তোমাৰ হৃদয়ৰ মাজত?
কিমান থাকিবা আৰু মোক পাহৰি
তোমাৰ কথা মনত কৰি কৰি
নেপাও যে আহৰি।
বলিয়া হলো মই তোমাৰ ৰূপত
মাথোন মনমিতা বৈ আছো
তোমাৰ অপেক্ষাত। ❖

# আহ্বান

মহঃ কুতুবুদ্দিন আহমেদ মুকেছ
স্নাতক ২য় বৰ্ষ

প্ৰেমৰ গান হৈ নামিছে
তৰুণী বৰষা
মায়াময় হৈ উথলি উঠিছে
অষ্টমীৰ জোনাক

তিৰবিৰ তোমাৰ দুনয়নত
প্ৰতিবিম্বিত কোন বাৰু সেয়া?
দুলি দুলি ওন্দলি উঠিছে নেকি
আলফুলিয়া তোমাৰ বুকুৰ ভিতৰ?

নিঃকিন মই প্ৰেমিক পথিক
ক্লান্ত-পৰিশ্ৰান্ত-অৱসন্ন
অথচ ব্যাকুল মোৰ প্ৰেমিক প্ৰাণ

আহিলা হেতেন যদি
প্ৰেমৰ গান হৈ এজাক বৰষুণৰ দৰে
অষ্টমীৰ জোনাকত মায়াময় হৈ
উথলি উঠিল হেতেন মোৰ হৃদয় আকাশ
আৰু।।
প্ৰিয় মোৰ।।। ❖

# তুমি

শ্ৰীধৰিত্ৰী শৰ্মা
স্নাতক ১ম বৰ্ষ

নাপালো ভাষাটি বিচাৰি
প্ৰকাশ কৰিবলৈ বহুকথা।
নাপালা জানো বুজি
কবিতাৰ ভাষাৰে মোৰ হৃদয়ৰ ব্যাথা।
আজিও বিচাৰো আগৰ দৰেই
তোমাৰ মৰম,
বহুত মৰম,
সঁচা মৰম
আজিও জীয়াই আছো
তোমাৰ সেই মৰমবোৰৰ বাবে।
অন্যথা পৰকালত
হ'থানে লগৰী।। ❖

# আধৰুৱা বাটত

মিছ আনোৱাৰা বেগম
স্নাতক ২য় বৰ্ষ

জীৱনৰ আধৰুৱা বাটত
এজাক ধুমুহা আহিল,
সেই ধুমুহাত সাৰ পাওঁ
মই পুৱতি নিশা।
তোমালৈ মনত পৰিল
আজি বহুদিন হ'ল,
দেখা নাই মই তোমাক
কেতিয়াবা অজানিতে।
দুগালেৰে নিগৰি আহে অশ্ৰুভৰা বেদনা
হতাশাত পৰি ৰওঁ মই
পাৰ হৈ গেছে বহুতো ৰাতি
তোমাৰ স্মৃতিৰ গুণ গুণনিত।
তুমি ভালে আছা বুলি
মই অহা পৰত
তুমি যে কৈছিলা কপা কপা মাতেৰে
কেইটা মান কথা।
আজিও মনত আছে এই
আশা ভৰা পৃথিৱীত,
জীৱনৰ আধৰুৱা বাটত। ❖

# দেশ প্ৰেম

মিছ আজিদা বেগম
উঃ মাঃ ২য় বৰ্ষ

বহাগৰ ভৰ দুপৰ নিশা
জুৰাব নোৱাৰে মোৰ বুকু
কুলিৰ সুমধুৰ মাতে
গোটেই অসম আৱৰি ধৰিছে
বন্দুক বাৰুদৰ ধোঁৱাৰে।
ভাতৃঘাটী সংঘৰ্ষত মাতৃভূমি
অসম দেশ আজি জৰ্জৰিত
বতাহতো ভাঁহি আহে
কেছা তেজৰ গোন্ধ
নিশাৰ নিঃস্তব্ধতা ভেদী আহে
কোনোবা ডেকাৰ কৰুণ আৰ্তনাদ
টেটু ফালি চিঞৰিছে
মৃত্যুৰ জ্বলা যন্ত্ৰণাত
হে অসম মাতৃ তুমি নকৰিবা দুঃখ
এদিন আহিব উভতি
তোমাৰ হেৰুৱা শান্তি আৰু সুখ।। ❖

# প্ৰিয়াৰ প্ৰতি

কুদ্দুছ আলি খান

আহিব নালাগে তুমি মোৰ কাষলৈ প্ৰিয়া
থকা তুমি জ্ঞানৰ প্ৰতিক্ষাত,
সদায় অভিনয় কৰি দেখিলে হাঁহি মাৰি
দুখ দিয়াহি আকুল হিয়াত
অজানিতে যদি প্ৰিয়া আঘাত দিছিলো অন্তৰত
কৰিবা ক্ষমা এই সংসাৰত,
স্বৰ্গৰ সোণোৱালী দিনবোৰৰ ওপৰত
কৰামে বিশ্বাস মই এই মৰতত
এই পৃথিৱীৰ মায়া পৃথিৱীতে পৰি ৰব
যাম দুয়ো অকলে আঁতৰি
তেতিয়াতো কোনেও নকয় দুটি জীৱনৰ কথা
নিৰৱে সকলোৱে যাব পাহৰি। ❖

# কবিতা

ইফটিকাৰ হুছেইন
উঃ মাঃ ২য় বৰ্ষ

কবিতা!
তোমাৰ লক্ষ্য
তুমি বিচৰা কি?

নাজানো তোমাৰ হৃদয়,
নুবুজো তোমাৰ মন,
কি যে তোমাৰ অনুভূতি।
তথাপি সোৰৰিছো
এবাৰ বিবেকৰ দ্বাৰা।

কবিতা!
তোমাৰ লক্ষ্য?
পখী হোৱাৰ নে
মনুষ্য হোৱাৰ নে
অইন কিবা.............

কবিতা!
তুমি বিচৰা কি?
পাহাৰ পৰ্বত নে
চৰাই-চিৰিকটি নে
অইন কিবা......

নাজানো তোমাৰ হৃদয়,
নুবুজো তোমাৰ মন,
কি যে তোমাৰ অনুভূতি।

মই যে এজন নহয় কবি,
তোমাৰ এই বিচিত্ৰ
হৃদয়, মন, অনুভূতি আদি
জানিবলৈ। ❖

*কথা কবিতা*

# এখন ডাকত পোৱা চিঠিৰ কিছু অংশ

মোজাম্মিল হক
প্ৰাক্তন ছাত্ৰ

মৰমৰ লীনা,
মৰমবোৰ ল'বা,
আশাকৰো তোমাৰ ভাল।
যোৱা সোমবাৰে গাৰৰ পৰা এখন চিঠি পালো,
জানিছো যোৱা বহাগত হেনো বিয়া হৈ গ'ল,
ভালেই হ'ল দিয়া। বেয়া নাপাবা, তোমাৰ
বিয়ালৈ যাবৰ বৰ ইচ্ছা আছিল জানা,
কিন্তু কি কৰিম উপায় নাই, যাব নোৱাৰিলো।
বিয়াত তোমাক কি সাজে কইনা সজাইছিল—
নাপালো জানা। বেয়া লাগে।
ৰূপাই কৈছে হেনো জোৰণত দিয়া পাতৰ
সাজজোৰে তোমাক সুন্দৰ দেখাইছিল,
এহ্ মই কিবাহে লিখিলো, বেয়া নাপাবাদেই।
তুমিতো জানাই ডিগ্ৰীটো লৈ মই
কোনোমতে ফৌজি চাকৰিত জইন কৰিলো
বৰ কষ্ট জানা। উপাই নাই, ভাইটো
আছে নহয়, তাক পঢ়ুৱাব লাগে।
উঃ হাতখন বৰকৈ বিষাইছে ৰবা অলপ
কাপোৰ বান্ধি লওঁ। যোৱা কালি পাহাৰত
গুলিয়া-গুলি হৈছিল, হাতত গুলি লাগিছিল,
চিন্তা নাই থিক হৈ যাব।
ফৌজিত থাকিলে বৰ সজাগ হ'ব লাগে জানা
কেতিয়া চাইৰেন বাজে তাৰো থিক নাই,
চাইৰেন বাজিলেই গিৰিপ গিৰিপকৈ নামি
আহে শতাধিক জোবান আৰু মৰানস্ৰৱ
সহিতে আগবাঢ়ে মৃত্যু মুখে। কি ঠিক
মৃত্যু কেতিয়া আহে।
কেতিয়াবা মনত পৰে তোমালৈ, যেতিয়া
দিচিপ্লেন ভংগ কৰো আৰু শাস্তি গাত পাতি
লওঁ, তুমিওতো শাস্তি দিছিলা অভিমানেৰে।
উপায় নাই। মনত পৰেনে তোমাৰ কেতিয়াবা
চেঁচা নৈত উমলা কথা। ক'ত বন্দুক
হাতত আগৰ কঠালগুৰি ঘাটত উমলা।
চেঁচা নৈৰ পানী চাগে শুকাল ন।
তোমাৰ মনত আছে নহয় আমি যে তাত
উমলিছিলো শৰালিত,
তুমি বালিৰ বান্ধ দিছিলা আৰু মই
অমৰৰ ডাল গুজিছিলো।
বাৰিষাৰ ধলত বালিৰ বান্ধ উটি গ'ল
আৰু মই গুজি দিয়া অমৰৰ ডালবোৰ
এতিয়াৰ বৈ আছে—
এটি নৰ কংকালৰ দৰে
বিঃ দ্ৰঃ— বিশেষ নাই। পাৰিলে চিঠি দিবা।

ইতিত
তোমাৰেই

# A GLANCE AT THE SUCCESS OF DR. MATIUR RAHMAN



**Baharul Islam,** M.A. B.Ed, LLB, Dip. Steno
Lecturer, Department of English

Professor Matiur Rahman is a Faculty member of Dalhousie University in Halifax, Canada where he is a distinguished Professor of Applied Mathematics and Fluid Mechanics and he has gained experience in teaching mathematical methods in many Universities world-wide, including Jorhat Engineering College in Assam, Imperial College in UK, Windsor, Moncton, Monitoba and Ottawa. Originally hailing from the foothills of the Himalayas in the Province of Assam, India, he has gone on to become a leading scientist in his field. He received his Ph.D (1973) from Windsor University, Canada and his DSc (Eng.) (1992) from London University, U.K. His other academic achievements include a BSc (Hons.) (1962) from Cotton College, India, an MSc (1964) from Gauhati University, India, a DIC (1969) from Imperial College, U.K. and a M.Phil (1969) from London University, U.K. In 1990 he was elected a Fellow of the Institute of Mathematics and its Applications (FIMA), awarded a Chartered Mathematician status (C Math.) in 1991 and in 1992 the American Biographical Institute selected him as *'Man of the year.'*

Professor Rahman has to his credit 15 text books and research monographs and over 200 scientific papers. His graduate

**ACADEMIC AWARDS :–**

| | |
|---|---|
| Proficiency prize in Mathematics by G.U. | 1958. |
| Sudmerson medal in Mathematics by Cotton College, India | 1961. |
| Sudmerson medal in Mathematics by Cotton College, India | 1962. |
| National Scholarship in Mathematics by Indian Govt. | 1963. |
| Overseas Scholarship in Mathematics by Indian Govt. | 1966. |
| Research fellowship in Mathematics by NRC Canada, | 1969. |
| Post-doctoral fellowship in Mathematics by NRC Canada, | 1973. |
| WIT medal for outstanding achievement in reseach, UK. | 1996. |

textbook Water Waves : Relating Modern Theory of Advanced Engineering Applications brought considerable accolades from the scientific community, was reviewed in the SIAM Reviews and received an award from the Natural Sciences and Engineering Research Council of Canada (NSERC). Professor Rahman's main research interests are in the areas of waves and hydrodynamics loading, fluid structure interaction, diffraction and scattering of ocean waves, hydrodynamics, boundary element method, natural convection flows with diffusion and reaction, stability of tubular chemical reactors, temperature stratification in large bodies of water, and non linear ocean waves. He has been associated with the Wessex Instituted of Technology (WIT) since 1980 and is now a member of its Governing Board. He was awarded a medal by WIT for his outstanding research achievements at the AFM conference held in New Orleans, USA in 1996. He is also a life member of the London University Convocation since 1969. He is currently Managing Editor of the international series *'Advances in Fluid Mechanics'*, published by WIT press, 30 volumes of which has been published since its inauguration in 1993. The main aim of the series is to exchange new research findings and ideas on modern fluid mechanics between scientists and engineers.

Professor Rahman was born in the year 1940, on November 28 (Sept. 1 official) in a secluded village of Dumunichowki in the District of Darrang, Assam, India. His father coming from a very respectable Muslim family which was once famous as the hunter family *(Sikari family)*, because of the fact that his grandfather was a very well-known *'Sikari'* in the whole of the Mangaldai Sub-division of Darrang District, popularly known was *Bhenda Sikari*. He was an expert in shooting and had never missed killing tigers. As the village was surrounded by jungles, there used to be too many wild tigers roaming in the nearby forests. These wild animals were very harmful to the well-being of the entire region. His grand father had the skills to kill the tigers by his handgun. He bought this gun with the permission of the Assam Government to protect the villagers from the harmful and ferocious tigers. People, out of respect, while passing by the *'Sikari House'* bowed their heads.

Professor Rahman's father was Lutfur Rahman and his mother, Jamila Begum was a daughter of rich and respected leading person of the *Bairagi Chuburi* in the village of Dumunichowki. His maternal grand father's name was Bhetuali Ahmed and his mother was the eldest daughter. The village people used to call him *'Pandit'*. He himself was a school teacher and Head Master of the Dumunichowki Elementary School and was the only knowledgeable person in the

whole community. Time passed on his parents had four children : in chronological order they are Jahida Begum, Putuli Begum and Muzammil Hussain. After the death of his father, his maternal gandfather was his supreme *guru*. He had given them assurances that he was going to support their family by all means. He started to show interest in Matiur's education. He was too young to help his mother and his younger brother who was only three months old at that time and two younger sister by doing manual jobs. His grandfather had his own responsibilities to support his family. So he could only support them occasionally. Although he could not support them monetarily. Matiur received considerable moral encouragements and inpirations from him as the times rolled on. They had reached such a stage of poverty that Matiur did not have proper house to sleep and sometimes he had to go to school with empty stomach because his mother could not afford to arrange two meals for her children. But Matiur had a very strong drive for learning and education. He stood first in Mathematics in the Matriculation Examination under the Gauhati University in 1958. His father-in-law, Bakdul Ali was one of the renowned public figures and novelists of Assam. He managed to rise to the position of the Principal of Mangaldai Government Higher Secondary School. His mother-in-law Sahajadi Begum is the daughter of the then famous lawyer Badaruddin Ahmed who once was the MLA of Mangaldai Sub-division under Sir Sadullah, the Prime Minister of Assam. His brother-in-law Fazlul Karim, a noted *Geetikar* of the Modern Assamese Literature who passed away prematurely on 6 May 2001.

Dr. Rahman organized and attended many international conferences since 1980. The most remarkable one was the CAMS Conference held at Halifax Hilton in 1990. Many of the world leading scientists and engineers attended it and presented their research papers there. Sir Games Light Hill, FRS was the keynote speaker in that conference. After a relentless struggle they moved to their present add. 122 Hazelholme Drive on May 1, 1983. They bought this property from an Italian owner at 102,000 with the mortgage from the Royal Bank of Canada. It is a four bedroom home in a calm and quit residential area in Clayton Park in Halifax. This is just like a little house on the Pairie but all modern facilities with two huge and backyards. Schools, shopping centres, recreation centre, medical offices and transport facilities are all near the house. They say that they are very happy to own that property although it is now about 30 years old.

He was also a good soccer player and played many tournaments in the rightback position. The spectators were very excited when he received the ball and delivered it without any flow. The Sipajhar Diamond

Team which was famous for soccer during those days was defeated once by the Dumunichowki Gaonlia Team. He played for the Dumunichowki High School team also.

The working President of Dumunichowki High School Golden Jubilee Celebration Committee Sri Sasadhar Deka wrote a letter to Dr. Rahman by informing him the decision of the local public and teachers of Dumunichowki High School to celebrate the Golden Jubilee of the school. And accordingly as an Ex-student Dr. Rahman was express his happiness after getting the news. He also express his willingness to come to attend the celebration. But due to some unavoidable circumstance the celebration could not be on date. In this connection it may mention here that Dr. Rahman proposed to come to his village home in the month of December 2000. He arrived timely and we also decided to offer him an ovation to him from our Golden Jubilee Celebration Committee. The Committee aslo decided to hold a public meeting in connection with the ovation ceremony. Many people from different walks, students, teachers gathered there to see Dr. Rahman and hear some lectures from him. We are very happy to mention here in that public meeting because he announced to offer Rs. 1 lakh 20 thousand to construct a library building to commemorate her mother Jamila Begum which is nearing completion and it is proposed to be inaugurated shortly.

Matiur Rahman, Professor of Engineering Mathematics, has received an award for his most recent book. His monograph, Mathematical Models with Applications has received the "Outstanding Academic Title" award from CHOICE Magazine.

Since 1980, Rahman has been associated with the Wessex Institute of Technology (WIT) and is a member of its Board of Directors. He is currently Managing Editor of the International Book series in *'Advances in Fluid Mechanics"*, published by WIT.

It has been a winning year for Rahman, who is acknowledge as one of Canada's leading applied Mathematicians. He was awarded the ***"Eminent Scientist in Fluid Mechanics Science Medal"*** by the Wessex Institute of Technology, for his outstanding research achievements in Fluid Mechanics. The award was presented at the Advances in Fluid Mechanics (AFM '02) Conference, held in Ghent, Belgium on May 18. ***Rahman is the first Canadian scientist to receive this international award.***

Through his research, Dr. Rahman has made outstand contributions to the field of fluid mechanics research and instrumental of water wave mechanics and wave loads on offshore structures. ❖

***After my M.Sc. result I first went to the Arya Bidyapith College a newly created college in Gauhati. I went to see the principal of the College. I knew that the college had a vacancy in Mathematics. But the Principal did not offer me the jab. He instead, offered the jab to a second class M.Sc. degree holder.—Dr. Rahman***

# Old Age– A Cause of Concern

(For the future Society)

**Miss Lipika Deka**
3rd year T. D. C. (Major)

Statistics show that the 21st century is witnessing a gradual transition to an ageing society the world over. But laws and regulations to safeguard their interests seem to be inadequate. The National Policy on older Persons of 1999 which talks about giving the 60 + individuals "opportunities to lead an active, creative, satisfying life" and is hailed as the blueprint of the nation's concern for its greying population has still not been implemented properly. The well meaning constitutional provisions hardly have the force of law.

It is now upto the state governments to rise upto the defence of the elderly Karnataka, down south has initiated the process. It has just proposed a law under which action can be taken against children who abandon their elderly parents.

**Cause of concern :–** In 1951, the number of 60 + elderly people in India was 20 million.

In 2001, the elderly population was 71 million. An increase of 51 million in 50 years (an addition of nearly one million per year).

The proportion of the elderly to the total population in 1951 was 5.4 per cent, in 1991 it was 6.7 per cent and is expected to be 8.9 per cent by 2016, 12.7 per cent by 2025 and 21.3 per cent by 2050.

Over the last four decades, the growth rate of the 60 + population has been higher than that of the total population.

In the 1990's 29.7 per cent of the elderly men were fully dependent and 16.9 per cent partially so; 75.7 per cent women were fully dependent and 11 per cent partially so.

**What the Constitution Speaks :–** Old-age related provisions are mentioned in the Directive Principles of State Policy of the Indian Constitution.

Article 38 : The State shall strive to promote the welfare of the people.

Article 38 (2) : The State shall, in particular, strive to minimise the inequalities in income and endeovour to eliminate inequalities in status, facilities and opportunities not only

amongst individuals but also amongst groups of people residing in different areas or engaged in different vocations.

Article 41 : The State shall, within the limits of its economic capacity and development, make effective provisions for securing the right to work, to education and to public assistance in cases of unemployment, old age, sickness and desablement in other cases of undeserved want.

**What the Grey Speak of family life** – 97.4 per cent of the elderly think that the joint family system is breaking down.

93.1 per cent think that generation gap is widending in India and respect for the elderly is dying out.

93 per cent feel that the family support system will decline and the elderly must learn to be self-relient.

Over 81 percent of the elderly confess to facing increasing stress and psychological problems in modern society, while 77.6 percent say that the mother-in-law Vs. daughter-in-law conflict is on the rise.

62.9 per cent of the elderly feel the role of grand children will decrease in future.

Over 87 per cent state government isn't doing enough to take care of the elderly in India.

38 per cent support the right to die (Euthensia) movement. ❖

*(Sourece : Census of India 1991, Population Projections for India and states, 1996-2016, National sample Survey, The Aged in India, 1998, A. Bose– The Condition of the Elderly in India.)*

# ছাত্ৰ একতা সভাৰ বিভাগীয় সম্পাদকসকল



মহঃ মুজাহিদউল ইছলাম
সাধাৰণ সম্পাদক



শ্ৰীহেমন্ত ডেকা
সমাজ সেৱা সম্পাদক



মহঃ নজৰুল ইছলাম
সম্পাদক আলোচনী



মিছ দুলুমণি বেগম
সম্পাদিকা সাংস্কৃতিক বিভাগ

শ্ৰীগিৰীশ বৰ্মণ
উপ-সভাপতি



শ্ৰীজয়া নাথ
সম্পাদিকা ছাত্ৰী জিৰণি কোঠা



শ্ৰীমিলন দাস
সম্পাদক শৰীৰ চৰ্চা বিভাগ




মহঃ জেহেৰুল ইছলাম
সম্পাদক গুৰু খেল বিভাগ



শ্ৰীমন্টু পাটোৱাৰী
সম্পাদক লঘু খেল বিভাগ

# পাতিদৰং মহাবিদ্যালয়ৰ ২০০১-২০০২ বৰ্ষৰ আলোচনী সম্পাদনা সমিতি



বাহাৰুল ইছলাম
তত্বাৱধায়ক



শ্ৰীমতী মিনতি দেৱী
উপদেষ্টা

শ্ৰীদীপক তালুকদাৰ
প্ৰবক্তা, ইংৰাজী বিভাগ
সদস্য



কুতুবুদ্দিন আহমেদ
সদস্য



মহঃ নজৰুল ইছলাম
সম্পাদক আলোচনী

# TEACHING & NON-TEACHING STAFF



***Sitting (From Left) :–*** T. Islam (Lect. Pol.Sc.), B. Saud (Lect. Phil), A. Begum (Lect. Edu), A. Kalita (Lect. Hindi), D. Talukdar (Lect. Eng.), N. Devi (Principal I.C.), D. Talukdar (lect. Hist.), T. Sarmah (Lect. Ass.), J. Borah (Lect. Ass.), S. Das (Lect. Geo.) , R. Deka (Lect. Psy),

***Standing (From Left) :–*** B. Deka (4th grade), A. S. Haddy (4th grade), T. Deka (LDA), D. Deka (4th grade), U. Ali (4th grade), D. Deka (4th grade). *Member of Students Union.*

***Not seen in the Picture :–*** B. Islam (Lect. Eng.), G. Sarma (Lect. Phil.), S. Borkatoky (Lect. Eco.) R. Deka (Lect. Edu.), A. Dutta (Lect. Maths.), K. Kalita (Lect. Pol.Sc.), S. Kalita (Lect. Hist.), T. Deka (Lect. Pol. Sc.), R. Sarma (Lect. Ass.), K. Sarma (Lect. Hist.), M. Lahiry (lect. Bodo), J. Dewan (Lect. Phill.), P. Dutta (Lect. Eng.), I.H. Choudhury (lect. Eco.), R. Nath (Lect. Edu.), Z. Hussain (Lect. Arabic), N. M. Hoque (Lect. Pol.Sc), A. Rashid (Lect. Pol.Sc.), N. Sarma (Librarian), G. N. Borah (LDA).

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ আৰম্ভণিতে আপোনালোকৰ সৎ চিন্তা, ভাবনা, উৎসাহ আৰু সহায় সহযোগিতাক স্বীকাৰ নকৰি নোৱাৰিলোঁ। যাৰ স্বতঃস্ফূৰ্ত্ত সহাৰিত মোৰ নিচিনা ব্যক্তি এজনক এই মহাবিদ্যালয়ৰ ২০০১-২০০২ বৰ্ষৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি এই গুৰু দায়িত্ব পালনৰ জৰিয়তে এনেহেন মহান অনুষ্ঠানখনৰ প্ৰতি সেৱা আগবঢ়োৱাৰ যি সুবিধাকণ দিলে তাৰ বাবে প্ৰতিজন সচেতন পাতিদৰঙীয়ান বন্ধু-বান্ধৱীৰ ওচৰত মই চিৰ কৃতজ্ঞ।

সাধাৰণ সম্পাদক ৰূপে নিৰ্বাচিত হোৱাৰ আগতে বহুতো কথা ভাবিছিলোঁ, বহু পৰিকল্পনা হাতত লৈছিলোঁ। সকলোবোৰ সময় মতে সম্পাদন কৰাৰ প্ৰতিজ্ঞাবদ্ধও হৈছিলোঁ। কিন্তু কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতেই এনে কিছুমান বাস্তৱ পৰিবেশ, কৰ্তৃপক্ষৰ অমনোযোগ আৰু অৰ্থৰ অভাব আদিৰ সন্মুখীন হ'ব লগা হ'ল যি বিলাকে আমাৰ কাৰ্যভাৰ চলাই যোৱাত প্ৰত্যক্ষভাবে নহলেও পৰোক্ষভাবে বাধাৰ সৃষ্টি কৰিছিল।

**প্ৰতিভা সপ্তাহ ঃ—** বিগত বছৰৰ দৰে এই বেলিও ১৯ নবেম্বৰৰ পৰা ২২ নবেম্বৰ ২০০১ ইং তাৰিখলৈ চাৰিদিনীয়া কাৰ্য্যসূচীৰে দ্বাদশ বাৰ্ষিক মহাবিদ্যালয় প্ৰতিভা সপ্তাহ পালন কৰা হয়। বিভিন্ন প্ৰতিযোগিতাত বিশেষ স্থান পোৱা সকলক ২২ নবেম্বৰত অনুষ্ঠিত মুকলি সভাত বঁটা প্ৰদান কৰা হয়। বঁটা বিতৰণী অনুষ্ঠানত বিশিষ্ট অতিথিৰ আসন শুৱনি কৰে পূব কামৰূপ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্ৰবক্তা শ্ৰীপ্ৰবীন কলিতা ছাৰে।

ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক, মানসিক, সাংস্কৃতিক তথা বৌদ্ধিক দিশৰ অনুশীলনৰ বাবে আমাৰ মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰা হৈ আহিছে। সকলো দিশৰ অনুশীলনৰ বাবে ছাত্ৰ-ছাত্ৰীৰ জোখাৰে মহাবিদ্যালয়ত সকলো ধৰণৰ সুবিধাকণ নাই। এখন উন্নত খেল পথাৰ, স্থায়ী প্ৰেক্ষাগৃহ, খেলৰ বিভিন্ন সামগ্ৰী, বাদ্যযন্ত্ৰ আদিৰ অবিহনে নিমিত মাত্ৰ আহিলা পাতিৰে ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃত অনুশীলন অসম্ভৱ। সময় মতে এনেবোৰ অভাৱৰ কথা কৰ্তৃপক্ষক অৱগত কৰা হৈছে।

**নৱাগত আদৰণি সভা ঃ—** যোৱা কেইবছৰৰ দৰে ৯ অক্টোবৰ ২০০২ ইং তাৰিখে দিনযোৱা কাৰ্য্যসূচীৰে নৱাগত আদৰণি সভাখন অনুষ্ঠিত হয়। সেই উপলক্ষে ৰাতিপুৱা ৮ বজাত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে মাননীয়া ভাৰপ্ৰাপ্ত অধ্যক্ষা শ্ৰীমিনতি দেৱীয়ে, প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰবক্তা বাহাৰুল ইছলাম ছাৰে। ১০ বজাৰ পৰা সতীৰ্থ সন্মিলন অনুষ্ঠিত হয়। সতীৰ্থ সন্মিলনত ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ প্ৰীতি মিলন হয়। সঞ্চালন কৰে মহাবিদ্যালয় অসমীয়া বিভাগৰ প্ৰবক্তা শ্ৰীজগত বৰা দেৱে। দিনৰ এক বজাত মুকলি সভা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়াৰ সভাপতিত্বত অনুষ্ঠিত উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে কমলপুৰ বিধান সভা সমষ্টিৰ বিধায়ক শ্ৰীউত্তৰা কলিতা। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে শ্ৰীপখিলা কলিতা বাইদেউ, শিক্ষা-

সাহিত্যিক ও প্ৰযোজিকা। সভাত বিশেষ আনন্ত্ৰিত অতিথি উপস্থিত আছিল বোলছবি অভিনেতা শ্ৰীপ্ৰবাল বৰঠাকুৰ আৰু জোনালী দেৱী লগতে মঞ্চ অভিনেতা শ্ৰীৰাজুমণি শৰ্ম্মা।

**সভা-সমিতি ঃ—** বিগত বছৰটোত মহাবিদ্যালয়ত কেইবাখনো সভা আৰু আলোচনা চক্ৰ অনুষ্ঠিত হয়। ইয়াৰ উপৰিও ছাত্ৰ সন্থাৰ অধিবেশন, ১৫ আগষ্টত গোৰেশ্বৰত থকা অৰ্ধসামৰিক বাহিনীৰ দ্বাৰা পতাকা উত্তোলন, মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিবস, শিক্ষক দিৱস আৰু সময়ে সময়ে শোকসভা আদি অনুষ্ঠিত হয়।

"পাতিদৰং মহাবিদ্যালয়" এই অনুষ্ঠানটো অকল পাতিদৰঙৰে নহয় গোৰেশ্বৰৰ পৰা চাৰিআলিলৈ, দৰঙৰ পৰা ৰঙিয়ালৈ এই বৃহৎ অঞ্চলৰ কাৰণে উচ্চ শিক্ষাৰ অনুষ্ঠান। অনুষ্ঠানটোৰ লগত জড়িত প্ৰতিজন ব্যক্তিয়েই এই কথা বিনা দ্বিধাই দোহাৰিব। যিসকল মহানুভৱ ব্যক্তিৰ সঠিক চিন্তাৰ বাবে এই মহাবিদ্যালয় খন জন্ম লাভ কৰিলে, সেই সকলৰ আশা-আকাঙ্খাক বাস্তৱত ৰূপ দিয়াটো মহাবিদ্যালয় কৰ্তৃপক্ষ, ৰাইজ আৰু ছাত্ৰ-ছাত্ৰী তথা আমাৰ পবিত্ৰ কৰ্তব্য।

**অভাৱ অভিযোগ ঃ—** অনুষ্ঠান এখনত বিভিন্ন অভাৱ অভিযোগ থকাটো স্বাভাৱিক। আমাৰ কাৰ্য্যকালত বিভিন্ন অভাৱ অভিযোগ যেনে— এটা চাইকেল ষ্টেণ্ড, ছাত্ৰ-ছাত্ৰীৰ জিৰণি ঘৰ, খেলৰ বিভিন্ন সামগ্ৰী আৰু অহা যোৱা পথটোৰ মেৰামতি লগতে পেচাব ঘৰ আৰু অন্যান্য বিভিন্ন অভাৱ কৰ্তৃপক্ষক অৱগত কৰোৱা হৈছে। সোনকালে চাইকেল ষ্টেণ্ডটো কৰ্তৃপক্ষই বনাই দিম বুলি আশা দিছে যদিও আজিলৈকে হৈ উঠা নাই। ছাত্ৰ একতা সভাৰ এটা কাৰ্য্যালয় নিৰ্দিষ্ট কৰি কৰ্তৃপক্ষই দিছে যদিও শ্ৰেণী কোঠাৰ অভাৱত সিও নিৰ্দিষ্ট হোৱা নাই। কৰ্তৃপক্ষৰ প্ৰত্যক্ষই হওঁক বা পৰোক্ষ অমনযোগৰ বাবে আমাৰ দাবিবোৰ দাবি হৈ ৰ'ল। সমাধান নিশ্চয় হব বুলি আশা থাকিল।

**কৃতজ্ঞতা ঃ—** মোৰ কাৰ্য্যাকালত বিভিন্ন দিহা পৰামৰ্শ দিয়া মোৰ অতি শ্ৰদ্ধাৰ অধ্যক্ষা ডাঙৰীয়া আৰু প্ৰবক্তা সকলক মই শ্ৰদ্ধাৰে সোঁৱৰিছোঁ। বিশেষকৈ মোক প্ৰতিতো কৰ্মতে দিহা-পৰামশ দিয়া মাননীয় প্ৰবক্তা শ্ৰীদিপক তালুকদাৰ, শ্ৰীৰবিন ডেকা, মহঃ বাহাৰুল ইছলাম চাৰক মই শ্ৰদ্ধাৰে সোঁৱৰিছোঁ।

মোক বিভিন্ন দিশত সহায় কৰা মোৰ অতি মৰমৰ বন্ধুসকল হ'ল সৰ্বশ্ৰী, অজিত কুমাৰ দাস, মন্টু, নজৰুল, প্ৰদীপ, অচ্যুত কাকতি, দুলুমণি, জোনালী, সীমা, নিশাৰাণী দাস। এওঁলোক সকলোলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই চেগতে মোক সকলো কৰ্মতে সহযোগ কৰা মহাবিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী বলিন দা, ইউনিচ দাক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। পাতিদৰং মহাবিদ্যালয় মোৰ স্মৃতিত এটুকুৰা উজ্বল হীৰাৰ দৰে জিলিকি থাকিব।

সদৌ শেষত প্ৰতিবেদনত অজানিতে বৈ যোৱা জ্ঞাত-অজ্ঞাত ভুলৰ বাবে সদৌটিৰে ওচৰত ক্ষমা মাগি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে—

জয়তু পাতিদৰং মহাবিদ্যালয়

মহঃ মুজাহিদউল ইছলাম
সাধাৰণ সম্পাদক

# গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—



যিসকল বন্ধু-বান্ধৱীয়ে মোক পাতিদৰং মহাবিদ্যালয়ৰ গুৰু খেল বিভাগৰ সম্পাদক পদত নিৰ্বাচিত কৰি সেৱা আগবঢ়োৱাৰ সুযোগ দিলে তেওঁলোকক মই প্ৰতিবেদনৰ জৰিয়তে শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। আমাৰ সৰ্বপ্ৰথম দায়িত্ব হিচাপে আহি পৰে সকলোৰে আকাংক্ষিত মহাবিদ্যালয় সপ্তাহ। মহাবিদ্যালয় সপ্তাহৰ খেল সমূহত বহুতো উৎসাহী ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি নিজ নিজ কৃতিত্ব প্ৰদৰ্শন কৰিছিল। গুৰু খেল বিভাগৰ সম্পাদক হিচাপে কিমান খিনি সফলতা লাভ কৰিলো ক'ব নোৱাৰো। মোৰ এই সুদীৰ্ঘ সময় ছোৱাত মই সকলো কাম নিয়াৰিকৈ কৰিবলৈ চেষ্টা কৰিছিলো। মোৰ নিৰ্বাচনৰ সময়ত মোক সহায় কৰিছিল— মোৰ বন্ধু, অনিল, চাহাব, হাৰুণ, ইমৰান, মজিব, মিলন, ইছা হক, নজৰুল আৰু বহুতো বন্ধুয়ে। আমাৰ মাননীয় শিক্ষা গুৰু বাহাৰুল ইছলাম ছাৰ আৰু দিপক তালুকদাৰ চাৰে আৰু আন মহোদয় সকলৰ ওচৰত মই চিৰকৃতজ্ঞ। বৰ্তমান যুগটো হল প্ৰতিযোগিতাৰ যুগ। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে খেলাৰ ক্ষেত্ৰত বৰ উৎসাহী। শিক্ষাগুৰু সকলৰ অনুপ্ৰেৰণা আৰু আশীৰ্বাদেই এই উৎসাহৰ মূল উৎস। মাননীয় ৰবিন ডেকা চাৰে খেল পৰিচালনা কৰি সহায় কৰি আমাক উপকৃত কৰাৰ কাৰণে ছাৰৰ ওচৰত চিৰকৃতজ্ঞ।

সদৌ শেষত পাতিদৰং মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি আৰু ছাত্ৰ একতা সভাৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

ধন্যবাদেৰে—

ইতি—

মহঃ জেহেৰুল ইছলাম

সম্পাদক, গুৰু খেল বিভাগ

# লঘু খেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন—



প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে, সেইসকল মহান ব্যক্তিক শ্ৰদ্ধাৰে সুৱৰিছোঁ, যিসকলে অক্লান্ত পৰিশ্ৰমেৰে এই মহান অনুষ্ঠানটিৰ গড় দি থৈ গ'ল।

মই ২০০১-২০০২ ইং বৰ্ষৰ পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত লঘু খেল বিভাগৰ সম্পাদকৰ পদত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হওঁ। লঘুখেল বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচনী প্ৰ-পত্ৰ দাখিল কৰিবলৈ উদ্‌গনি জনোৱাৰ বাবে বন্ধুবৰ শ্ৰীৰাজীৱ কুমাৰ ডেকা, জয়ন্ত কাকতি, ধনেশ্বৰ ডেকা আৰু ভবেশ পাটোৱাৰীলৈ মোৰ হিয়া ভৰা মৰম তথা শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

শাৰীৰিক প্ৰতিভা বিকাশৰ বাবে লঘুখেল বিভাগৰ খেল সমূহ অতি গুৰুত্বপূৰ্ণ সেয়েহে এই বিভাগৰ প্ৰতি প্ৰত্যেক ছাত্ৰ-ছাত্ৰী জ্ঞাত হোৱা উচিত বুলি মই ভাবো। ইয়াৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশত সহায় হয়। মই কাৰ্য্যভাৰ লোৱাৰ কিছুদিন পিছত অৰ্থাৎ নবেম্বৰ মাহৰ ১৯, ২০, ২১ আৰু ২২ ইং তাৰিখৰ পৰা চাৰিদিনীয়া কাৰ্য্যসূচীৰে মহাবিদ্যালয়ৰ 'প্ৰতিভা সপ্তাহ' পালন কৰা হয়। মহাবিদ্যালয় খেল সপ্তাহ সমূহত বহুতো উৎসাহী ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি নিজৰ কৃতিত্ব প্ৰদান কৰিছিল।

কলমৰ অন্তিম বুলনিত ব্যক্তিগত দু-আষাৰ লিখিছো— আগন্তুক দিনবোৰত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ লগতে ছাত্ৰ-ছাত্ৰী সকলক বৌদ্ধিক বিকাশ আৰু সুস্থ শৈক্ষিক পৰিবেশৰ সৃষ্টি কৰি মহাবিদ্যালয়ৰ চাৰি বেৰৰ ভিতৰত যাতে ভ্ৰষ্টাচাৰী ৰাজনীতিয়ে বাহ বান্ধিব নোৱাৰে তাৰ বাবে তীক্ষ্ণ দৃষ্টি ৰাখি ভাতৃত্ববোধ গঢ়ি তুলিবলৈ মই এই সুযোগতে সমূহ পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ অনুৰোধ জনালোঁ।

মোৰ কাৰ্য্যকালত বিভিন্ন দিহা পৰামৰ্শ দি সহযোগিতা আগবঢ়োৱা শ্ৰীমান টংকেশ্বৰ দেব চাৰক মই অভিনন্দন জ্ঞাপন কৰিছোঁ। প্ৰতিবেদনৰ তথা মোৰ কাৰ্য্যকালত অজানিতে হোৱা ভুলৰ বাবে ক্ষমা বিচাৰি এই মহান শিক্ষানুষ্ঠানটিৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি চমু প্ৰতিবেদনৰ ইমানতে ইতিৰেখা টানিলো।

ইতিত—

জয়তু পাতিদৰং মহাবিদ্যালয়

জয় আই অসম

শ্ৰীমন্টু পাটোৱাৰী (মুন)
লঘুখেল বিভাগৰ সম্পাদক
ইং ১/১০/২০০২

# কলা আৰু সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ আৰম্ভণিতে মই তেখেতসকলক শ্ৰদ্ধাৰ শৰাই আগবঢ়াইছোঁ যি সকলৰ অশেষ পৰিশ্ৰমেৰে এই মহান পবিত্ৰ অনুষ্ঠানটি স্থাপন কৰি থৈ গ'ল।

২০০১-২০০২ ইং বৰ্ষৰ পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে 'কলা সাহিত্য' বিভাগৰ পদত জয়ী হও। মোক এই বিভাগৰ সম্পাদকৰ পদত মনোনয়ন প্ৰ-পত্ৰ দাখিল কৰিবলৈ উদ্গনি জনোৱাৰ বাবে বন্ধু শ্ৰীব্ৰজেন দাস, কুশল শৰ্মা, আইজুল ইছলাম আৰু বান্ধৱী শ্ৰীঅনামিকা ডেকা, হিৰামণি ঠাকুৰীয়া আৰু অৰ্চনা ডেকালৈ মোৰ অশেষ হিয়াভৰা মৰম আৰু শুভেচ্ছা জ্ঞাপন কৰিছোঁ। ছাত্ৰ-ছাত্ৰীৰ সাহিত্য বিকাশৰ বাবে কলা সাহিত্যৰ খেল সমূহ অতি গুৰুত্বপূৰ্ণ। সেইবাবে এই বিভাগৰ প্ৰতি প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ জ্ঞাত হোৱা উচিত। কাৰ্য্যভাৰৰ দিনচেৰেক পিছতে মহাবিদ্যালয়ৰ প্ৰতিভা সপ্তাহ অনুষ্ঠিত কৰা হয়। চাৰিদিনীয়া কাৰ্য্যসূচীৰে পালন কৰা প্ৰতিভা সপ্তাহত খেল উৎসাহী ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি নিজ প্ৰতিভা বিকাশ কৰিছিল।

মোৰ কাৰ্য্যকালৰ সময়ছোৱাত মই কি কৰিব পাৰিছো এইটো আপোনালোকৰ বিচাৰ্য্য। কিন্তু নানা অসুবিধাৰ ফলতো যিখিনি কৰিবলৈ সুবিধা পাইছো তাক হেৰুৱা নাই। আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক বিনীত ভাবে অনুৰোধ কৰো যাতে কিবা এটি পাবলৈ হ'লে বহু চেষ্টা তথা কষ্ট কৰিব লাগে। তৰ্ক বা কুইজ বিষয়টো মহাবিদ্যালয়ৰ ভিতৰতে আবদ্ধ নাৰাখি বাহিৰলৈ সম্প্ৰসাৰিত কৰিবলৈ যথেষ্ট চেষ্টা কৰিছিলো কিন্তু দুখৰ বিষয় যে মহাবিদ্যালয়ৰ আৰ্থিক অভাৱৰ কাৰণে তাক সম্প্ৰসাৰিত কৰিব নোৱাৰিলো।

আগন্তুক দিনবোৰত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ লগতে মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশৰ সৰ্বাংগীন উন্নতি কামনা কৰিলোঁ।

মোৰ কাৰ্য্যকালৰ সময়ছোৱাত বিভিন্ন দিশত দিহা পৰামৰ্শ দি সহায় সহযোগিতা কৰা জগত বৰা ছাৰ আৰু তপন শৰ্মা চাৰৰ দীৰ্ঘায়ু কামনা কৰি অভিনন্দন জ্ঞাপন কৰিছো। প্ৰতিবেদনৰ তথা মোৰ কাৰ্য্যকালৰ সময়ত অজানিতে হোৱা ভুলৰ বাবে ক্ষমা বিচাৰি এই মহান অনুষ্ঠানটিৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি পেলালো।

ইতিত—

জয়তু পাতিদৰং মহাবিদ্যালয়

জয় আই অসম

শ্ৰীৰাজীৱ দাস
কলা আৰু সাহিত্য বিভাগৰ সম্পাদক

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল ব্যক্তিৰ অক্লান্ত শ্ৰম আৰু ত্যাগৰ বিনিময়ত পাতিদৰং মহাবিদ্যালৰ জন্ম হ'ল সেই ব্যক্তিসকলক মই শ্ৰদ্ধাৰে সোঁৱৰিছো।

২০০১-২০০২ বৰ্ষৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সমাজ সেৱা সম্পাদক হিচাপে এই মহাবিদ্যালয়ৰ বাবে সেৱা কৰিবলৈ সুযোগ দিয়া কাৰণে সমূহ পাতিদৰঙীয়ান ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই চিৰ কৃতজ্ঞ।

Service to man is service to God. এই মহৎ শাৰীটোক ডাঙৰ বস্তু বুলি ভাৱি মানুহৰ সেৱা তথা কল্যাণৰ মনোভাৱেৰে মই এই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰো।

কাৰ্য্যভাৰ গ্ৰহণৰ পিছত মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি সমাজ সেৱা প্ৰতিযোগিতাৰ আয়োজন কৰো। এই প্ৰতিযোগিতাত মঞ্চ সজা, চাফাই কৰা আৰু বৃক্ষ ৰোপন কৰা হয়। প্ৰতিযোগী সকলৰ মাজৰ পৰা কুশল শৰ্মাক শ্ৰেষ্ঠ সমাজ সেৱক আৰু কবিতা বৈশ্যক শ্ৰেষ্ঠ সমাজ সেৱিকা ৰূপে বাচনি কৰি পুৰস্কৃত কৰা হয়।

মই মোৰ কাৰ্যকালত মহাবিদ্যালয় চৌহদত ছাত্ৰ-ছাত্ৰীৰ জৰিয়তে এখন ফুলনি নিৰ্মাণৰ বাবে ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সভাত দাবি উত্থাপন কৰিছিলো আৰু এই দাবি গৃহিত হৈছিল যদিও পিছত সাধাৰণ সম্পাদকৰ পৰা উচিত সহাৰি নোপোৱাৰ ফলত এই দাবি কাৰ্যকৰী হৈ নুঠিল। ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক মানসিক আদি দিশত উৎকৰ্ষ সাধনৰ আৰু সমাজৰ কামৰ প্ৰতি তেওঁলোকক অনুপ্ৰাণিত কৰাৰ উদ্দেশ্যৰে আমাৰ মহাবিদ্যালয়খন ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অন্তৰ্ভুক্ত কৰাৰ বাবে কাৰ্যকৰী সভাত দুবাৰো দাবী উত্থাপন কৰিছিলো যদিও ছাত্ৰ একতা সভাই এই দাবি আওকান কৰাত আৰু অধিক আগবাঢ়িব পৰা নগ'ল। আশা কৰো পিছৰ পৰ্য্যায়ত ছাত্ৰ একতা সভা আৰু মহাবিদ্যালয় কৰ্তৃপক্ষই এই দিশত মনোযোগ দিব।

মই মোৰ কাৰ্যকালৰ ভিতৰতে সৰস্বতী পূজাৰ সম্পাদক হিচাপেও দায়িত্ব লও। মই পূজাখন ছাত্ৰ-ছাত্ৰী আৰু ছাৰ বাইদেউ সকলৰ সহযোগত অতি কম ধনেৰে ধাৰ ঋণ নলগোৱাকৈ চলাবলৈ সক্ষম হও। ইয়াৰ বাবে পূজা কমিটিৰ সভাপতি ৰবীন্দ্ৰ নাথ ডেকা ছাৰ, উপসভাপতি তপন শৰ্মা ছাৰ, সহকাৰী সম্পাদক ৰাজীৱ দাস, সদস্য মন্টু পাটোৱাৰী, কাৰ্যালয় সহায়ক গজেন বড়া আৰু মহাবিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী বলীন ডেকাৰ ওচৰত মই কৃতজ্ঞ।

ছাত্ৰ-একতা সভাৰ মূল অনুষ্ঠান নৱাগত আদৰণি সভাটো মোৰ তৰফৰ পৰা সকলো ধৰণৰ সহায় সহযোগিতা আগবঢ়োৱা হয়।

মোৰ কাৰ্যকালৰ ভিতৰত কিবা যদি ভুল ভ্ৰান্তি হৈছে আৰু প্ৰতিবেদনখন লিখাত কিবা দোষ হলে মোক যেন ক্ষমা কৰি দিয়ে। প্ৰতিবেদনৰ শেষত পাতিদৰং মবহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি আৰু ছাত্ৰ-একতা সভাৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

ধন্যবাদেৰে—

জয়তু পাতিদৰং মহাবিদ্যালয়

**শ্ৰীহেমন্ত ডেকা**

সমাজ সেৱা সম্পাদক

# শৰীৰচৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—



ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত শৰীৰচৰ্চা বিভাগৰ সম্পাদকৰ পদত বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হৈ ২০০১-২০০২ চনৰ বাবে কাৰ্য্য গ্ৰহণ কৰো। কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতে প্ৰথম বাৰৰ বাবে জড়িত হৈ পৰো মহাবিদ্যালয় সপ্তাহৰ লগত। মহাবিদ্যালয়ৰ সপ্তাহত মই পাঞ্জা খেল প্ৰতিযোগিতা পাতিলো। এই প্ৰতিযোগিতাত সকলো ল'ৰা-ছোৱালীৰ সহায়-সহযোগিতা পাই মই খেলখন আৰম্ভ কৰিলো। আমাৰ কলেজত উপযুক্ত পৰিবেশ, আৰ্থিক সংকটৰ কাৰণে আমি ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বিশেষভাৱে শিপাব পৰা নাই। তথাপি বৰ্তমান মনোযোগ দিবলৈ অহা ছাত্ৰ কেইজনমান দেখি সঁচাকৈ মোৰ চেষ্টা বিফল হোৱা নাই বুলি স-গৌৰৱেৰে ক'ব বিচাৰো। মহাবিদ্যালয়ত খেলখন চলাই নিয়াত মহাবিদ্যালয়ৰ ছাত্ৰ মোৰ বন্ধু অনিল আৰু কুমুদে মোক সহায়-সহযোগ কৰে।

মোৰ এই এবছৰীয়া কাৰ্য্যকাল চলাই যাওঁতে হয়তো অজানিতে বহুত ভুল ত্ৰুটি ৰৈ গৈছে তাৰ বাবে সকলোৰে ওচৰত প্ৰতিবেদনৰ জৰিয়তে ক্ষমা ভিক্ষা মাগিছো। সদৌ শেষত মই মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। ইতি—

**শ্ৰীমিলন দাস**
শৰীৰচৰ্চা বিভাগৰ সম্পাদক

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন—



মহাবিদ্যালয় খনিৰ প্ৰতিগৰাকী বন্ধু-বান্ধৱীলৈ মোৰ মৰম তথা ধন্যবাদ আগবঢ়াইছো আন যিসকলে মোক বিনা প্ৰতিদ্বন্দিতাৰে ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা পদত অধিষ্ঠিত কৰিছে।

মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত জয়ী হৈয়েই কাৰ্যভাৰ গ্ৰহণ কৰি মোৰ কাম সুচাৰুৰূপে আগবঢ়াই নিবলৈ গৈ মই সঁচাই আচৰিত নহৈ নোৱাৰিলো। কিয়নো যিটো পদৰ বাবে মই জয়ী হ'লো তথা কষ্টৰ মানসেৰে আগবাঢ়িলো তাৰ একো বাহ্যিক অস্তিত্ব নাই। মাথো কাগজে কলমেহে জীয়াই আছে এই পদটি। মহাবিদ্যালয়খনিৰ ছাত্ৰীৰ জিৰণি কোঠা এটি নথকাটো সুবেই আচৰিত কথা। কিন্তু মহাবিদ্যালয়খনৰ ছাত্ৰী জিৰণি কোঠা এটিৰ অভাৱ হয়তো আৰু কিছুদিন থাকিব। তথাপিও মই আশাবাদী যে সোনকালে এই অভাৱ পুৰণ হয়।

মোৰ কাৰ্যকালত কলেজ সপ্তাহৰ লগত সংগতি ৰাখি কেইটিমান প্ৰতিযোগিতা চলাও। মহাবিদ্যালয়খনৰ সমূহ ছাত্ৰী বন্ধু বান্ধৱীৰ সহায়-সহযোগৰ বাবে প্ৰায় সুচাৰুৰূপেই সকলো খিনি সম্পাদন কৰিবলৈ সক্ষম হওঁ।

শেষত মোৰ সকলো দিশতে সহায়ৰ হাত আগবঢ়াবলৈ মোৰ বন্ধু বান্ধৱী তথা মহাশয় মহাশয়া সকলৈ মোৰ মৰম তথা শ্ৰদ্ধা যাচি শেষ প্ৰতিবেদনৰ ইমানতে ইতি পেলালো। ইতি—

**শ্ৰীজয়া নাথ**

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা

# সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন—



প্ৰতিবেদনৰ পাতনিতে পাতিদৰং মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰী তথা বন্ধু বান্ধৱীসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত আৰু আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাংস্কৃতিক সম্পাদিকাৰ পদত বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হৈ ২০০১-২০০২ চনৰ বাবে এক মধুৰ ক্ষণত কাৰ্য্যভাৰ গ্ৰহণ কৰো। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে প্ৰথম বাৰৰ বাবে জড়িত হৈ পৰো মহাবিদ্যালয় সপ্তাহৰ লগত। মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগত ভেশচন, কৌতুক, মুকাভিনয়, নাট আদি প্ৰতিযোগিতা চলাওঁ। প্ৰতিযোগিতা সমূহ সু-কলমে চলি যায়। কিন্তু আৰ্থিক অভাৱৰ বাবে ভাল বেয়া সমালোচনাৰ পাত্ৰ হওঁ। দুখৰ বিষয় মহাবিদ্যালয় সপ্তাহত যিখিনি প্ৰতিযোগিতামূলক কাম আছিল তাৰ বিপৰীতে টকা আছিল নগন্য। তথাপিও মই মোৰ কৰ্ত্তব্যৰ ক্ৰুটি কৰা নাই।

মোৰ কালছোৱাত বিভিন্ন ক্ষেত্ৰত দিহা-পৰামৰ্শৰে উৎসাহিত কৰাৰ বাবে মোৰ বন্ধু-বান্ধৱীসকলৰ ওচৰত শ্ৰদ্ধা আৰু কৃতজ্ঞতা থাকিল। বিভিন্ন দিহা পৰামৰ্শ দি মোৰ কাৰ্য আৰু কৰ্ত্তব্য পালনত সহায় কৰি দিয়াৰ বাবে মোৰ ককাই মহঃ মোজামিল হকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছো।

মোৰ এই এবছৰীয়া কাৰ্য্যকাল চলাই যাওঁতে হয়তো অজানিতে বহুত ভুল ক্ৰুটি ৰৈ গৈছে, তাৰ বাবে সকলোৰে ওচৰত প্ৰতিবেদনৰ জৰিয়তে মই ক্ষমা ভিক্ষা মাগিছোঁ।

সদৌ শেষত মোৰ হিতকাংক্ষী ছাত্ৰ-ছাত্ৰী, শিক্ষাগুৰু সকললৈ মোৰ অশেষ মৰম আৰু হিয়াভৰা শ্ৰদ্ধাঞ্জলি যাচি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু পাতিদৰং মহাবিদ্যালয়।

**দুলুমণি বেগম**
সাংস্কৃতিক সম্পাদিকা

# বাৰ্ষিক প্ৰতিভা সপ্তাহৰ ফলাফল

*কুইজ প্ৰতিযোগিতাৰ ফলাফল—*

প্ৰথম পুৰস্কাৰ ঃ কুশল শৰ্মা, উঃ মাঃ প্ৰথম বৰ্ষ
হেমন্ত ডেকা, স্নাতক প্ৰথম বৰ্ষ
মনোজ শৰ্মা, স্নাতক প্ৰথম বৰ্ষ

দ্বিতীয় পুৰস্কাৰ ঃ ভনিতা দাস, স্নাতক দ্বিতীয় বৰ্ষ
সংগীতা ডেকা, উঃ মাঃ প্ৰথম বৰ্ষ
জ্যোতিকা ডেকা, উঃ মাঃ প্ৰথম বৰ্ষ

তৃতীয় পুৰস্কাৰ ঃ জিয়াউৰ ৰহমান, স্নাতক দ্বিতীয় বৰ্ষ
মিলন দাস, উঃ মাঃ প্ৰথম বৰ্ষ
ৰাতুল কুমাৰ, স্নাতক তৃতীয় বৰ্ষ

*আকস্মিক বক্তৃতা—*

প্ৰথম পুৰস্কাৰ ঃ হেমন্ত ডেকা, স্নাতক প্ৰথম বৰ্ষ

দ্বিতীয় পুৰস্কাৰ ঃ ৰাতুল কুমাৰ, স্নাতক তৃতীয় বৰ্ষ

*কবিতা আবৃত্তি—*

প্ৰথম পুৰস্কাৰ ঃ জয়ন্ত বৈশ্য, উঃ মাঃ প্ৰথম বৰ্ষ

দ্বিতীয় পুৰস্কাৰ ঃ সংগীতা ডেকা, উঃ মাঃ প্ৰথম বৰ্ষ
গগন নাথ, স্নাতক প্ৰথম বৰ্ষ

*ৰচনা প্ৰতিযোগিতা—*

প্ৰথম পুৰস্কাৰ ঃ বিবেচিত নহ'ল।

দ্বিতীয় পুৰস্কাৰ ঃ হেমন্ত ডেকা, স্নাতক প্ৰথম বৰ্ষ

তৃতীয় পুৰস্কাৰ ঃ গগন নাথ, স্নাতক প্ৰথম বৰ্ষ

*শৰীৰ চৰ্চা বিভাগৰ পাঞ্জা খেল প্ৰতিযোগিতা—*

*ল'ৰাৰ—*

প্ৰথম পুৰস্কাৰ ঃ শ্ৰীদেৱজিৎ শইকীয়া, স্নাতক ৩য় বৰ্ষ

দ্বিতীয় পুৰস্কাৰ ঃ শ্ৰীগগন নাথ, স্নাতক প্ৰথম বৰ্ষ

তৃতীয় পুৰস্কাৰ ঃ শ্ৰীবিপুল দাস, উঃ মাঃ ২য় বৰ্ষ
শ্ৰীকমল গোস্বামী, উঃ মাঃ ২য় বৰ্ষ

*ছোৱালী—*

প্ৰথম পুৰস্কাৰ ঃ চৈয়দা সোণমা বেগম, উঃ মাঃ ১ম বৰ্ষ

দ্বিতীয় পুৰস্কাৰ ঃ শ্ৰীমামণী দাস, উঃ মাঃ ১ম বৰ্ষ

তৃতীয় পুৰস্কাৰ ঃ শ্ৰীৰূপালী শৰ্মা, উঃ মাঃ ২য় বৰ্ষ

বিঃ দ্ৰঃ— বিভাগীয় সম্পাদকসকলে খেলসমূহৰ ফলাফল সময়মতে যোগান ধৰিব নোৱাৰাত প্ৰকাশ কৰিব পৰা নগ'ল।